

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩২২ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১ জুলাই, ২০২২, ১৬ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 322 Dainandin Barta ■ Guwahati, Friday ■ 1 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


## বানক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণাৰ দাবীত আছুৰ বিক্ষোভ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩০ জুন ঃ** অসমৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত আজি সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই নগাঁৰত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও

## মণিপুৰৰ ননী জিলাৰ টুপুলত ভয়াৱহ ভূমিস্খলনত নিহত ১৩

**লাহৰীঘাটৰ কৰ্মৰত শ্ৰমিকৰ ১ নিহত, চিকিৎসাধীন ৫, নিৰুদ্দেশ ১৭ ঃ অঞ্চলজুৰি শোকাকুল পৰিবেশ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ জুন ঃ** চুবুৰীয়া ৰাজ্য মণিপুৰৰ ননী জিলাৰ টুপুলত ভয়াৱহ ভূমিস্খলন। এই ভূমিস্খলনৰ কবলত পৰিছে অসমৰ ■ ৮ পৃষ্ঠাত

## বজৰংগ দল-বিশ্ব হিন্দু পৰিষদৰ প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ৩০ জুন ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত বজৰংগ দল আৰু বিশ্ব হিন্দু পৰিষদে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। জেহাদীৰ পৰা সুৰক্ষা দিয়াত ৰাজস্থান চৰকাৰৰ ■ ৮ পৃষ্ঠাত

# ধেমাজিত বানৰ প্ৰকোপ বৃদ্ধি

## গোগামুখৰ ৩২ ৰাজহ গাঁৱত মহাপ্লাৱণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৩০ জুন ঃ** সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন জিলাৰ দৰে ধেমাজি জিলাতো বানৰ প্ৰকোপ বৃদ্ধি পাইছে। অসম আৰু অৰুণাচল প্ৰদেশত হৈ থকা মুষলধাৰ বৰষুণত সোৱণশিৰি, জীয়াধল, কুমটীয়া, ন-নদী আদি সৰু-বৰ নদীসমূহ ফেনে-ফোটোকাৰে ওফন্দি উঠি ধেমাজি জিলাৰ বিভিন্ন ঠাই বানে বুৰাই পেলাইছে। জিলাখনৰ ভিতৰত বৰ্তমান ■ ৮ পৃষ্ঠাত

## প্ৰকাণ্ড ইউক্লিপটাছ গছ পৰি দুফাল কৰিলে সামাজিক বনানীকৰণৰ কাৰ্যালয়



**হিন্দুত্ব সুৰক্ষাৰ প্ৰতিশ্ৰুতিৰে কৰা বিদ্ৰোহৰ সাৰ্থক সমাপ্তি**

# মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে



## বিজেপিৰ দেৱেন্দ্ৰ ফাৰনৱিশে নিজে উপ-মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ কাৰণে প্ৰস্তাৱ কৰিলে শিৱসেনাৰ বিদ্ৰোহী নেতাজনৰ নাম



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৩০ জুন ঃ** দহ দিনৰ ৰাজনৈতিক চাঞ্চল্যৰ সমাপ্তি ঘটিল সন্ধিয়া ৭.৩০ বজাত। মহাৰাষ্ট্ৰৰ ৰাজভৱনত ৰাজ্যপালে নতুন মুখ্যমন্ত্ৰী হিচাপে শপত বাক্য পাঠ কৰোৱালে একনাথ সিন্দেক। উল্লেখ্য, শিৱসেনা দলৰ বিদ্ৰোহী তথা বিসম্বাদী হিচাপে পৰিচিত একনাথ সিন্দেৰ ■ ৮ পৃষ্ঠাত



## একনাথ সিন্দে সতাৰাৰ পৰা অহা চতুৰ্থ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী

**প্ৰয়াত যশৱন্ত ৰাও চাৱন, বাবাচাহেব ভোছালে আৰু পৃথ্বীৰাজ চাৱনৰ পিছত একনাথ সিন্দে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হোৱা সতাৰাৰ পৰা চতুৰ্থজন নেতা**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩০ জুন ঃ** বৃহস্পতিবাৰে একনাথ সিন্দে সতাৰা জিলাৰ পৰা অহা মহাৰাষ্ট্ৰৰ চতুৰ্থজন মুখ্যমন্ত্ৰী হিচাপে পৰিগণিত হয়। নিজে পশ্চিম মহাৰাষ্ট্ৰ জিলাত শিপা থকা এনচিপিৰ মুৰব্বী শৰদ পাৱাৰে সিন্দেক অভিনন্দন জনাই টুইটযোগে এই কথা লক্ষ্য কৰিছে। মুম্বাইৰ ওচৰৰ থানেত শিৱসেনাৰ নেতা হিচাপে দাঁত কাটি যোৱাৰ বিপৰীতে ■ ৮ পৃষ্ঠাত

## একনাথ সিন্দে অটোচালকৰ পৰা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীলৈ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩০ জুন ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ পদত আজি নানান ঘটনাক্ৰমৰ অন্তত অধিষ্ঠিত হ'ল এগৰাকী অটোচালক। অৱশ্যে তেওঁক প্ৰাক্তন অটোচালক বুলি ক'লেহে বেছ শোভা পাব। অটো চলাই এটা সময়ত জীৱিকা অৰ্জন কৰা সেইগৰাকী ব্যক্তিয়েই আজি মহাৰাষ্ট্ৰৰ ■ ৮ পৃষ্ঠাত

**গহপুৰ জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাণ্ডজ্ঞানহীনতাৰ পৰিণতি**

## ছত্ৰঙৰ খৰস্ৰোতা পানীৰ মাজত মথাউৰি মেৰামতি কৰি প্ৰাণ গ'ল খাটিখোৱা শ্ৰমিকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ৩০ জুন ঃ** গহপুৰ জলসম্পদ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰহমৎ আলী হুছেইন আৰু দায়িত্বশীল কনিষ্ঠ অভিযন্তা শুভজিৎ চক্ৰৱৰ্তীৰ ■ ৮ পৃষ্ঠাত

## গুৱাহাটীত হ'ব মচলাৰ গুণগত মান মূল্যায়ন গৱেষণাগাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** ৰাজ্য চৰকাৰ আৰু স্পাইছ ব'ৰ্ডে যুটীয়াভাৱে মচলা খণ্ডত আন্তঃগাঁথনি উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। মচলা উদ্যোগৰ বিকাশৰ বাবে গুৱাহাটীত স্থাপন কৰা হ'ব মচলাৰ গুণগত মান মূল্যায়ন কৰাৰ বাবে গৱেষণাগাৰ-পৰীক্ষা কেন্দ্ৰ। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। গুৱাহাটীত বৃহস্পতিবাৰে আয়োজতি আন্তঃৰাষ্ট্ৰীয় ক্ৰেতা-বিক্ৰেতা সন্মিলন ■ ৮ পৃষ্ঠাত

## উত্তৰ শালমাৰাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় মুকলি

**বানপৰিস্থিতিৰ দোহাই দি উপস্থিত নাথাকিল ৰাজ্য চৰকাৰৰ এগৰাকীও মন্ত্ৰী ঃ প্ৰতিক্ৰিয়া**



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ জুন ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় ভৱনটো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা ■ ৮ পৃষ্ঠাত




যোৰহাটৰ পৰা ডিমৌলৈ নিৰ্মীয়মাণ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত বৃহৎ কেলেংকাৰিৰ অভিযোগ

# সোণৰ কণী পৰা হাঁহলৈ পৰিণত যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩০ জুন ঃ** সমগ্ৰ অসমৰ ভিতৰতে কদৰ্য ৰূপ ধাৰণ কৰা উজনি অসমৰ যোৰহাটৰ পৰা ডিব্ৰুগড়লৈকে নিৰ্মীয়মাণ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ কথা বৰ্তমান অধিকাংশ লোকেই জানে। NHIDCL কৰ্তৃপক্ষৰ হেমাহি তথা একাংশ ঠিকাদাৰৰ মইমতালিৰ ফলত উজনি অসমৰ যোৰহাটৰ পৰা ডিব্ৰুগড়লৈকে ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ অৱস্থাই জীয়াতু ভোগাই আহিছে জনসাধাৰণক। জিডিচিএল নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোক কামৰ পৰা অপসাৰন কৰাৰ পিছতে প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকল অন্তৰ্ধান হৈ পৰে। আৰু ইয়াৰ পিছৰে পৰা হাহাকাৰ লাগিছে উজনি অসমৰ বহু স্থানীয় ঠিকাদাৰ আৰু ব্যৱসায়ীৰ মাজত। মঙলবাৰে যোৰহাট স্থিত NHIDCLৰ কাৰ্যালয়ত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ।সোণৰ কণী পৰা হাঁহলৈ পৰিণত হোৱা উজনি অসমৰ যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথছোৱাক যেন নিজৰ পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি আহিছে NSIDCL কৰ্তৃপক্ষ আৰু একাংশ ঠিকাদাৰী প্ৰতিষ্ঠানে। মুখ্যমন্ত্ৰী, সাংসদ কাৰোলৈকে যেন কেৰেপ নকৰে উজনি অসমৰ চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কামত জড়িত NHIDCL কৰ্তৃপক্ষই। ইয়াৰ লগতে এই নিৰ্মাণৰ কাম লাভ কৰা ৰাজ্যৰ বাহিৰৰ একাংশ ঠিকাদাৰী প্ৰতিষ্ঠানৰ মইমতালি তথা অকৰ্মণ্যতাৰ ফলত মৰণফান্দত পৰিণত হৈছে যোৰহাটৰ পৰা ডিমৌলৈকে ৰাষ্ট্ৰীয় ঘাইপথছোৱা। এই কামত জড়িত একাংশ ঠিকাদাৰী প্ৰতিষ্ঠানে ইতিমধ্যে কাম আধাতে এৰি নিজৰ প্ৰাপ্য ধন আদায় কৰি অসমৰ এৰাৰ পিছত বৰ্তমান হাহাকাৰ লাগিছে স্থানীয় ঠিকাদাৰ তথা ব্যৱসায়ীসকলৰ মাজত।জিডিচিএলৰ দৰে বৃহৎ ঠিকাদাৰী প্ৰতিষ্ঠানৰ দ্বাৰা স্থানীয় বহু ঠিকাদাৰ, ব্যৱসায়ী বৃহৎ প্ৰৱঞ্চনাৰ বলি হোৱাৰ অভিযোগ উঠিছে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ ঠিকা লাভ কৰা GDCLৰ দৰে বৃহৎ ঠিকাদাৰী প্ৰতিষ্ঠান সমূহৰ পৰা কোটি কোটি টকা লাভ কৰিবলৈ আছে স্থানীয় ঠিকাদাৰ তথা ব্যৱসায়ীসকলে। আনহাতে, NHIDCL কৰ্তৃপক্ষই এই ঠিকাদাৰী প্ৰতিষ্ঠানক ইতিমধ্যে ৰিটেনশ্যনৰ ধনখিনিও পৰিশোধ কৰি দিয়াৰ অভিযোগ উঠিছে। বহুবাৰ যোগাযোগ কৰি সুফল নোপোৱাৰ ফলত উজনিৰ জাঁজীৰ পৰা ডিমৌলৈকে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ লগত জড়িত বহু ঠিকাদাৰে যোৰহাট স্থিত NHIDCLৰ কাৰ্যালয়ত মঙলবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে।ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ দায়িত্ব লাভ কৰা ঠিকাদাৰী প্ৰতিষ্ঠানসমূহৰ সৈতে NHIDCL কৰ্তৃপক্ষই গোপন বুজাবুজি কৰি বৃহৎ কেলেংকাৰী সংঘটিত কৰাৰ অভিযোগ তুলিছে এইসকল স্থানীয় ঠিকাদাৰ আৰু ব্যৱসায়ীয়ে। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কামত শিল, বালি, মাটিকে ধৰি বিভিন্ন সামগ্ৰী যোগান ধৰি অহা এই স্থানীয় ঠিকাদাৰ তথা ব্যৱসায়ীসকলক ১২ কোটি টকাতকৈয়ো অধিক ধন পৰিশোধ কৰিবলৈ আছে যদিও NHIDCLৰ একাংশ বিষয়া-কৰ্মচাৰীৰ সহযোগত বৃহৎ ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে কৌশলেৰে সমুদায় ধন উলিয়াই নিয়াৰ গুৰুতৰ অভিযোগ তুলিছে স্থানীয় ঠিকাদাৰ তথা ব্যৱসায়ীসকলে। NHIDCLৰ যোৰহাটৰ কাৰ্যালয়টোৰ পৰাই সমগ্ৰ কেলেংকাৰী সংঘটিত হৈছে। জানিব পৰা মতে জিডিচিএল আৰু ভিএছডি নামৰ কোম্পানী দুটাক প্ৰতিখন বিল মোকলাই দিয়াৰ নামত এটা কমিছন লয়। NHIDCL কৰ্তৃপক্ষই এটা কোম্পানীক তিনিমাহ পূৰ্বে এশ শতাংশ ৰিটেনশ্যন মানি কেনেকৈ মোকলাই দিলে!ভুক্তভোগী স্থানীয় ঠিকাদাৰে এনেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে ।আনহাতে, ঠিকা লাভ কৰা কোম্পানীটোৱে ৪৯ শতাংশতকৈ অধিক উপঠিকা দিব নোৱাৰে যদিও এই কামটোত ১০০ শতাংশ উপঠিকা কেনেকৈ দিয়া হৈছে বুলি প্ৰশ্ন তুলিছে একাংশ স্থানীয় ঠিকাদাৰে।আনহাতে এই সমস্ত অনিয়ম তথা কেলেংকাৰীৰ বাবে জগৰীয়া কৰা হৈছে যোৰহাটৰ NHIDCL কাৰ্যালয়ৰ একাংশ বিষয়া-কৰ্মচাৰীক। এই সমগ্ৰ অনিয়ম তথা প্ৰৱঞ্চনাৰ বাবে ঠিকাদাৰী প্ৰতিষ্ঠানসমূহৰ লগতে NHIDCL কৰ্তৃপক্ষকো জগৰীয়া কৰি শীঘ্ৰে প্ৰাপ্য ধন প্ৰদান কৰিবলৈ মঙলবাৰে NHIDCL কৰ্তৃপক্ষক নিৰ্দিষ্ট সময়সীমা বান্ধি দিছে স্থানীয় ঠিকাদাৰ তথা ব্যৱসায়ীসকলে। অন্যথা NHIDCLৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে ঠিকাদাৰ তথা ব্যৱসায়ীসকলে।



# বান দুৰ্গতসকলক বড়ো সাহিত্য সভাৰ সহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ৩০ জুন ঃ** নেৰানেপেৰা বৰষুণৰ ফলত হোৱা বানপানীৰ প্ৰভাৱত পৰি ঘৰ-দ্বাৰ বিহীন হৈ আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা লোকসকলক ওদালগুৰি জিলা বড়ো সাহিত্য সভাই সহায্য প্ৰদান কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ উপদেষ্টা নীলকান্ত গয়াৰী, সভাপতি মাণিক বসুমতাৰী আৰু সম্পাদক পিতৰ গৌৰা খুংগুৰ দৈমাৰীৰ নেতৃত্বত এটি সজাতি দলে মাজবাটৰ সোৱাংজুলি আৰু বাথৌগুৰিত পাগলা নদী, চাঙবান্ধা আৰু পাঁচনৈ নদীৰ বিধ্বংসী বানত সৰ্বহাৰা হৈ আশ্ৰয় লৈ থকা লোকসকলৰ অৱস্থাৰ বুজ লয় আৰু দুৰ্গত লোকসকলৰ আশ্ৰয় শিবিৰৰ বাবে এঘাৰ হাজাৰকৈ টকাৰ সাহায্য প্ৰদান কৰে। দুৰ্গত লোকসকলে খোৱাপানী, ডাঙৰ তিৰ্পাল আৰু আশ্ৰয় শিবিৰত থাকিবলগীয়া হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পঢ়া শুনা কৰিবৰ বাবে পোহৰৰ ব্যৱস্থাৰ প্ৰয়োজন হোৱা বুলি সজাতি দলৰ আগত প্ৰকাশ কৰে। বড়ো সাহিত্য সভাৰ সঁজাতী দলে ২০ জুন তাৰিখে আলাইশ্ৰী গাঁৱত বজ্ৰপাতত নিহত হোৱা লোকসকলৰ ঘৰলৈ গৈ পৰিয়ালৰ লোকসকলক সান্ত্বনা প্ৰদান কৰে আৰু নিহত সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলিও জ্ঞাপন কৰে। বড়ো সাহিত্য সভাৰ সজাতি দলে ওদালগুৰিৰ কঠালগুৰি, নলবাৰী আৰু মাৰৱীয়াপাৰাৰ আশ্ৰয় শিবিৰো পৰিদৰ্শন কৰি প্ৰতিটো আশ্ৰয় শিবিৰক ১০ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰে। দুৰ্গত লাকসকলক সম্বোধন কৰি ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ উপদেষ্টা নীলকান্ত গয়াৰীয়ে তেওঁলোকৰ তাৎক্ষণিক অভাৱ-অভিযোগক লৈ জিলা উপায়ুক্তক লগ ধৰি সমাধানৰ উপায় উলিওৱা হ'ব বুলি আশ্বাস প্ৰদান কৰে। ওদালগুৰি জিলা সমিতি এবছুয়েও আশ্ৰয় শিবিৰবোৰ পৰিদৰ্শন কৰি দুৰ্গত লোকসকলক সাহায্য প্ৰদান কৰা বুলি প্ৰকাশ।



## সৰুচলাৰ যুৱক কেৰালাৰ পৰা ফ্লাইটেৰে গুৱাহাটীত অৱতৰণ কৰাৰ পিছত নিৰুদ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ জুন ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত সৰুচলা গাঁৱৰ ফটোত দেখুওৱা মূৰত টুপী আৰু গাত আকাশী নীলা ৰঙৰ ছাৰ্ট পৰিহিত আব্দুল কাদিৰৰ পুত্ৰ হাইবুৰ ৰহমান ( ২৮ ) নামৰ যুৱকজন যোৱা ২৮ জুন মঙলবাৰে নিশা প্ৰায় ১০.৩০মান গুৱাহাটী এয়াৰপ'ৰ্টৰ পৰা নিৰুদ্দেশ হোৱা বুলি পৰিয়ালৰ লোকে জনাইছে। ঘটনাৰ বিৱৰণী মতে নিৰুদ্দেশ হোৱা হাইবুৰ ৰহমান কৰ্মসূত্ৰে কেৰালালৈ গৈছিল আৰু যোৱা মঙলবাৰে তাৰ পৰা ফ্লাইটেৰে গুৱাহাটী বিমান বন্দৰত অৱতৰণ কৰে। মোবাইল ফোনো চুইছ অফ হৈ আছে, বিভিন্নজনৰ লগত যোগাযোগ কৰিও কোনো সুংসূত্ৰ নোপোৱাত পৰিয়ালৰ লোকে হতাশ হৈ আছে। যদি কোনো সদাসয় ব্যক্তিয়ে ফটোত দেখুওৱা ব্যক্তি জনৰ উমান পায়, তেন্তে ৭০০২৪৪৬১০৪ অথবা ৯১০১১০৬৩৬০ নম্বৰত কল কৰি জনাবলৈ অনুৰোধ কৰিছে পৰিয়ালৰ লোকে।

কেন্দ্ৰীয় চৰকাৰৰ চকু অসমৰ সম্পদৰ ওপৰত, অসমৰ সমস্যাৰ ওপৰত নহয় ঃ কল্যাণ গগৈ

# বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত বিক্ষোভ সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩০ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আজি ধেমাজি জিলাতো সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই অসমৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি স্থায়ী সমাধান কৰা, বানত ক্ষতিগ্ৰস্ত ৰাইজক পৰ্যাপ্ত সাহায্য, উচিত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপন দিয়া আদি দাবীত ধেমাজি নগৰত বিক্ষোভ কাৰ্যসূচীয়ে উত্তাল কৰে। ছাত্ৰ সন্থাৰ প্ৰায় দুই শতাধিক কৰ্মী উপস্থিত থকা উক্ত কাৰ্যসূচীত ধেমাজি জিলা ছাত্ৰ সন্থাৰ সভাপতি দীপক শৰ্মা আৰু সাধাৰণ সম্পাদক কল্যাণ গগৈয়ে বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে- প্ৰতি বছৰে সমগ্ৰ অসমৰ বিভিন্ন জিলাৰ লগতে ধেমাজি জিলাতো বান-খহনীয়া সমস্যাই ব্যাপক ক্ষয়-ক্ষতি সাধন কৰি আহিছে। কিন্তু কোনো এখন চৰকাৰে আজিলৈকে এই বান-খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ চেষ্টা কৰা পৰিলক্ষিত নহ'ল। এই বছৰো জিলাখনৰ জীয়াঢল, কুমটীয়া, গাইনদী, চিমেন, চিয়াং, লালী, ৰাইনৈ, ন-নদী, মিছামাৰী, নিলখ, ডিমৌ আদি নৈৰ বাঢ়নী পানীয়ে শতাধিক গাঁও প্লাৱিত কৰি ৰাখিছে। হাজাৰোধিক পৰিয়াল গৃহহাৰা হোৱাৰ লগতে সা-সম্পত্তি, পশুধন বাঢ়নী পানীয়ে উটুৱাই লৈ গৈছে । ঠায়ে ঠায়ে ভিতৰুৱা ৰাস্তা-ঘাট ভাঙি তচ্‌নচ্‌ কৰি দিছে। চিয়াং নৈৰ পানীয়ে পবা বনাঞ্চলক সংকুচিত কৰি আনি থকাৰ লগতে কবু চাপৰি, সন্তপুৰ, কেঁচাকাঠনি, লালুলিজান, চমকং আদি অঞ্চল নদীৰ বুকুত যাহ যোৱাৰ উপক্ৰম হৈছে । প্ৰতিবছৰে বাৰিষাত এইবোৰ সমস্যাই দেখা দিয়ে আজিলৈকে বিজ্ঞানসন্মত পদ্ধতিৰে এই সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা নছলালে, কেন্দ্ৰীয় চৰকাৰৰ চকু কেৱল অসমৰ সম্পদৰ ওপৰত, অসমৰ সমস্যাৰ ওপৰত কেন্দ্ৰৰ চকু নাই। নেতাদ্বয়ে দেশৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক উল্লেখ কৰি কয় কেৱল নিৰ্বাচনৰ সময়ত বৰ বৰ কথা ক'লেই, প্ৰতিশ্ৰুতি দিলেই নহ'ব, এই বিপদৰ সময়ত কেৱল মাত্ৰ টেলিফোন কৰি দায়িত্ব সামৰিলে নহ'ব, অসমৰ বান-খহনীয়া সমস্যাক শ্ৰীঘ্ৰে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি বিশেষ পুঁজি মোকলাই এই সমস্যাৰ স্থায়ী সমাধান কৰিবই লাগিব। প্ৰতিবাদী বিক্ষোভৰ জৰিয়তে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই অসম চৰকাৰকো বানপানীত ক্ষতিগ্ৰস্ত ৰাইজক পৰ্যাপ্ত সাহায্য প্ৰদান কৰাৰ লগতে ঘৰ-বাৰী হেৰুৱা ব্যক্তিসকলক উচিত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনায় । বিক্ষোভ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক মণ্টুৰাজ বৰুৱা, কাৰ্যনিৰ্বাহক সদস্য ৰাজীৱ গগৈ, ধেমাজি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ গগৈ, জোনাই মহকুমা ছাত্ৰ সন্থাৰ সভাপতি ৰঞ্জিত বসুমতাৰীকে ধৰি প্ৰায় দুই শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।




# বঙাইগাঁৱৰ গ্ৰীনভেলী একাডেমী নাম্বাৰপাৰাত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা শাখাত পাঠদানৰ আৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৩০ জুন ঃ** বঙাইগাঁও জিলাৰ মানাহ আৰু পোকালাগি নদীৰে আগুৰা ভিতৰুৱা অঞ্চল নাম্বাৰপাৰাত চলিত বৰ্ষৰ ৯ মে তাৰিখে গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতিৰে গ্ৰীণভেলী একাডেমী নাম্বাৰপাৰা স্থাপন কৰে। এমাহৰ ভিতৰত ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংকুৰৰ পৰা অষ্টম শ্ৰেণীলৈ নামভৰ্তি কৰিছে। ৰাইজৰ সঁহাৰি আৰু দাবীত যোৱা ২৭ জুন সোমবাৰে গ্ৰীনভেলী একাডেমী, নাম্বাৰপাৰাত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা শাখা) পাঠদানৰ শুভাৰম্ভ কৰে। ফিতা কাটি শ্ৰেণী কোঠাৰ শুভাৰম্ভণি কৰে গোলাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়নাল আব্দিন, অৱসৰপ্ৰাপ্ত অধ্যক্ষ আবু বক্কৰ ছিদ্দিক, উপস্থিত থাকে ক্ৰমে গ্ৰীণভেলী একাডেমীৰ সভাপতি খান সাজাহান আলী আহমেদ, সম্পাদক মজনু মিএগ্ৰা, একাডেমীৰ পিষ্ঠ পোষক ইয়াছিন আলী আহমেদৰ লগতে সচেতন ৰাইজ আৰু অভিভাৱক উপস্থিত থাকে। সামগ্ৰীক কাৰ্যসূচী পৰিচালনা কৰে অধ্যক্ষ ৰফিকুল ইছলাম।

## ৰামদিয়াত বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ উদ্যোগ

# মহৰ্ষি বিদ্যা মন্দিৰ বৰসজাই লালমাটিৰ সহযোগত বানসাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩০ জুন ঃ** সম্প্ৰীতি বানপীড়িত লোকৰ মাজত ভিন্ন দল-সংগঠন-ব্যক্তি নিৰ্বিশেষে বানাক্ৰান্ত লোকৰ মাজত এমুঠি খাদ্য বস্ত্ৰ আৰু যাৱতীয় সামগ্ৰী প্ৰদান কৰি মানৱতাৰ এক নিদৰ্শন দাঙি ধৰি আহিছে। কৃষিনগৰী ৰামদিয়াৰ প্ৰতিটো প্ৰান্ত বানে ধুই নিয়াত এক বিভীষিকাময় অৱস্থাৰ সৃষ্টি হৈছে। আজি উক্ত ৰামদিয়াৰ ভিন্ন অঞ্চলৰ বানাপিড়িত লোকৰ মাজত ৰামদিয়াৰ অগ্ৰণী কৃষক সংগঠন বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ উদ্যোগত আৰু মহৰ্ষি বিদ্যা মন্দিৰ (৪নং) বৰসজাই লালমাটিৰ সহযোগত বানসাহাৰ্য প্ৰদান কৰা দেখা যায়। বস্ত্ৰ, গাখীৰ চিৰা বিস্কুট, পানী মিঠাতেল, জীৱন দায়িনী ঔষধৰ লগতে কেইবাবিধ যাৱতীয় সামগ্ৰী প্ৰদান কৰা পৰিলক্ষিত হৈছে বানাক্ৰান্তৰ মাজত। বান সাহাৰ্য বিতৰণত বৰদৈচিলা ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ সঞ্চালক দিনমণি কলিতা, মুখ্য কাৰ্যবাহী বিষয়া অনিৰুদ্ধ ডেকা, মহৰ্ষি বিদ্যা মন্দিৰ বৰসজাই লালমাটিৰ শিক্ষকদ্বয় ভাস্কৰজ্যোতি ভট্টাচাৰ্য, কৌশিক কলিতা, প্ৰ।াদ ভৰালী, সুৰজিত দাস ধ্ৰুৱজ্যোতি দাস, ৰাহুল চক্ৰবৰ্তী, বিতোপন দাস, জয়ন্ত ভৰালীকে ধৰি প্ৰায় সংখ্যক বিশিষ্ট ব্যক্তি আৰু ৰাইজ উপস্থিত থাকে।

# ৰাজস্থানৰ হত্যাকাণ্ড আৰু লখিমপুৰত টুপী দলিওৱাৰ বিৰুদ্ধে ইত্তেহাদ ফ্ৰণ্টৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছিমাৰী, ৩০ জুন ঃ** আজি এক প্ৰেছ বিবৃতিযোগে ইত্তেহাদ ঞ্জফ্ৰন্ট অসম ৰাজ্যিক সমিতিৰ সভাপতি নুৰ ইছলামে কয় যে ধৰ্মৰ নামত একাংশ উগ্ৰ ধৰ্মান্ধ লোকে দেশৰ শান্তি সম্প্ৰীতি বিনষ্ট কৰি আহিছে। বিজেপি প্ৰাক্তন প্ৰৱক্তা নুপুৰ শৰ্মাই ৰাষ্ট্ৰীয় নিউজ চেনেলঞ্জত ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য কৰা ফলত উত্তৰ প্ৰদেশ, পশ্চিম বংগকে আদি কেবাটাও ৰাজ্যত প্ৰতিবাদ সময়ত হিংসাত্মক ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈছিল। সেই সময়তো ইত্তেহাদ ঞ্জফ্ৰন্ট অসম ৰাজ্যিক সমিতিয়ে অসমবাসী ৰাইজক বহিঃৰাজ্যত যি হৈছে হওক অসমত যাতে প্ৰতিবাদৰ নামত শান্তি সম্প্ৰীতি বিনষ্ট নহয় তাৰ প্ৰতি বিশেষ গুৰুত্ব দিবলৈ আহ্বান জনাইছিল। সভাপতি ইছলামে কয় যে ফ্ৰণ্টৰ আহ্বান প্ৰতিঞ্জ সহাৰি জনোৱাৰ বাবে ৰাজ্যবাসীক আন্তৰিক ধন্যবাদ জনাইছে। শেহতীয়াকৈ নূপুৰ শৰ্মাৰ সমৰ্থন কৰাৰ বাবে ৰাজস্থানত এজন লোকক নিৰ্মমভাৱে ডিঙি ৰেপি হত্যা কৰাৰ ঘটনাৰ ইত্তেহাদ ফ্ৰণ্ট অসমে গৰিহণা দিয়ে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি হত্যাকাৰী নৰপিশাচ দুজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ৰাজস্থান চৰকাৰ ওচৰত হত্যাকাৰী দুজনক ফাঁচী দিয়াৰ দাবী জনায়। ইছলাম ধৰ্মাৱলম্বী লোকৰ বাবে মূৰৰ টুপী অতি গুৰুত্বপূৰ্ণ। তেনে ক্ষেত্ৰত কালি লখিমপুৰত ইছলাম ধৰ্মৰ লোক এজনৰ মূৰৰ টুপী দলিয়াই দিয়া ঘটনাক ইত্তেহাদ ফ্ৰণ্টৰ সভাপতি নুৰ ইছলামে গৰিহণা দিয়াৰ লগতে অসমবাসী ৰাইজক বহিঃ ৰাজ্যত সংঘটিত হোৱা ঘটনাৰ আলম লৈ অসমৰ সাতামপুৰুষীয়া ঐক্য শান্তি বিনষ্ট নকৰিবলৈ ৰাইজক কাতৰ আহ্বান জনাইছে।

# চিলাপথাৰত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ৩০ জুন ঃ** প্ৰতি বছৰৰ দৰে এই বৰ্ষটো গৰম বন্ধৰ সময়চোৱাত চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অভিজ্ঞ শিক্ষকৰ দ্বাৰা চিলাপথাৰ ৰেচিডেন্সিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰীষ্মকালীন বিনামূলীয়া এক পাঠদান শিবিৰৰ আয়োজন কৰিছে। কেৱল দশম শ্ৰেণীৰ বাবে আয়োজন কৰা এই বিনামূলীয়া পাঠদান শিবিৰত ছাত্ৰ ছাত্ৰী সকললৈ সাধাৰণ গণিত , সাধাৰণ বিজ্ঞান , ইংৰাজী আৰু অসমীয়া বিষয়ৰ পাঠদান আগবঢ়োৱা হ'ব । অহা ৩ জুলাই পৰা আৰম্ভ হ'ব লগা এই বিনামূলীয়া পাঠদান শিবিৰত আগ্ৰহী ছাত্ৰ ছাত্ৰী সকলে পাঠ্যক্ৰম গ্ৰহণ কৰিবলৈ চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অথবা ৭০০২৩৩৯৩১৭ , ৮৬৩৮৩৫৪৫৭১ নম্বৰত যোগাযোগ কৰিব পাৰিব । এই বিনামূলীয়া পাঠদান শিবিৰত পাঠ্যপুথিৰ শিক্ষাৰ লগতে ব্যক্তিত্ব বিকাশ আৰু সমাজ-সংস্কৃতি বিভিন্ন ক্ষেত্ৰত চিলাপথাৰ অঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ সকলৰ উপস্থিতিত আলোচনা চক্ৰ ও অনুষ্ঠিত হ'ব বুলি এক প্ৰেছ বিজ্ঞপ্তি যোগে চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰমজিৎ গগৈ আৰু সাধাৰণ সম্পাদক পাপলু গগৈয়ে জানিবলৈ দিয়ে।

# পুঠিমাৰীৰ ভগ্ন মথাউৰি পৰিদৰ্শন আছুৰ সভাপতি দীপাংক কুমাৰ নাথৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩০ জুন ঃ** ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰঙিয়াৰ শিল্পী সমাজে ৰঙিয়াবাসীৰ সহযোগত লগতে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সহযোগত সংগ্ৰহ কৰা বান সাহায্য সোমবাৰে বগৰীবাৰীৰ ভগ্ন মথাউৰিৰ ২০০ ঘৰ পৰিয়ালৰ মাজত বিতৰণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ,উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস,সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস,সাধাৰণ সম্পাদক পংকজ কলিতা সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমান,ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ জিতু ডেকা,বুবুল আলী, জয়ন্ত শৰ্মা, মৃন্ময় কুমাৰ ডেকা আৰু শিল্পী সমাজৰ চন্দন দাস,প্ৰাঞ্জল পৰশ,ৰূপম শৰ্মা আদি উপস্থিত থাকে। বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক নাথে কেন্দ্ৰীয় চৰকাৰৰ নেতৃত্বই ভগ্ন মথাউৰি পৰিদৰ্শন কৰি বান আক্ৰান্ত ৰাইজৰ দুখ-দুৰ্গতিৰ কথা নিজ চকুৰে প্ৰত্যক্ষ কৰি বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰাৰ দাবী জনাই। প্ৰতি বছৰে একেটা ঠাইতে পুঠিমাৰী নৈৰ মথাউৰি ভাঙি অৰ্থনৈতিকভাৱে বৃহত্তৰ অঞ্চলটো ক্ষতিগ্ৰস্ত হোৱাট জলসম্পদ বিভাগ আৰু চৰকাৰক দোষাৰোপ কৰি, বিজ্ঞানসন্মতভাৱে মথাউৰি নিৰ্মাণ নকৰাৰ বাবে ক্ষোভ প্ৰকাশ কৰে। আনহাতে, পুঠিমাৰী নৈৰ মথাউৰি নিৰ্মাণক এক খীৰতী গাই হিচাপে পৰিণত কৰিছে বুলিও জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰসকলৰ ওপৰত গুৰুতৰ অভিযোগ আনে। বান পানীত সৰ্বস্বান্ত হোৱা পৰিয়ালসমূহৰ সম্পত্তি, ঘৰ-দুৱাৰ হেৰুওৱা লোকসকলক ক্ষতি পূৰণ দিয়াৰ নামত চৰকাৰে সাহায্য ঘোষণা কৰি দায়িত্ব সামৰাৰ পৰিৱৰ্তে প্ৰকৃতাৰ্থত ঘোষণা কাৰ্যকৰী কৰাৰ বাবেও দাবী জনায়।

# ধুবুৰী কৃষি বিভাগে বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে উন্নত প্ৰজাতিৰ বিনামূলীয়া কঠীয়াৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৯ জুন ঃ** ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত লাখ লাখ কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰহণ কৰিছে কমিউনীতি নাৰ্ছাৰী শীৰ্ষক এক অভিলাষী আঁচনি। আঁচনিখনৰ জৰিয়তে বানত ক্ষতিগ্ৰস্থ কৃষকলৈ উন্নত প্ৰজাতিৰ বিনামূলীয়া কঠীয়া আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। ধুবুৰী জিলা কৃষি বিভাগেও বানত ক্ষতিগ্ৰস্ত কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে বিনামূলীয়া কঠীয়া যোগানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইতিমধ্যে জিলাখনৰ বিলাসীপাৰা আৰু ধুবুৰী মহকুমাত বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে নিৰ্বাচিত ৯০ হেক্টৰ ভূমিত ৪৫০ কুইন্টল (বাহাদুৰ চাব-১ আৰু বিনাধান-১০) উন্নত প্ৰজাতিৰ বিনামূলীয়া কৈ দিবৰ বাবে কঠীয়া ৰোপণৰ ব্যৱস্থা কৰা হৈছে।প্ৰায় ৬৭৫০ বিঘা ভূমিত সেই কঠীয়া ৰোপণ কৰি জিলাখনৰ প্ৰায় ২৩০০ গৰাকীৰো অধিক বানত আক্ৰান্ত কৃষক লাভৱান্বিত হ'ব। ইতিমধ্যে ২৪ জুনৰ পৰা নিৰ্বাচিত কৃষি চক্ৰত বীজ ৰোপণৰ প্ৰক্ৰিয়া জিলা কৃষি বিভাগে আৰম্ভ কৰিছে। আঁচনিৰ জৰিয়তে বানত ক্ষতিগ্ৰস্ত কৃষকক কঠীয়া লাভ কৰিবলৈ কৰ্তৃপক্ষৰে যোগাযোগ কৰিবলৈ ধুবুৰী জিলা কৃষি বিষয়া মৃগেন স্বৰ্গীয়াৰীয়ে আহ্বান জনাইছে।

গোৱালপাৰাৰ ইতিহাস নাজানে গোৱালপাৰা জিলা প্ৰশাসনে

# কিহৰ ভিত্তিত চল্লিছবছৰীয়া প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰিবলৈ লৈছে?

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩০ জুন ঃ** গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ ৪০তম প্ৰতিষ্ঠা দিৱস অহা ১ আৰু ২ জুলাই তাৰিখে অনুষ্ঠিত কৰিব খোজা কাৰ্যক জিলাখনৰ সচেতন নাগৰিক সমাজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কিয়নো গোৱালপাৰা জিলাৰ এক গৌৰৱোজ্জ্বল ঐতিহ্যময় ইতিহাস আছে। কামৰূপ নৃপতি কুমাৰ ভাস্কৰ বৰ্মনৰ দিনতো গোৱালপাৰ আৰু কোচবিহাৰত ৰাজধানী পাতিছিল । কোচ ৰাজ্যৰ অধিনতো আছিল গোৱালপাৰা জিলা ১৭৭৫ খ্ৰীষ্টাব্দত ব্ৰিটিছসকল গোৱালপাৰালৈ আহে আৰু ১৮২৬ খ্ৰীষ্টাব্দত ইংৰাজৰ অধীনৰ অসমত গোৱালপাৰা জিলাক অন্তৰ্ভুক্ত কৰি উত্তৰ পূৰ্বাঞ্চলৰ পদূলিমুখ হিচাপে গঢ়ি তুলিছিল আৰু সেই সময়ত ব্ৰিটিছসকলে গোৱালপাৰা জিলাৰ হুলুকান্দা পাহাৰত বাহৰ পাতি তাতে সিহঁতে সাজি থোৱা গৃহৰ ধ্বংসস্তূপ আজিও পৰিত্যক্ত অৱস্থাত আছে। সেই ফালৰ পৰা চাবলৈ গ'লে গোৱালপাৰা জিলাৰ আজিৰ তাৰিখত বসয় প্ৰায় দুশ বছৰ হ'ব। ক্ৰমান্বয়ে ১৯৮৩ চনত গোৱালপাৰা জিলাক বিভক্ত কৰি ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰহে সৃষ্টি হৈছিল। অথচ গোৱালপাৰা জিলা পূৰ্বৰ দৰে একে নামতে থকাৰ পিছত কেনেকৈ ৪০বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰিবলৈ লৈছে সেয়া হৈছে আজিৰ দিনত গভীৰ চিন্তনীয় বিষয় বা প্ৰশ্নবোধক। এইক্ষেত্ৰত উপায়ুক্ত মীনাক্ষী দাস নাথে পুনৰবাৰ বিষয়বস্তুৰ ওপৰত গভীৰভাৱে চিন্তা চৰ্চা কৰিবলৈ জিলাখনৰ সচেতন মহলে দাবী জনোৱাৰ লগতে এইটোৱে গোৱালপাৰা জিলাৰ ইতিহাস বিকৃত কৰিব বুলি সাহিত্যিক প্ৰণয় ৰায় আৰু চি পি আই দলৰ নেতা পাৰভেজ আলী আৰু ননী দাসে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

SHORT E-TENDER NOTICE FOR SALE OF TIMBER LOTS OF 2021-22 & 2022-23 UNDER DHEMAJI DIVISION, DHEMAJI.

This is for general information to all concerned that 15 Nos. of timber lots which have been Seized/ Departmental Operated and kept in various Range Headquarter/Beat/Depot under Dhemaji Division are intended to be Sale by e-tender as per "Assam Sale of Forest Produces Coupes and Mahal Rule 1977 and Amended Rules 2000".

The details of E-Tender will be available on https://assamforcstonline.in portal from 30-06-2022 (12.00PM) to 29-07-2022 (5.00PM).

Divisional Forest Officer
Dhemaji Division
Dhemaji

Janasanyog/C/5622/22

## ৰাশিফলত আজিৰ দিনটো

**১৬ আহাৰ, শুকুৰবাৰ, ১ জুলাই, ১৪২৯ ভাস্কৰাব্দ, তিথি ঃ শুক্লা দ্বিতীয়া, নক্ষত্ৰ ঃ পুষ্যা, জন্ম ৰাশি ঃ কৰ্কট**

**সূৰ্যোদয়- ৪-৩৮-২৯ সূৰ্যাস্ত- ৬-১৫-১০**



■ **মেষ** ঃ নতুন বস্ত্ৰ লাভ ■ **বৃষ** ঃ চকুৰ ৰোগ ■ **মিথুন** ঃ সু-স্বাস্থ্য ■ **কৰ্কট** ঃ মাতৃৰ পীড়া ■ **সিংহ** ঃ ৰাইজৰ লগত ■ **কন্যা** ঃ আত্মবিশ্বাসী ■ **তুলা** ঃ পৰোপকাৰী ■ **বৃশ্চিক** ঃ সন্মান বৃদ্ধি ■ **ধনু** ঃ মনত আনন্দ ■ **মকৰ** ঃ বিদাৰ্থীৰ সুনাম ■ **কুম্ভ** ঃ প্ৰেমত আনন্দ ■ **মীন** ঃ শিল্পীৰ কষ্ট।

# কৃতী ছাত্ৰী প্ৰিয়াক্ষী ঘোষক দেশী জনগোষ্ঠীয় মঞ্চৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩০ জুন ঃ** সদ্য ঘোষিত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ ফলাফলত গোৱালপাৰা চহৰৰ শত বছৰ গৰকা গৌৰৱোজ্জ্বল পৃথ্বিৰাম চৰকাৰী আৰু বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাণিজ্য শাখাৰ মেধাৱী ছাত্ৰী প্ৰিয়াক্ষী ঘোষে মুঠ ৪৭৩ নম্বৰ পাই শীৰ্ষ দহটা স্থানৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিব জিলা খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। দেশী জনগোষ্ঠীয় মঞ্চ,অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সহিদুল ইচলামৰ নেতৃত্বত সঁজাতি দলে এখন দেশী গামোছা, শৰাই, জাপিৰে সম্বৰ্ধনা জনাই প্ৰিয়াক্ষী ঘোষৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ কামনাৰে আশীৰ্বাদ দিয়াৰ লগতে অলপ আৰ্থিক সহায় আগবঢ়ায়। সজাতি দলটোত কেন্দ্ৰীয় সহঃ সম্পাদক আছফ আলী, জিলা সম্পাদক মফিয়াল ৰহমান, গোৱালপাৰা টাউন কমিটিৰ সভাপতি আঃ মন্নাফ, সম্পাদক বদিউজ্জামানৰ লগতে পৃথ্বিৰাম চৰকাৰী আৰু বহুমুখী উঃ মাঃ বিদ্যালয়ৰ বাণিজ্য শাখাৰ জ্যেষ্ঠ বিষয় শিক্ষক পাৰ্থ প্ৰতীম দাস উপস্থিত থাকে।



প্ৰয়াত ইন্দ্ৰেশ্বৰ বুঢ়াগোহাঁই সোঁৱৰণী শৈক্ষিক ন্যাস সমিতিৰ উদ্যোগ

# ৰহণ উচ্চ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাঁতী, 30 জুন ঃ** চৰাইদেউ জিলাৰ সাপেখাতীৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান ৰহণ উচ্চ মাধ্যমিক বিদ্যালয়ত বুধবাৰে এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয় ।প্ৰয়াত ইন্দ্ৰেশ্বৰ বুঢ়াগোহাঁই সোঁৱৰণী শৈক্ষিক ন্যাস সমিতিৰ উদ্যোগত বিগত বৰ্ষৰ দৰে বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয় এই সম্বৰ্ধনা। উল্লেখযোগ্য যে , বিগত বৰ্ষত কিছু অসুবিধা বশত এই অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নাছিল , সেয়ে এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বিগত বৰ্ষত সৰ্বোচ্চ নম্বৰ লাভ কৰা মনজিৎ চেতিয়াৰ লগতে এই বৰ্ষৰ সৰ্বোচ্চ নম্বৰ লাভ কৰা বিদ্যালয়ৰ ছাত্ৰী ডেইজি বুঢ়াগোহাঁইক এখন সম্বৰ্ধনা পত্ৰ, লগতে নগদ মাননিৰে এই সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা অনুষ্ঠানত সাপেখাঁতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুৰ্গা শ্যাম, সাপেখাঁতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক অংচিং শ্যাম, সোণাৰি পি কে বি প্ৰাক্তন উপাধ্যক্ষ মণি গগৈ, যুৱ মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহ সদস্য পবি গগৈ, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পৱিত্ৰ বুঢ়াগোহাঁইৰ লগতে আজিৰ এই অনুষ্ঠানটোৰ দাতা পৰিয়ালৰ সদস্য তথা ভাৰত টেলিকমিউনিকেচনৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী বিষয়া মোহন বুঢ়াগোহাঁইৰ পৰিয়ালবৰ্গ, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১ জুলাই, ২০২২ ■ শুকুৰবাৰ ■ গুৱাহাটী ■ ১৬ আহাৰ, ১৯৪৪ শক


## বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে লৈ স্থায়ী সমাধানৰ দাবীত গোলাঘাট জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৩০ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোলাঘাটতো জিলা ছাত্ৰ সন্থাই ৰাজ্যৰ বান সমস্যাক লৈ এক বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। জিলাখনৰ আঞ্চলিক সমিতিৰ সহযোগত জিলা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত ৰূপায়ণ কৰা এই বিক্ষোভ কাৰ্যসূচীত প্ৰধানকৈ অসমৰ বন্যাৰ্তৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ প্ৰদান কৰা, বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ৰূপে স্বীকৃতি দি ইয়াৰ স্থায়ী সমাধান কৰা, খহনীয়াত বিধ্বস্ত হোৱাসকলক পৰ্যাপ্ত পৰিমাণে সাহায্য প্ৰদান কৰা আৰু পুনৰ সংস্থাপনৰ দাবী উত্থাপন কৰে।

## প্ৰাচ্যতত্ত্ববিদ, গৱেষক, পণ্ডিত ড° হৰিনাথ শৰ্মাদলৈৰ স্মৃতি দিৱস উপলক্ষে বিশেষ বক্তৃতানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** অসমৰএগৰাকী গৱেষক পণ্ডিত, প্ৰাচ্যতত্ত্ববিদ ড° হৰিনাথ শৰ্মাদলৈৰ স্মৃতি দিৱস। তদুপলক্ষে ধুবুৰী জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত এক বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখন শিল্পী মালবিকা ডিহিদাৰে পৰিবেশন কৰা বৰগীতেৰে আৰম্ভ কৰা হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা আৰু পণ্ডিত গৰাকীৰ চমু পৰিচিতি দাঙি ধৰে ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদে। আদৰণি ভাষণ প্ৰদান কৰে ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° অলকা শৰ্মাই। বক্তৃতা অনুষ্ঠানটোৰ শুভ উদ্বোধন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈয়ে। ভাষণ প্ৰসংগত গগৈয়ে পণ্ডিতগৰাকীৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দাঙি ধৰাৰ লগতে তেওঁৰ পাণ্ডিত্যৰ পৰিচয়ৰ ওপৰত ৰেখাপাত কৰে।' অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নত ড° হৰিনাথ শৰ্মা দলৈৰ অৱদান' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° জ্যোতিৰেখা হাজৰিকাই। ভাষণ প্ৰসংগত ড° হাজৰিকাই পণ্ডিতগৰাকীৰ জীৱন প্ৰজ্ঞা, সাধনাৰ বিতং বিশ্লেষণ দাঙি ধৰাৰ লগতে তেওঁৰ সাহিত্যৰ এক তুলনানূলক বিশ্লেষণ দাঙি ধৰে। গুগল মিটৰ জৰিয়তে অনুষ্ঠিত হোৱা সভাখনত পণ্ডিতগৰাকীৰ পাণ্ডিত্যৰ লগতে অনুষ্ঠানৰ অনুভৱ ব্যক্ত কৰে আৰু কামৰূপী লোকগীত পৰিৱেশন কৰে শিল্পী তথা কবি প্ৰণীতা হালৈয়ে । গোৱালপাৰা জিলা সাহিত্য সভাৰ সম্পাদক সাহিত্যিক জিতুমণি দাস, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা, দিশপুৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক অজিত প্ৰসাদ শৰ্মা, চন্দ্ৰা বৰ্মন, ধুবুৰীৰ বৰ্ষীয়ান সাহিত্যিক দেবেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে বিশিষ্টসকলে। অনুষ্ঠানত মাইবঙৰ পৰা নৃপেন ভূঞা, মাজুলীৰ পৰা শংকু সিদ্ধ নাথ, মিলনদেৱী ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ড.কৰুণা কান্ত দাস, বেবী বৰা, ড° অলকা শৰ্মা, ড° পলী বেজবৰুৱা, দেৱশ্ৰী ৰায়, ছাইফুল হাচান, প্ৰমুখ্যে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীবৃন্দই । গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰে শিল্পী কমল শৰ্মাই। ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি তৰণী কান্ত ৰায়ে সভাপতিৰ বক্তব্য আৰু মন্তব্য প্ৰদান কৰে। শলাগ জ্ঞাপন কৰে জিলা সম্পাদক আজাদ আলী আহমেদে। অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

### পুৰণিগুদামত হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ নিদৰ্শন

## মছজিদ নিৰ্মাণত হাতে-কামে লাগিল একাংশ হিন্দু পৰিয়ালেও

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ৩০ জুন ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চলচলি ৰামটিলা আটি গাঁৱত থকা ৰামটিলাআটি বৰমছজিদটো আটকধুনীয়াকৈ পুনৰ নিৰ্মাণৰ কাম চলাই আছে গাঁওখনৰ ৯০ টাকৈ মুছলিম সম্প্ৰদায়ৰ পৰিয়ালে। মুছলমান সম্প্ৰদায়ৰ ৰাইজে দান-বৰঙনি আগবঢ়াই মছজিদটো আটকধুনীয়াকৈ নিৰ্মাণৰ ক্ষেত্ৰত বহু হিন্দু পৰিয়ালেও আৰ্থিকভাবে সহযোগিতা আগবঢ়াইছে। কেৱল আৰ্থিক সাহায্যই নহয় গাঁওখনত বাস কৰি থকা বিশটাকৈ হিন্দু পৰিয়ালৰ পুৰুষসকলে এই মছজিদ নিৰ্মাণত নিজে হাতে কামে লাগি সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে। উল্লেখ্য যে সৰহ সংখ্যক মুছলিম সম্প্ৰদায়ৰ পৰিয়ালে বসবাস কৰা গাঁওখনত থকা হিন্দু পৰিয়ালকেইটাৰ সকলো বিপদত বা বিভিন্ন সময়ত মুছলিম সম্প্ৰদায়ৰ লোকসকলে সহায়ৰ হাত আগবঢ়াই আহিছে।ধৰ্ম বেলেগ হ'লেও মুছলিম লোকৰ উপসনাস্থলী বৰ মছজিদটো পূৰ্বতে থকা স্থানতে আৰ চি চি আৰ্হিত দুমহলীয়াকৈ নিৰ্মাণৰ ক্ষেত্ৰত হিন্দু পৰিয়ালকেইটাইও এনেদৰে সহযোগিতা আগবঢ়োৱা কাৰ্যক সচেতন মহলে প্ৰশংসাও কৰিছে।ধৰ্মীয় উপাসনাস্থলী আটকধুনীয়া হ'লে গাঞ্জঁওখনৰ পৰিবেশ উন্নত হ'ব আৰু সকলোৰে মন পবিত্ৰ হৈ থাকিব।এই



উদ্দেশ্য আগত ৰাখি ধৰ্মীয় ভেদাভেদ পাহৰি হিন্দু-মুছমান উভয় সম্প্ৰদায়ৰ লোকে মিলি মছজিদটো নিৰ্মাণ কাৰ্যত লগা বিষয়টোৱে পুৰণিগুদামৰ সম্প্ৰীতিৰ এনাজৰীডাল সবল হৈ থকাটো পুনৰ প্ৰমাণিত কৰিলে বুলি বহুজনে মন্তব্য কৰিছে।

## পিএম-কিষাণ পঞ্জীকৃত বেংক একাউণ্ট নিজ আধাৰ কাৰ্ডৰ সৈতে শীঘ্ৰে সংযোগ কৰিবৰ বাবে কোকৰাঝাৰ উপায়ুক্তৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকৰাঝাৰ, ৩০ জুন ঃ** কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাই এখন জাননীৰ যোগেদি জনাইছে যে কোকৰাঝাৰ জিলাৰ পিএম-কিষাণ আঁচনিৰ অধীনৰ যোগ্য হিতাধিকাৰীসকল এই আঁচনিৰ সুবিধা লাভ কৰাৰ বাবে পিএম-কিষাণ পঞ্জীকৃত বেঙ্ক একাউণ্ট নিজ আধাৰ কাৰ্ডৰ সৈতে সংযোগ কৰি eKYC ৰ সত্যতা নিৰূপণ কৰাটো অপৰিহাৰ্য। কোকৰাঝাৰ জিলাৰ প্ৰায় ৩৯০০ হিতাধিকাৰী এতিয়াও বেঙ্ক একাউণ্টৰ সৈতে আধাৰ কাৰ্ডৰ সংযোগ কৰা নাই। সেয়েহে যোগ্য হিতাধিকাৰীসকলক আধাৰ কাৰ্ড আৰু বেঙ্ক একাউণ্টৰ সবিশেষ স্থানীয় কৃষি সম্প্ৰসাৰণ সহায়ক অথবা কৃষি উন্নয়ন বিষয়া অথবা কোকৰাঝাৰ জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত অৱস্থিত থকা পিএম-কিষাণ কোষত সাত দিনৰ ভিতৰত জমা দিবলৈ উপায়ুক্ত ডেকাই অনুৰোধ জনাই অন্যথা তেওঁলোকৰ নাম পিএম-কিষাণ আঁচনিৰ পৰা স্থায়ীভাৱে কৰ্তন কৰা হ'ব বুলি কয়। লগতে যিসকল হিতাধিকাৰীয়ে ইতিমধ্যে বেঙ্ক একাউণ্ট আধাৰ কাৰ্ডৰ সৈতে সংযোগ কৰিছে, তেওঁলোককো ৩১ জুলাইৰ ভিতৰত ওচৰৰ সামূহিক সেৱা কেন্দ্ৰত eKYC কৰিবলৈ আহ্বান জনায়।

## লামডিঙত জনসেৱা সংস্থানৰ উদ্যোগত ড্ৰাগ্‌ছৰ বিৰুদ্ধে সজাগতা সভাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিঙ, ৩০ জুন ঃ** হোজাই জিলাৰ অন্তৰ্গত ৰেল শহৰ লামডিঙত জনসেৱা সংস্থান আৰু লামডিং আৰক্ষীৰ সহযোগিতাৰ ড্ৰাগ্‌ছৰ বিৰুদ্ধে সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। যুৱপ্ৰজন্মক ভবিষ্যত ড্ৰাগ্‌ছে ধ্বংস কৰি পেলাইছে ঠিক তেনেক্ষেত্ৰত লামডিঙত জনসেৱা সংস্থান এক বেতিক্ৰম পদক্ষেপ হাতত লোৱা পৰিলক্ষিত হৈছে। লামডিঙৰ বিভিন্ন ঠাইত ষ্টিক ড্ৰামা কৰি ৰাইজক সজাগ আৰু সচেতন কৰাৰ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে। সম্পূৰ্ণ কাৰ্যসূচীত সহযোগিতা কৰে




লামডিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দনজ্যোতি বৰা লগতে উপস্থিত থাকে লামডিং আঞ্চলিক ভাৰতীয় জনতা পাৰ্টীৰ যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক সাগৰ আচাৰ্য। জনসেৱা সংস্থানৰ সকলো কৰ্মকৰ্তা সম্পূৰ্ণ নাটক প্ৰদৰ্শন কৰাৰ লগতে নৱপ্ৰজন্মক ড্ৰাগ্‌ছ পৰা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। জনসেৱা সংস্থানৰ এনেধৰণৰ পদক্ষেপক লামডিঙৰ ৰাইজে প্ৰশংসা কৰিছে।

## মাজুলী মহাবিদ্যালয়লৈ প্ৰাক্তন ছাত্ৰ কিশোৰ গামৰ গ্ৰন্থ দান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩০ জুন ঃ** যোৱা পাঁচ বছৰৰো অধিক কাল মাজুলীৰ উচ্চ শিক্ষাৰ বাটকটীয়া অনুষ্ঠান মাজুলী মহাবিদ্যালয়ে গ্ৰহণ কৰি অহা 'গ্ৰন্থদান মহান দান' শীৰ্ষক মহৎ পদক্ষেপত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কিশোৰ গাম আৰু তেওঁৰ পৰিয়ালে মহাবিদ্যালয়লৈ নগদ একৈশ হাজাৰ টকা মূল্যৰ গ্ৰন্থ আগবঢ়াইছে। গ্ৰন্থ দান কাৰ্যসূচী উপলক্ষে আজি অধ্যক্ষৰ কক্ষত দিনৰ ৩ বজাৰ পৰা আয়োজিত এখন সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত দাতা কিশোৰ গামে উক্ত ধনৰাশি প্ৰদান কৰে। সভাত বক্তব্য দাঙি ধৰি অধ্যক্ষ ড° শইকীয়াই মহাবিদ্যালয়খনৰ প্ৰতি প্ৰাক্তন ছাত্ৰজনে প্ৰদৰ্শন কৰা মহানুভৱতাক বিশেষভাৱে শলাগ লয়। অধ্যক্ষগৰাকীয়ে কয়, পৃথিৱীৰ সমস্ত দানৰ ভিতৰত জ্ঞানদানকেই শ্ৰেষ্ঠ দান হিচাপে বিবেচনা কৰা হয়,




আৰু সেই জ্ঞান স্তুপীকৃত হৈ থকা গ্ৰন্থ দান কৰাটোও একপ্ৰকাৰৰ মহতীকৰ্ম্ই। সভাত বক্তব্য আগবঢ়াই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াই মহাবিদ্যালয়ৰ পৰিয়ালে ৰূপায়ণ কৰি অহা এইগ্ৰন্থদান কাৰ্যসূচী বৰ্তমান এক উৎসৱত পৰিণত হোৱা বুলি উল্লেখ কৰে। দাতা ৰঘুনাথ দাসে ষাঠিৰ দশকতেই মাজুলীত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানখনিৰ দৰে এক পবিত্ৰ অনুষ্ঠানত শিক্ষা গ্ৰহণ কৰিবলৈ পোৱাটো তেওঁৰ সৌভাগ্য বুলি উল্লেখ কৰি নিজৰ উপাৰ্জনৰ টকাৰে কেইখনমান গ্ৰন্থ দান কৰিবলৈ পাই অত্যন্ত সন্তোষ পোৱা বুলি প্ৰকাশ কৰে। সভাত মহাবিদ্যালয়ৰ নৱ নিযুক্ত প্ৰশাসনিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, অনিল চন্দ্ৰ হাজৰিকা, মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ডঃ দেৱভূষণ বৰা, অধ্যাপক নৱ দাস, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস,কৰ্মচাৰী গোটৰ সম্পাদক পদ্মধৰ বৰুৱা, উত্তৰ পূব আঞ্চলিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ছাত্ৰ তথা কিশোৰ গামৰ পুত্ৰ মনজ্যোতি গাম প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি প্ৰাক্তন ছাত্ৰজনৰ বদান্যতাক বিশেষভাৱে প্ৰশংসা কৰে।

## বঢ়মপুৰৰ কীৰ্তি ছাত্ৰ চন্দন বৰাক ঘৰতে গৈ অভিনন্দন জনালে আৰক্ষী বিষয়া অনুপ কটকীয়ে

*অনাগত দিনত সহায়ৰ আশ্বাস*

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩০ জুন ঃ** জনসাধাৰণৰ নিৰাপত্তাৰ দায়িত্ব আৰু কৰ্তব্যৰ খাতিৰত অহৰ্নিশে ব্যস্ত থকাৰ মাজতে এগৰাকী কীৰ্তি ছাত্ৰক ঘৰতে গৈ ফুলাম গামোচা আৰু শৰাইৰে অভিনন্দন জনালে এগৰাকী আৰক্ষী বিষয়াই। নগাঁও জিলাৰ বঢ়মপুৰৰ মাজ পোটনি গাঁও নিবাসী তথা সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য শাখাত নৱম স্থানপ্ৰাপ্ত চন্দন বৰা নামৰ ছাত্ৰগৰাকীক অভিনন্দন জনোৱা এইগৰাকী আৰক্ষী বিষয়া হ'ল ইটাচালি



টাউন আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অনুপ কটকী। বিভিন্ন প্ৰান্তৰ লোকে অভিনন্দন জনোৱাৰ মাজতে মংগলবাৰে সন্ধিয়া ছাত্ৰগৰাকীৰ গৃহলৈ গৈ এইগৰাকী আৰক্ষী বিষয়াইও অভিনন্দন জনোৱাত আনন্দিত হৈ পৰিছে ছাত্ৰগৰাকীৰ লগতে পৰিয়ালবৰ্গও। উল্লেখ্য যে দৰিদ্ৰ পৰিয়ালৰ এইগৰাকী ছাত্ৰৰ পিতৃ হৰেন বৰা বৰ্তমান বহিঃৰাজ্যৰ এটা কোম্পানীত চিকিউৰিটি গাৰ্ড হিচাপে কৰ্মৰত। আগন্তুক দিনত মেধাবী ছাত্ৰগৰাকীয়ে বিচাৰিলে যি কোনো সহায় কৰিবলৈ প্ৰস্তুত বুলি আৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। আৰক্ষী বিষয়াগৰাকীৰ এনে কাৰ্যক সকলোৱে প্ৰশংসা কৰিছে।

## ধুবুৰী অসামৰিক চিকিৎসালয়ত চাৰিগৰাকী দালাল আটক ধুবুৰী আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩০ জুন ঃ** ৰাজ্যত এতিয়াও অব্যহত আছে দালালৰ দপদপনী। মাটিৰ দালালৰ পিছত এইবাৰ ধুবুৰী অসামৰিক চিকিৎসালয়ত দালালী কৰা চাৰি দালাল আটক কৰিবলৈ সক্ষম হল ধুবুৰী আৰক্ষীয়ে।বহুদিন ধৰি চিকিৎসালয়খনত দালালৰ দপদপনীত সাধাৰণ জনতাই




অতিষ্ঠ হৈ পৰিছিল। এই সংক্ৰান্তত বহুবাৰ বাতৰি ও সম্ৰাচিত হৈছিল অৱশেষত আজি ধুবুৰী কলেজ নগৰ আৰক্ষী চকীৰ আৰক্ষীয়ে চাৰি গৰাকী দালাল আটক কৰিবলৈ সক্ষম হয়। দালাল সকল ক্ৰমে-সম্ভু মহতো,(৩৯) আমিনুৰ ৰহমান,(৩১) আৰজু সৰকাৰ(৩২), ফিৰোজ সেখ (২৪) বৰ্তমানে আটকাধীন চাৰি দালালক থানাত জেৰা অব্যহত ৰাখিছে বুলি জানিবপৰা গৈছে।

## লাহৰীঘাটৰ বগা চাউলৰ ক'লা ব্যৱসায়ীৰ ঘাটি উৎখাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ জুন ঃ** ৰাজ্যত বগা চাউলৰ ক'লা ব্যৱসায় অব্যাহত। আজি মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যৌথ অভিযানত প্ৰায় ৫০ কুইণ্টল চাউল জব্দ কৰে।উল্লেখ যে লাহৰীঘাট থানাৰ অন্তৰ্গত বৰখাৱল গাঁৱৰ হাবিবুৰ ৰহমান বাসগৃহত অভিযান চলাই ৯৬ বেগ সমৱায়ৰ চাউল উদ্ধাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ দলে এজনক আটক কৰি থানাত সোধ-পোছ অব্যাহত ৰাখিছে। কৰ পৰা ইমান বেগ চাউল হবিবুৰৰ বাসগৃহত আহিল সেয়া ৰহস্যৰ আবৰ্তত। বৰ্তমান সময়ত লাহৰীঘাট আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে বগা চাউলৰ ক'লা ব্যৱসায়ীৰ লগত জড়িত এজনক আটক কৰিছে যদিও মূল অভিযুক্ত হাবিবুৰ ৰহমানক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

## একক প্ৰচেষ্টাৰে বান সাহায্য বিতৰণ স্থানীয় ব্যৱসায়ীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৩০ জুন ঃ** ৰহাৰ জৰাবাৰী মৌজাৰ কপিলীৰ দক্ষিণ পাৰে থকা আমতলা, পূব- দৰঙী, দৰঙী গাঁৱৰ ৩৫০ ঘৰ কপিলীৰ বানত ঘৰ এৰি মথাউৰিত থকা পৰিয়ালক খাদ্য-সামগ্ৰীৰ টোপোলা বিতৰণ কৰে স্থানীয় ব্যৱসায়ী তথা আমতলাত থকা বিনুজ ইণ্ডেন গেছ এজেঞ্চীৰ



স্বত্বাধিকাৰী মাধৱ দেৱ নাথে। বানত পথৰ ওপৰত আশ্ৰয় লৈ থকা লোকসকলক নিজাকৈ উদ্যোগ লৈ আলু, পিঁয়াজ, ডাইল, মিঠাতেল, চাউল, নিমখ আদিৰ টোপোলা বিতৰণ কৰে। উল্লেখ্য যে ক'ভিডৰ লকডাউনৰ সময়তো ব্যৱসায়ী জনে ৰাইজৰ মাজত সাহায্য বিতৰণ কৰিছিল।

## আজিৰ পৰা ৰৌতা চাৰিআলিতো শ্ৰীশ্ৰীশনি মন্দিৰৰ উদ্যোগত জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ৩০ জুন ঃ** বিটিআৰৰ ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলি চহৰৰ মাজমজিযাত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শনি মন্দিৰৰ প্ৰাংগণত ধৰ্মীয় পৰম্পৰাগত ভাৱে অইন বছৰৰ দৰে এই চলিত বৰ্ষতো কাইলৈ ১ জুলাইৰ পৰা অহা ৯ জুলাইলৈকে ভগৱান মহাপ্ৰভুৰ ৰথ যাত্ৰা বিৰাট ধূম নামেৰে আয়োজন কৰা হৈছে। গতিকে ৰৌতা চাৰিআলিৰ জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা এইবাৰ পৰিচালনা কৰিব শ্ৰীশ্ৰী শনি মন্দিৰ পৰিচালনা সমিতিয়ে। সভাপতি মঙ্গল সিং বৰ্মন, সম্পাদক প্ৰত্যুষ চক্ৰৱৰ্তী, কাৰ্যালয় সম্পাদক দুলাল মোদক, সহকাৰী সম্পাদক জীৱন দাস, প্ৰচাৰ সম্পাদক বলোৰাম পাঠক আৰু কোষাধ্যক্ষ বৈদ্যনাথ পাল প্ৰমুখ্যে কেইবাগৰাকী বিষয়ববীয়া সমিতিখনত আছে। সেয়েহে বৰ্ণাঢ্য কাৰ্যসূচীৰে ৯ দিনীয়াকৈ কাইলৈৰ পৰা আয়োজন কৰা এই ৰথ যাত্ৰা অনুষ্ঠানত বৃহত্তৰ ৰৌতা চাৰিআলি অঞ্চলটোৰ সকলো জনগোষ্ঠীৰেই ভক্ত প্ৰাণ ৰাইজক সহায়-সহযোগ কৰিবলৈ শ্ৰীশ্ৰী শনি মন্দিৰ পৰিচালনা সমিতি অৰ্থাৎ উদ্যোক্তাসকলে বিনম্ৰভাৱে আহ্বান জনাইছে।

**SALE NOTICE**

It is for general information to all concerned that an E-Tender is hereby invited through Assam Forest Department Online Portal - www.assamforestonline.in for sale of timber lots. The tenderer has to tender through online w.e.f 07/07/2022 to 27/07/2022 up to 3.00 P, M (IST) through the above said portal. The details of the timber lots along with Terms and Conditions are also available in the said portal.

Divisional Forest Officer
Kamrup East Division, Basistha
Guwahati - 29

Janasanyog/C/5656/22

## নগৰবেৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাৰ অৱসৰ গ্ৰহণ ঃ আনুষ্ঠানিক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩০ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই আজি চৰকাৰী নিয়ম অনুসৰি কৰ্মজীৱনৰ অৱসৰ গ্ৰহণ কৰে। চাকৰি কালৰ আজি অন্তিম দিনা অধ্যক্ষ গৰাকীক আনুষ্ঠানিকভাবে বিদায় সম্বৰ্ধণা জনোৱা হয়। উল্লেখ্য যে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই ১৯৮৮ চনৰ ১ আগষ্টত সুদুৰ উড়িশাৰ পৰা আহি সেই সময়ত অতি ভিতৰুৱা অঞ্চল নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় অধ্যাপক হিচাপে চাকৰিত যোগদান কৰি ২০১২ চনৰ ২৯ জানুৱাৰীলৈ অধ্যাপনা কৰি পৰৱৰ্তী কালত ২০১২ চনৰ ৩০ জানুৱাৰীত অধ্যক্ষৰ পদ অলংকৃত কৰে।



বিগত ৩৪ বছৰ শৈক্ষিক ক্ষেত্ৰত নিষ্ঠা আৰু সততাৰে সেৱা আগবঢাই সফলতাৰে আজি তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিবলৈ সক্ষম হয়। অধ্যক্ষ গৰাকীৰ চাকৰি কালৰ অন্তিম দিনা তেওক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনাবলৈ আজি মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি আৰু কৰ্মচাৰী গোটে এক বিদায় সম্বৰ্ধনা সভাৰ আয়োজন কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়াৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে সহযোগী অধ্যাপকতথা পৰিচালনা সমিতিৰ সদস্য ড° আব্দুছ ছালামে। সভাত বিদায়ী অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাক মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, কৰ্মচাৰী গোট, ছাত্ৰ একতা সভা, একাংশ শিক্ষক, ছাত্ৰ-ছাত্ৰী আদিয়ে ফুলাম গামোচা, পোছাক, কিতাপৰ টোপোল, কলম আৰু মানপত্ৰ আদিৰে বিপুল সম্বৰ্ধনা জনায়। সভাত নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ সভাপতি উদয় শংকৰ মেধি, কাৰ্যকৰী সভাপতি মদন পাঠক, অৱসৰপ্ৰাপ্ত শিক্ষক ৰবিলোচন ঠাকুৰীয়া, পবিত্ৰ কুমাৰ মেধি, সহযোগী অধ্যাপক টিকেন্দ্ৰ চন্দ্ৰ পাটোৱাৰী, কৰ্মচাৰী গোটৰ সভাপতি সত্যজিৎ কলিতা, গ্ৰন্থাগাৰিক ড° ৰুবি বৈশ্য, শিক্ষাবিদ ড° কমল পাঠক, মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সদস্যা দীপামণি দাস, শ্যামাচৰণ ঠাকুৰীয়া ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদিকা ৰাজুফা আহমেদ আদিয়ে ভাষণত বিদায়ী অধ্যক্ষগৰাকীৰ কৰ্মজীৱনৰ ভূয়সী প্ৰশংসা কৰি কয় তেওঁ এগৰাকী কৃতী শিক্ষকৰ লগতে সফল অধ্যক্ষ আছিল। অধ্যায়ন পিপাষু, পাণ্ডিত্য, ব্যক্তিত্ব আদি বিভিন্ন গুন থকা ড° পাণ্ডাই মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত অহৰহ চেষ্টা কৰি আহিছে বুলি কেবাজন বক্তাই ভাষণত কয়। সভাত বিদায়ী অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই ভাষণ প্ৰদান দিয়ে। তদুপৰি সভাত অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ দাস, মৌজা কমিটিৰ সম্পাদক ভৱেশ তালুকদাৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাৰ সহধৰ্মিনী আৰতী পাণ্ডা, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি, মহাবিদ্যালয়খনৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

**PREMIER CRYOGENICS LTD.**
Regd. Off: 136, M D Road, Chandmari, Guwahati - 781003
Ph.0361-2660192 Fax03612661787 E-mail: info@premiercryogenics.com
Website: www.premiercryogenics.com CIN:L24111AS1994PLC004051

**NOTICE**

NOTICE is hereby given that pursuant to Sec. 124(6) of the Companies Act, 2013 (hereinafter called 'the Act') and the Investor Education and Protection Fund Authority (Accounting, Audit, Transfer and Refund) Rules, 2016 as amended (hereinafter called 'the Rules'), all shares in respect of which dividend has not been paid or claimed for seven consecutive years or more shall be transferred by the Company in the name of Investor Education and Protection Fund (IEPF) Authority.

The Company has been transferring the unpaid/unclaimed dividends from time to time as per the provisions of the Act to the IEPF Authority and the last such transfer was made on 28.10.2021 in respect of the dividend paid for the financial year 2013-14.

In accordance with the provisions of the Rules, individual notices have been sent to the respective shareholders at their latest available address in the Company records, providing inter alia details of the shares liable to be transferred to IEPF Authority and requesting them to claim the unpaid/unclaimed dividend on or before 10.10.2022 failing which, their shares shall be transferred to the IEPF Authority. The names of such shareholders and their folio number or DP ID - Client ID and number of shares are also available on the Company's website: www.premiercryogenics.com

As per the said Rules, the Company will take necessary steps to transfer the shares to IEPF Authority in accordance with the prescribed procedure ie., in case of shares held in physical form, by issue of duplicate share certificates and thereafter transferring the same to IEPF Authority; and in case of shares held in Demat form by informing the depository where the shareholders have their accounts for transfer of the shares in favour of the IEPF Authority.

In case the concerned shareholders wish to claim the shares after transfer to IEPF Authority as well as the unclaimed dividend and corporate benefits accruing on such shares, a separate application can be made to the IEPF Authority, in Form IEPF-5, as prescribed under the Rules, which is available at IEPF website: www.iepf.gov.in

For further information/query, the concerned shareholders may contact the Company or the Company's Registrar & Share Transfer Agent, Niche Technologies Pvt. Ltd., 3A, Auckland Place, 7th Floor, Room No. 7A & 7B, Kolkata - 700 017; Phone: 033-2280-6616/17/18, Fax: 033 2280-6619; E-mail: nichetechpl@nichetechpl.com

Place: Guwahati
Date : 30/06/2022

**For PREMIER CRYOGENICS LTD.**
A. Talukdar, Company Secretary

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১ জুলাই ■ ২০২২ ■ ১৬ আহাৰ ■ গুৱাহাটী

# ৰাজ্যজুৰি পুনৰ বৰষুণৰ প্ৰকোপ ঃ বানপৰিস্থিতিৰ অৱনতি

ইতিমধ্যে প্ৰলয়ংকৰী বানে অসমৰ ৩২খন জিলাত বিভীষিকা চলাই উজনি-নামনি প্ৰায় অঞ্চলৰ মানুহক বিধ্বস্ত কৰাৰ পিছত কিছু বৰষুণৰ শাম কটাৰ পিছত লাহে লাহে পৰিস্থিতি ভাললৈ অহাৰ সুখবৰে সকলোকে আশ্বস্ত কৰিছিল যদিও ৰাজ্যত পুনৰ বৃদ্ধি পাইছে বানৰ প্ৰকোপ। প্ৰৱল বৃষ্টিপাতৰ ফলত সৃষ্টি হোৱা অভাৱনীয় বানপানীৰ বিভীষিকা অব্যাহত থকাৰ সময়তে ৰাজ্যত পুনৰ বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰিছে কেন্দ্ৰীয় বতৰ বিজ্ঞান কেন্দ্ৰই। সতকৰ্তা জাৰি কৰি বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত হ'ব পৰা নেৰা-নেপেৰা বৰষুণৰ কথাই ৰাজ্যবাসীক চিন্তিত কৰিছে। বতৰ বিজ্ঞানীৰ তথ্য মতে পূব-উত্তৰ প্ৰদেশৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ এক সাগৰীয় চাপ বৈ অহাৰ বাবেই বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰিছে। আনকি ধুমুহা-বজ্ৰপাতৰ সম্ভাৱনাৰ কথাও কৈছে। এই সময়ছোৱাত খহনীয়াপ্ৰৱণ অঞ্চল, নদীৰ কাষ আৰু পানী জমা হোৱা ঠাইলৈ নাযাবলৈ সতৰ্ক কৰি দিয়া হৈছে। অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষৰ তথ্য মতে সম্প্ৰতি ৰাজ্যৰ ২৮খন জিলাৰ ৭২টা ৰাজহ চক্ৰৰ ২,৩৮৯খন গাঁও বানৰ কৱলত আছে আৰু প্ৰায় ২৫ লক্ষ বানাক্ৰান্ত লোক আছে। আশ্ৰয় শিবিৰত ১.৭৬ লাখ আছে আৰু শিশুকে ধৰি কেইবাজনো লোকৰ মৃত্যু হৈছে। ইতিমধ্যে নামনি অসমত বানে ধ্বংসলীলা চলোৱাৰ বিষয়টো চালি-জাৰি চাই এটা উচিত সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজক আশ্বাস দিছে। ভূটানৰ নদীবান্ধৰ বাবে প্ৰতি বছৰে বানে বিপৰ্যয়ৰ সৃষ্টি কৰি অহাৰ বিষয়টো পুনৰ চৰ্চিত হৈছে। সাম্প্ৰতিক বানে কৃষি নিৰ্ভৰ কৃষকক এক প্ৰকাৰ ধ্বংসস্তূপত পৰিণত কৰিছে। গাঁৱৰ বহুতো মানুহৰ বাসগৃহ নদীৰ বলিয়া বানে ভাঙি পেলোৱাই নহয়, বহুতো ঘৰৰ মজিয়াত একোটাকৈ প্ৰকাণ্ড পুখুৰীৰো সৃষ্টি কৰিছে। নৈৰ দাঁতিকাষৰ বহু গাঁৱৰ বহু হেক্টৰ খেতিৰ মাটি ইতিমধ্যে ডাঠ বালিৰ তৰপে পুতি পেলোৱাত কৃষি কাৰ্যৰ বাবে অনুপযোগী হৈ পৰিছে। বিশেষকৈ ভৱানীপুৰৰ মাজেৰে বৈ অহা পহু মৰা নদীটো কাষৰীয়া ভূটানেৰে সংযোজিত কাৰণেই ভূটানত বৰষুণ হ'লেই পানী তালৈ গুচি আহি বানৰ সৃষ্টি কৰি ধ্বংসলীলা চলোৱা বুলি গুৰুত্বপূৰ্ণ বিবেচনা হৈছে। ইতিমধ্যে ভগ্ন মথাউৰিটো পুনৰ শক্তিশালীকৈ নিৰ্মাণৰ লগতে মথাউৰিৰ ওপৰত পথ নিৰ্মাণৰ কথা মুখ্যমন্ত্ৰীয়ে সদৰী কৰে আৰু বানৰ পাছতেই এই কাম কৰা হ'ব বুলিও তেওঁ সাংবাদিকক জানিবলৈ দিয়ে। বানৰ বহু লোকেই গৃহহাৰা হৈ ক্ষতিগ্ৰস্ত হৈ পৰিছে। নামনিৰ বহু অঞ্চলৰ গড়কাপ্তানী পথত পানী বাগৰি যোৱাৰ লগতে নৈ খহনীয়াই বিধ্বস্ত কৰিছে। যোৱাটো বানত অধিক ভাবুকিৰ সৃষ্টি কৰা অঞ্চলবোৰ পুনৰ পানী বাঢ়িবলৈ ধৰাত কাষৰীয়া লোকসকল অধিক শংকিত হৈ পৰিছে। ইতিমধ্যে বৰপেটা জিলাৰ বহু গাঁৱৰ মানুহ দ্বিতীয়টো বানৰ কৱলত পৰিছে। বান সহস্ৰাধিক মীনপালককে ধৰি অসংখ্য গুৰুত্বপূৰ্ণ পথ, দলং, কৃষিবান্ধ, খোৱাপানী যোগান আঁচনি, শিক্ষানুষ্ঠান, বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ আদিৰ ক্ষতি হৈছে। বহুতে আশ্ৰয় শিবিৰৰ উপৰি ওখ ঠাইত তম্বু তৰি কোনোমতে আশ্ৰয় লৈ আছে। বহু গাঁও জলমগ্ন হৈ থকাত ৰাইজে জীয়াতু ভুগিব লগা হৈছে। উজনি, নামনি, উত্তৰ অসম, বৰাকতো বানৰ কালৰূপ অব্যাহত আছে। বৰষুণৰ প্ৰকোপ বৃদ্ধি পোৱাত বানৰ বাবে পৰিস্থিতি অধিক অৱনতি ঘটাৰ শংকা কৰা হৈছে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### বৰ্তমান সময়ত শিক্ষকৰ মান

শিক্ষক বা গুৰু হ'ল জীৱন বাটৰ পথ প্ৰদৰ্শক। শিক্ষকেই হ'ল এনে এজন ব্যক্তি যি একো নজনা শিশু এটিক বহু কথাই শিকাই এজন পৰিপক্ক ব্যক্তি হিচাপে গঢ় দি তোলে। সেই কাৰণে শিক্ষকক গুৰু বুলিও অভিহিত কৰা হয়। গুৰু অৰ্থাৎ গু মানে আন্ধাৰ আৰু ৰু হ'ল পোহৰ। অৰ্থাৎ আন্ধাৰৰ পৰা পোহৰলৈ যিজনে গতি কৰায় তেৱেঁই হ'ল গুৰু। প্ৰাচীন কালত গুৰুৰ আসন সৰ্বশ্ৰেষ্ঠ আছিল। গুৰুৰ গৃহতে থাকি শিষ্যই জ্ঞান আহৰণ কৰিছিল। তাত ৰজা, প্ৰজা সকলোৰে ল'ৰা-ছোৱালীয়ে একেলগে জ্ঞান লৈছিল। তাত ৰজাৰ ল'ৰাও গুৰুৰ বাবে আনসকল শিষ্যৰ দৰে গুৰুগৃহত কাম কৰি শিক্ষা গ্ৰহণ কৰিব লাগিছিল। ৰজা-প্ৰজা সকলোৰে গুৰুকেই নিজৰ ল'ৰা-ছোৱালীক সমৰ্পণ কৰি দিছিল। সেই মতে গুৰুৱেও শিক্ষা দিয়াত ত্ৰুটি কৰা নাছিল। গুৰুৰ মতে সকলো ছাত্ৰই সমান। গুৰুক সকলোতে আগস্থান দিয়া হৈছিল। কিন্তু বৰ্তমান সময়ত দেখা যায় যে শিক্ষকৰ মান যেন নিম্নগামী হ'বলৈ ধৰিছে। প্ৰায়ভাগ অভিভাৱকে যেন শিক্ষকসকলক নিজৰ হাতৰ পুতলাৰ দৰে নচুৱাব বিচাৰে। সাধাৰণতে, ব্যক্তিগত খণ্ডৰ প্ৰায়ভাগ অভিভাৱকৰ ক্ষেত্ৰত এনে হোৱা দেখা যায়। অভিভাৱকসকলেই যদি শিক্ষকসকলক শ্ৰদ্ধা, সন্মান নকৰে। তেনেহ'লে তেওঁলোকক অনুকৰণ কৰা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক কিয় সন্মান কৰিব। ফলত শিক্ষা ব্যৱস্থা স্খলিত হোৱা যেন অনুভৱ হয়। বৰ্তমান সময়ত সকলো অভিভাৱক-অভিভাৱিকাই শিক্ষিত। তেওঁলোকেও নিজৰ সন্তানক প্ৰায় সকলোখিনি শিকাব পাৰে। কিন্তু যিকোনো কিবা এটা বিষয়ত জ্ঞান লাভ কৰিব লাগিলে গুৰুৰ ওচৰত শৰণাপন্ন হ'ব লাগে, তেতিয়াহে শিক্ষাই পৰিপূৰ্ণতা পায়। গতিকে অভিভাৱসকলে বিদ্যালয়ত থকা শিক্ষকসকলৰ ওচৰত নিজৰ সন্তানক সপি দিয়ে। বৰ্তমান সময়ত প্ৰায়বোৰ ব্যক্তিগত খণ্ডৰ প্ৰায়ভাগ অভিভাৱকে শিক্ষকৰ সমালোচনা কৰা দেখা যায়। শিক্ষকসকলক বিভিন্ন সময়ত কিছুমান আদেশ দিয়া দেখা যায়। উদাহৰণস্বৰূপে আপুনি এইটো কৰিব, এইটো এনে ধৰণে কৰিব লাগিছিল, এনেকৈ ক'ব নালাগিছিল ইত্যাদি। ইয়াৰ ফলত শিক্ষকৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হয়। কাৰণ প্ৰত্যেক শিক্ষকেই অভিজ্ঞ আৰু প্ৰত্যেকে ছাত্ৰক নিজৰ সন্তানৰ দৰে জ্ঞান কৰে। মাক-দেউতাকে শিশুক কেতিয়াবা কিবা শিকাব লাগিলে কেতিয়াবা মৰমেৰে, কেতিবায়া গালি পাৰিও ক'বলগীয়া হয়। ঠিক তেনেদৰে শিক্ষকেও ছাত্ৰক পৰিস্থিতি সাপেক্ষে তেনে ব্যৱহাৰ কৰে। ছাত্ৰৰ সাফল্যত শিক্ষক আনন্দিত হৈ উঠে। যিসকল অভিভাৱক-অভিভাৱিকাই ছাত্ৰৰ সন্মুখত শিক্ষকৰ সমালোচনা কৰে তেনে ছাত্ৰৰ শিক্ষকৰ প্ৰতি এটা ভাল ছবি থাকিবনে? সি জানো সেই শিক্ষকজনক সন্মান কৰিব পাৰিব। সি জানো সেই শিক্ষকজনে পঢ়োৱা বিষয় আয়ত্ত কৰিব পাৰিব। সেয়েহে বৰ্তমান সময়ত দেখা যায় যে প্ৰায়ভাগ ছাত্ৰই শিক্ষকৰ মুখে মুখে উত্তৰ দিয়ে। শিক্ষকক অৱমাননা কৰে। শিক্ষকক শ্ৰদ্ধা নকৰে। ৰাস্তাত শিক্ষকক দেখিলেও নেদেখাৰ ভাও জুৰি আগবাঢ়ি যায়। শিষ্টাচাৰ শব্দটো যেন লুপ্ত হৈ যোৱাৰ পথত আগবাঢ়িছে। ঘৰখনেই হ'ল শিক্ষাৰ মূল কঠীয়াতলি। গতিকে ঘৰত শিশুক শিষ্টাচাৰৰ জ্ঞান দিয়াটো খুবেই প্ৰয়োজনীয়। প্ৰত্যেক শিশু এখন ঘৰৰ প্ৰতিচ্ছবিস্বৰূপ। এনেদৰে যদি শিক্ষকৰ মান নিম্নগামী হৈ গৈ থাকে এটা সময়ত শিক্ষা ব্যৱস্থাৰ স্খলন হোৱাটো নিশ্চিত। কাৰণ আমাৰ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিত অতীজৰ পৰা গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক থকা দেখা যায়। শিষ্যই গুৰুক শ্ৰদ্ধা-ভক্তি কৰে আৰু গুৰুই প্ৰতিটো খোজত তেওঁলোকৰ পথ প্ৰদৰ্শক হৈ বাট দেখুৱাই আগবঢ়াই নিয়ে। সেয়েহে মোৰ কাতৰে অনুৰোধ সেইসকল অভিভাৱকলৈ যিসকলে ছাত্ৰৰ সন্মুখত শিক্ষকৰ সমালোচনা কৰে— তেওঁলোকে যেন তেনে নকৰে। অতীজৰ সেই গুৰু-শিষ্যৰ সম্পৰ্ক যাতে বৰ্তমান সময়তো ঘূৰি আহে তাৰ বাবে অভিভাৱকসকলে যেন সহায়ৰ হাত আগবঢ়ায়।

■ কনকলতা বৰ্মন

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ চৰকাৰী বিদ্যালয়ত শিক্ষামন্ত্ৰীৰ সংস্কাৰ অভিযান ■

# শিক্ষকক লেকাম লগালেই শিক্ষা ব্যৱস্থাত সংস্কাৰ আবিহনে ?

মৃদুল কুমাৰ চাহু

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতেই মাত্ৰাধিক চৰ্চাৰ বিষয় হৈ পৰিছে চৰকাৰী শিক্ষা ব্যৱস্থাক লৈ। চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে সৰৱ হৈ পৰা শিক্ষামন্ত্ৰীয়ে শিক্ষকৰ বিৰুদ্ধে কেতবোৰ কঠোৰ পদক্ষেপ হাতত লৈছে। চৰকাৰী শিক্ষা খণ্ডত পৰীক্ষাৰ্থীৰ উত্তীৰ্ণ হাৰ নিম্নগামী হোৱাৰ কাৰণ শিক্ষকসকলৰ দায়িত্বজ্ঞানহীনতাৰ অভাৱ বুলি একাংশ সমালোচকে ৰাজ্যজুৰি বিতৰ্ক সৃষ্টি কৰাৰ সন্ধিক্ষণতেই ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে চৰকাৰী খণ্ডৰ শিক্ষকৰ ক্ষেত্ৰত কঠোৰ হৈ সংস্কাৰ আনিবলৈ পদক্ষেপ হাতত লৈছে। শিক্ষকসকলে শিক্ষকতাৰ লগতে সমান্তৰালভাৱে বেলেগ উপাৰ্জনমুখী কৰ্মত জড়িত নহ'বলৈ সকীয়াই দি শিক্ষকে এলআইচি, ৰাজনীতি, সাংবাদিকতাৰ দৰে কৰ্মত জড়িত হৈ থকা শিক্ষকৰ তথ্য সংগ্ৰহৰ বাবে শিক্ষা বিভাগে অভিযান আৰম্ভ কৰিছে। শিক্ষা বিভাগে সকলো স্তৰৰ প্ৰধানলৈ নিৰ্দেশ প্ৰেৰণ কৰি ডাবল কৰ্মত জড়িত শিক্ষকৰ তালিকা প্ৰেৰণ কৰিবলৈ দিয়া নিৰ্দেশনাক লৈ শিক্ষক সমাজত হুৰা-দুৰা আৰম্ভ হৈছে। চৰকাৰী শিক্ষা খণ্ডলৈ নামি অহা অনাকাংক্ষিক প্ৰত্যাহ্বানক প্ৰতিৰোধ কৰাৰ নিমিত্তে শিক্ষামন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপ আদৰণীয় যদিও শিক্ষকক লেকাম লগালেই চৰকাৰী শিক্ষা খণ্ডত সংস্কাৰ আবিহনে? শিক্ষকৰ লগতে শিক্ষা বিভাগৰ কৰ্মচাৰীৰ ক্ষেত্ৰতো কঠোৰ স্থিতি লওক। শিক্ষকক ফাঁকিবাজ হ'বলৈ উৎসাহিত কৰা বিভাগটোৰ বিষয়া-কৰ্মচাৰীক শিক্ষামন্ত্ৰীয়ে কেনেদৰে লেকাম লগাব। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিগৰাকী শিক্ষকে অভিভাৱকৰ লগত সু-সম্পৰ্ক গঢ়িব লাগে কিন্তু অধিকসংখ্যক শিক্ষকে অথবা শিক্ষয়িত্ৰীয়ে অভিভাৱকৰ পৰিৱৰ্তে শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগত সু-সম্পৰ্ক গঢ়া পৰিলক্ষিত হয়। শিক্ষকৰ এনে বৈষম্যমূলক আচৰণে শিক্ষা ব্যৱস্থাত কি প্ৰভাৱ পেলাব পাৰে অনুমান কৰকচোন। এজন শিক্ষকক দুৰ্নীতিৰ আশ্ৰয় ল'বলৈ কোনে উৎসাহিত কৰে। কাগজে-পত্ৰে আন্তঃগাঁথনিৰ ধন সদ্ব্যৱহাৰৰ নিখুঁত তথ্য ফাইলত আবদ্ধ থকা বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ দিশবোৰ কোনোবাই পৰ্যবেক্ষণ কৰেনে? বাহিৰা টকাৰ মোহত শিক্ষক-শিক্ষয়িত্ৰীৰ লগত সু-সম্পৰ্ক স্থাপন কৰি চৰকাৰী শিক্ষা খণ্ডক মৃত্যুমুখলৈ ঠেলি দিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বিষয়া-কৰ্মচাৰীৰ ক্ষেত্ৰত শিক্ষামন্ত্ৰীয়ে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া হ'ব লক্ষণীয়। তাৎপৰ্যৰ বিষয় যে চৰকাৰী শিক্ষা খণ্ডৰ পয়া লগা অৱস্থাৰ বাবে কেৱল শিক্ষকসকলেই জগৰীয়া নে? প্ৰতিগৰাকী চৰকাৰী শিক্ষকে নিজক, নিজৰ ভিতৰৰ মানুহজনক সুধি আত্মবিশ্লেষণ কৰকচোন? কাৰ ভুলৰ বাবে চৰকাৰী বিদ্যালয়ত মৃত্যু ঘণ্টা বাজিবলৈ আৰম্ভ কৰিছে। চৰকাৰী শিক্ষা খণ্ডত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমীক্ষা চলাই শিক্ষাৰ প্ৰকৃত ছবিখন পোহৰলৈ আনিব পাৰিলে শিক্ষা ব্যৱস্থাত সংস্কাৰ আনিবলৈ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিব। বহু বিদ্যালয়ত বিষয় শিক্ষক অবিহনে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হৈছে। ইয়াৰ উপৰি একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদ্যালয়ত উপস্থিত থাকিয়েই দায়িত্ব সামৰে। চৰকাৰী শিক্ষা খণ্ডত ঘটি থকা ঘটনা-পৰিঘটনাৰ ওপৰত চৰকাৰী বিষয়াসকলে নিয়মিত পৰিদৰ্শন নকৰাৰ ফলত বিদ্যালয়সমূহত সৃষ্টি হোৱা অস্থিৰতাই চৰকাৰী শিক্ষা খণ্ডক বিপৰ্যয়ৰ দিশলৈ গতি দিয়াত মাত্ৰাধিক সহায় কৰিছে। ৰাজনৈতিক নেতাৰ লগত ঘনিষ্ঠ সম্পৰ্ক, শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগত থকা ঘনিষ্ঠ সম্পৰ্ক থকা শিক্ষকসকলক বিদ্যালয়ৰ প্ৰধানসকলে নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হয়। এনে শ্ৰেণী শিক্ষকৰ পৰিসংখ্যা চৰকাৰী বিদ্যালয়ত মাত্ৰাধিক হোৱাত চৰকাৰী শিক্ষা খণ্ডত খোজে প্ৰতি প্ৰত্যাহবান নামি আহিছে। ইয়াৰ উপৰি চৰকাৰী বিদ্যালয়ত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ উদাসীন মনোভাব। এশ শতাংশ চৰকাৰী কৰ্মচাৰীৰ (শিক্ষকক ধৰি) ভিতৰত চৰকাৰী বিদ্যালয়ত হয়তো পঢ়ুৱাই ১০-৩০ শতাংশহে। বাকী ৭০ শতাংশ চৰকাৰী কৰ্মচাৰীয়ে নিজৰ সন্তানক দিয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত। চৰকাৰী বিষয়া-কৰ্মচাৰী, শিক্ষকে নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ সাহস নকৰে কিয়? চৰকাৰী শিক্ষা খণ্ডৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি কৰ্মচাৰী-শিক্ষকৰেই আস্থা নোহোৱা হৈছে। চৰকাৰী শিক্ষাত আস্থা নোহোৱাৰ পৰিৱেশ সৃষ্টিৰ কাৰণসমূহ পুংখানুপুংখভাৱে বিশ্লেষণ নকৰি কেৱল শিক্ষকৰ ওপৰত সমস্ত দোষ জাপি চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাত সংস্কাৰ আনিবলৈ চৰকাৰে শেহতীয়াভাৱে গ্ৰহণ কৰা পদক্ষেপ কিমান গ্ৰহণযোগ্য। অৱশ্যে শিক্ষক সমাজক নেতৃত্ব দিয়া শিক্ষক সংস্থাসমূহে শিক্ষকৰ সমস্যাৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিয়া পৰিলক্ষিত হয় সমান্তৰালভাৱে শৈক্ষিক পৰিৱেশ গঢ়াত মনোনিৱেশ কৰা দেখা নাযায়। শিক্ষাৰ গুৰু শিক্ষকসকলে শৈক্ষিক পৰিৱেশ সৃষ্টিত গুৰুত্ব দিয়ে আৰু দি আহিছে। কিন্তু পূৰ্বৰ শিক্ষা খণ্ডৰ দৰে আজিৰ শিক্ষাগুৰুৰ মাজত চিন্তাৰ পৰিৱৰ্তন ঘটিছে। বিদ্যালয়ৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ থাকি শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত শিক্ষকসকলে ছাত্ৰ-অভিভাৱকৰ মাজত সম্পৰ্ক স্থাপনত চূড়ান্ত অমনোযোগিতাই শৈক্ষিক পৰিৱেশ গঢ়াত ব্যাঘাত জন্মাইছে। ইয়াৰ উপৰি চৰকাৰে শিক্ষকৰ মাজত শ্ৰেণী বৈষম্য সৃষ্টিৰে দিয়া নিযুক্তি ব্যৱস্থায়ো শিক্ষা খণ্ডত বিৰূপ প্ৰভাৱ পেলাইছে। শিক্ষকৰ মাজত যোগ্যতাৰ প্ৰশ্ন তুলি বৈষম্যমূলক নীতিৰে নিযুক্তি দিয়া শিক্ষকসকলক একাংশ শিক্ষকে বলিৰ পঠা সজাই শিক্ষা ব্যৱস্থাত অৰাজকতা সৃষ্টি কৰিছে। শিক্ষকসকলৰ মানসিকতাও পৰিৱৰ্তন কৰিব লাগিব। শিক্ষকসকলৰ নিজৰ সন্মানৰ কথাও ভাবিব লাগিব। অৱশ্যে বহু শিক্ষকে শিক্ষকতাৰ পৰিৱৰ্তে চাকৰি কৰা মনোবৃত্তিৰে বিদ্যালয়ত প্ৰৱেশ কৰে। এনে নিম্ন তৰল মানসিকতাৰে পুষ্ট শিক্ষকৰ চিন্তা-চেতনাক পৰিৱৰ্তন ঘটাব পাৰিবনে শিক্ষামন্ত্ৰীয়ে। শিক্ষামন্ত্ৰীয়ে শিক্ষকসকলক শিক্ষকতাৰ বাহিৰে অন্য কৰ্মত জড়িত নহ'বলৈ হুংকাৰ দিছে। শিক্ষামন্ত্ৰীৰ হুংকাৰে চৰকাৰী শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন আনিবলৈ গ্ৰহণ কৰা পদক্ষেপে শিক্ষা ব্যৱস্থাত কি প্ৰভাৱ পেলাব সেয়া সময়ত গম পোৱা যাব। মন কৰিবলগীয়া বিষয় যে এগৰাকী শিক্ষকৰ মৌলিক অধিকাৰত হস্তক্ষেপ কৰি শিক্ষামন্ত্ৰীয়ে গ্ৰহণ কৰা সিদ্ধান্ত কিমান গ্ৰহণযোগ্য। ৰাজ্যত যিমানবিলাক শিক্ষকে এলআইচিকে ধৰি বিত্ত প্ৰতিষ্ঠান, সাংবাদিকতাৰ লগত জড়িত থকা বুলি চৰকাৰে সন্দেহ কৰিছে সেই সন্দেহ অমূলক কাৰণ উক্ত কৰ্মত জড়িত বুলি কোৱা শিক্ষকসকলে নিজৰ পত্নী আৰু আত্মীয়ৰ নামত চলাই আছে। আত্মীয়ৰ নামত চলাই থকা শিক্ষকসকলক কেনেকৈ চিনাক্ত কৰিব শিক্ষা বিভাগে? শিক্ষা বিভাগৰ কাৰ্যালয়ত ঘোচখোৰ, দুৰ্নীতিৰ ধ্বজাবাহক বিষয়া-কৰ্মচাৰী থকালৈকে চৰকাৰী শিক্ষা খণ্ডত আমূল পৰিৱৰ্তন কেতিয়াও সম্ভৱ নহয়। অৱশ্যে যিসকলে জাতি-মাটি-ভেটিৰ স্বাৰ্থত হুংকাৰ দি আহিছে তেওঁলোকে নিজৰ সন্তানক চৰকাৰী শিক্ষা খণ্ডত পঢ়ুৱাই নে? নিজৰ সন্তানক ব্যক্তিগত খণ্ডত পঢ়ুৱাই? আনহাতে, তেওঁলোকেই চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ দুৰৱস্থাৰ ক্ষেত্ৰত ৰাউচি জোৰে। চৰকাৰী শিক্ষা খণ্ডৰ ক্ষেত্ৰত এনে ভূমিকা পালন কৰা ব্যক্তি, বিষয়া-কৰ্মচাৰী, শিক্ষকসকলে চৰকাৰী শিক্ষা খণ্ডৰ মান-মৰ্যাদা ঘূৰাই অনাৰ লগতে পৰিৱৰ্তন অনাত সফল হ'বনে? প্ৰধানকৈ চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই হৈছে দৰিদ্ৰ কৃষক আৰু চাহ শ্ৰমিকৰ সন্তান। পেটৰ তাড়নাত সদায় ব্যস্ত থকা শ্ৰমিক-কৃষকৰ সন্তানৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে শিক্ষকৰ ওপৰত। তেনে সহজ-সৰল অভিভাৱকৰ আৱেগ, অনুভূতি আৰু বিশ্বাসক সন্মান জনোৱাৰ বিপৰীতে অভিভাৱকসকলৰ ভূমিকাক তুচ্ছ-তাচ্ছিল্য কৰা শিক্ষকে কেনেকৈ গঢ়িব মানৱ সম্পদ? আজিৰ শিক্ষাব্যৱস্থাইদুটা শ্ৰেণী সৃষ্টি কৰা পৰিলক্ষিত হৈছে। শোষক শ্ৰেণী আৰু শোষিত শ্ৰেণী। শোষিত শ্ৰেণীয়ে যুগ যুগ ধৰি শোষিত শ্ৰেণীৰ বহতীয়া গোলামৰ চৰিত্ৰৰ ভূমিকা পালন কৰিব লাগিব। দুই শ্ৰেণী বিলুপ্তি ঘটাবলৈ হ'লে শিক্ষাত সংস্কাৰ নিতান্তই প্ৰয়োজন।

*ফোন ঃ ৬০০২৭-৩৫৫০১*

# চৰকাৰী বিদ্যালয় আৰু কিছু কথা

■ বিবেকানন্দ ৰাভা

কেইদিনমান আগত ঘোষণা কৰা মেট্ৰিক পৰীক্ষাৰ ফলাফলক লৈ সৰ্বত্ৰ ব্যাপক চৰ্চা হয়। ব্যক্তিগত খণ্ড আৰু চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ মাজত নিউজ চেনেল, বাতৰি-কাকত বা ফেচবুকৰ দৰে সামাজিক মাধ্যমত তুলনামূলক আলোচনা আৰু পৰ্যালোচনা চলে (বানপানীৰ বাবে বিষয়টো কিছু তল পৰে)। আনকি মাননীয় শিক্ষামন্ত্ৰী আৰু শিক্ষকৰ মাজত মুকলিকৈ বাক্-বিতণ্ডা হোৱা দেখা গৈছে। চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ নিম্ন ফলাফলৰ বাবে মূলতঃ শিক্ষক সমাজক জগৰীয়া কৰা হৈছে। শিক্ষকসকলেও আত্মপক্ষৰ সমৰ্থনত ভালেমান সমস্যাৰ কথাৰ অৱতাৰণা কৰিছে। অৱশ্যে একাংশ শিক্ষকৰ গাতো দোষ নথকা নহয়। কিন্তু, সমস্যাসমূহকো একেবাৰে উলাই কৰিব পৰা বিধৰ নহয়। বিষয় অনুযায়ী শিক্ষকৰ অভাৱ, শিক্ষকক চৰকাৰী বিভিন্ন কামত নিয়োজিতকৰণ, বিগত লকডাউনৰ ফলত হোৱা শৈক্ষিক ঘাটি, চৰকাৰী বিদ্যালয়ত পঢ়োৱা একাংশ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ নিজৰ সন্তানৰ প্ৰতি অসচেতনতা ইত্যাদি কেইবাটাও দিশ আলোচিত হৈছে। ইয়াৰ লগে লগে একাংশ শিক্ষকৰ পালমৰা স্বভাৱ তথা নিজ কৰ্তব্যত গাফিলতি, সেৱাৰ মনোভাৱৰ অভাৱ, অন্য কৰ্ম যেনে-সাংবাদিকতা কৰা, বিভিন্ন বীমা সংস্থাৰ এজেণ্ট হিচাপে নিযুক্ত হোৱা, ৰাজনৈতিক দলৰ লগত তথা কাম-কাজত জড়িত হোৱা, ব্যক্তিগত টিউচন আদিত গুৰুত্ব দিয়া ইত্যাদি বিভিন্ন দিশৰ কথাও উত্থাপিত হৈছে। তাৰ মাজতে আমাৰ শিক্ষকসকলৰ মাজতো ইজনে সিজনৰ গালৈ দোষ ঠেলি পঠিওৱা দেখা যায়। যেনে হাইস্কুলৰ শিক্ষকসকলে এম ই স্কুলৰ শিক্ষকসকললৈ আৰু এম ই স্কুলৰ শিক্ষকসকলে এল পি স্কুলৰ শিক্ষকসকলৈ আঙুলি টোঁৱায়। এই অভিযোগকো অস্বীকাৰ কৰিব নোৱাৰি। এতিয়া কথা হ'ল এল পি স্কুলৰ শিক্ষকসকলে কালৈ আঙুলি টোঁৱাব? তাৰ লগে লগে যাব লাগিব এল পি স্কুল তথা প্ৰাথমিক বিদ্যালয় পৰ্যায়লৈ। প্ৰাথমিক বিদ্যালয়সমূহ কি অৱস্থাত চলি আছে, ইয়াৰ শিক্ষাৰ মান কেনেকুৱা, কি কি সমস্যা আছে ইত্যাদি দিশ বাস্তৱসন্মতভাৱে চালিজাৰি চাব লাগিব। যিহেতু ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ মূল ভেটিয়েই হৈছে এই প্ৰাথমিক বিদ্যালয়সমূহ, গতিকে এই ভেটি শক্তিশালী নহ'লে ভৱিষ্যতে তেওঁলোকৰ শৈক্ষিক দিশত অগ্ৰগতি আশা কৰিব নোৱাৰি। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ লগত চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়সমূহৰ তুলনামূলক বিশ্লেষণ কৰি চালে দেখা যায় যে বহুতো চৰকাৰী প্ৰাথমিক বিদ্যালয়ত মাত্ৰ এগৰাকী বা দুগৰাকী শিক্ষকেৰে পাঠদান কাৰ্যসূচী চলি আছে। যিটো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত কোনোপধ্যেই দেখা নাযায়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত শ্ৰেণী অনুযায়ী বা বিষয় অনুযায়ী শিক্ষক থকা হেতুকে পাঠদান কাৰ্যসূচীত ব্যাঘাত নজন্মে। তদুপৰি শ্ৰেণী অনুপাতে শ্ৰেণী কোঠাৰো ব্যৱস্থা থাকে। শিক্ষকসকলক অন্য অনা-শৈক্ষিক কামত জড়িত কৰোৱা নহয়। এই ব্যৱস্থাৰ বাবেই সাধাৰণতে বেচৰকাৰী বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। তদুপৰি প্ৰতিজন অভিভাৱক সজাগ আৰু সচেতন। অভিভাৱকৰ দ্বাৰা বা সহায়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিদিনে গৃহকৰ্ম বা পাঠৰ অনুশীলন কৰে। আনহাতে, চৰকাৰী বিদ্যালয়ত পঢ়া বেছি ভাগ ছাত্ৰ-ছাত্ৰীৰে অভিভাৱক নিৰক্ষৰ হোৱা হেতুকে তথা দৰিদ্ৰতাত পিষ্ট বেছিসংখ্যক অভিভাৱকে দিনৰ দিনটো পৰিশ্ৰম কৰি ভাৰাক্ৰান্ত দেহাৰে তেওঁলোকে ঘৰুৱাভাৱে নিজৰ সন্তানৰ শৈক্ষিক দিশত যতন ল'ব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক অগ্ৰগতি কেৱলমাত্ৰ শিক্ষকসকলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। যিটো বয়সত



ছাত্ৰ-ছাত্ৰীসকলক হাতত ধৰি উমলি-জামলি শিকাবলগীয়া হয় আৰু প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক যথেষ্ট সময় দিবলগীয়া হয় তেনে ক্ষেত্ৰত এজনীয়া বা দুজনীয়া শিক্ষকে কেনেকৈ পাঁচটাকৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ফলপ্ৰসু আৰু গুণগত শিক্ষা প্ৰদান কৰিবলৈ সক্ষম হ'ব? যাৰ ফলত চৰকাৰী বিদ্যালয়সমূহে চেষ্টা কৰিলেও ক্ষিপ্ৰগতিত ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিব নোৱাৰে। তদুপৰি শিক্ষকসকলে মাজে-সময়ে বিভিন্ন অনা-শৈক্ষিক কাম-কাজত জড়িত হ'ব লগা হয়, যাৰ বাবেও এইক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়।

এনেবোৰ সমস্যাৰ মাজতে আমি শিক্ষকসকলেও আত্মসমালোচনা কৰা দৰকাৰ। আমি কিমানজনে সম্পূৰ্ণ সেৱাৰ মনোভাবেৰে শিক্ষাদান প্ৰক্ৰিয়াত নিজকে নিয়োজিত তথা সমৰ্পণ কৰিছো? ছাত্ৰ-ছাত্ৰীৰ নামত আমি কিমান সময় দিছোঁ? অভিভাৱকৰ লগত আমি যোগসূত্ৰ ৰাখিছোনে? ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক বিকাশৰ বাবে নিতৌ ন ন কৌশল আৰু পৰিকল্পনা অৱলম্বন কৰিছোনে? বিদ্যালয়ত হৈ থকা সমস্যাবোৰৰ বিষয়ে আৰু বিদ্যালয়ৰ নামত অহা চৰকাৰী অনুদানবোৰৰ বিষয়ে অভিভাৱক আৰু স্থানীয় ৰাইজক অৱগত কৰিছোনে ? কেতিয়াবা নিজ হাতেৰে শিকন-শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰি পাইছোনে? ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয় ছুটীৰ পাছত অতিৰিক্ত এঘণ্টা সময় বিদ্যালয়ৰ সামগ্ৰিক কাম-কাজৰ নামত অতিবাহিত কৰিছোঁনে? ইত্যাদি বিভিন্ন প্ৰশ্নৰে নিজকেও এবাৰ সুধি চোৱাৰ দৰকাৰ। যদিহে ইমানখিনি কৰাৰ পিছতো বিদ্যালয়খনৰ শৈক্ষিক দিশত কোনো পৰিৱৰ্তন হোৱা নাই তেন্তে তাত নিশ্চয় অন্য কেৰোণ থাকিব লাগিব আৰু তেনে ক্ষেত্ৰত ৰাইজ আৰু সমাজে শিক্ষকৰ ওপৰত কোনোপধ্যেই দোষ জাপি দিব নোৱাৰে।

দেখা যায় যে বহুতো বেচৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনিও বৰ উন্নত নহয়। বাঁহৰ বেৰ, টিনৰ চালি আৰু কেঁচা মজিয়াত শিক্ষাদান কৰে। তৎসত্ত্বেও ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয়। ইয়াৰ মূলতে হ'ল শ্ৰেণী অনুযায়ী শিক্ষক আৰু পৃথক শ্ৰেণীকোঠাৰ ব্যৱস্থা। তদুপৰি শৃংখলাবদ্ধ ব্যৱস্থাপনা, অভিভাৱকৰ অতি সচেতনতা আৰু শিক্ষকসকলৰ কঠোৰ পৰিশ্ৰম। আনহাতে, বেছি ভাগ চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ইয়াৰ এটা বিপৰীত প্ৰতিচ্ছবি দেখা যায়। যাৰ ফলত ফলাফলৰ হাৰ তুলনামূলকভাৱে নিম্ন।

এইখিনিতে, এটা কথা ক'ব লাগিব। চৰকাৰী বিদ্যালয়বোৰৰ শিক্ষা ব্যৱস্থা পূৰ্বতকৈ নিম্নগামী হোৱা বুলি বহুতে ধাৰণা এটা লৈ আছে বা অভিযোগ কৰে যদিও তেনে নহয় বৰঞ্চ আগতকৈ কিছু উন্নতহে হৈছে। হয়তো ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ লগত ফেৰ মাৰিব পৰাকৈ উৰ্ধ্বগামী হোৱা নাই। আগতে যিহেতু তুলনা কৰিবলৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়েই নাছিল। গতিকে তুলনা হোৱা নাছিল। তুলনা হৈছিল যদিও ব্যক্তিগতভাৱেহে অৰ্থাৎ ছাত্ৰ-ছাত্ৰীখিনিৰ মাজতহে হৈছিল। অঞ্চলটোৰ তথা গাঁওখনৰ সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰীয়েই একেখন বিদ্যালয়তে ভাল হ'লেও বেয়া হ'লেও পঢ়িবলৈ বাধ্য হৈছিল । তাৰ মাজতে প্ৰতিভাৱান দুই-এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজা প্ৰচেষ্টা, শিক্ষক আৰু সচেতন অভিভাৱকৰ যত্নত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল। তদুপৰি পাছ-ফেইল ব্যৱস্থা থকা হেতুকে পঢ়াত ভাল ছাত্ৰ-ছাত্ৰীসকলেহে আগবাঢ়ি গৈছিল আৰু বাকীবোৰে চেষ্টা কৰিও নোৱাৰিলে পঢ়া আধাতে সামৰণি মাৰিছিল। তাৰ বাবে শিক্ষকসকলক জবাবদিহি কৰা হোৱা নাছিল। কিন্তু, সময়ৰ লগে লগে আশে-পাশে ব্যক্তিগত খণ্ডৰ বিদ্যালয় গঢ়ি উঠে। আৰ্থিকভাৱে সচ্ছল আৰু শিক্ষিত চাকৰিয়াল লোকসকলে নিজৰ সন্তানক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ এটা প্ৰৱণতা গঢ় লয়। ব্যৱসায়িক স্বাৰ্থতে হওক বা ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থতেই হওক ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ মাজতে প্ৰতিযোগিতা হোৱা দেখা যায় আৰু সকলোৰে উমৈহতীয়া প্ৰচেষ্টাত ব্যক্তিগত তথা বেচৰকাৰী বিদ্যালয়সমূহে অধিক ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয়। যি কি নহওক বৰ্তমান চৰকাৰী বিদ্যালয়সমূহত পৰ্যাপ্ত নহ'লেও যথেষ্টসংখ্যক অৰ্হতাসম্পন্ন, দক্ষ আৰু উদ্যমী যুৱ শিক্ষক নিযুক্তি দিয়াৰ ফলত চৰকাৰী বিদ্যালয়সমূহৰ ওপৰত আগতকৈ ৰাইজৰ আস্থা আৰু বিশ্বাস ঘূৰি অহা যেন পৰিলক্ষিত হৈছে। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ৰ পৰাই চৰকাৰে যদিহে শ্ৰেণী অনুযায়ী শিক্ষক নিযুক্তি আৰু শ্ৰেণী কোঠাৰ ব্যৱস্থা কৰে তেন্তে নিশ্চয় চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক মান যথেষ্ট উন্নত হ'ব।

# অসমত বাৰিষাৰ বতৰ আৰম্ভহে হৈছে

■ ফখৰুদ্দিন আহমেদ

প্ৰকৃত বিষয়টো হৈছে যে অসমত সম্প্ৰতি বাৰিষাৰ বতৰ আৰম্ভহে হৈছে। বাৰিষাৰ বতৰত মুষলধাৰ বৰষুণ হয়। পথাৰত ৰোৱনীয়ে ভুঁই ৰোৱে। পিছে আজিকালি সেই আগৰ দিনবোৰ নাই। ভালকৈ অনুধাৱন কৰিলে উপলব্ধি কৰিব পাৰি যে মানৱ সমাজে প্ৰকৃতিৰ ওপৰত চলাই থকা অত্যাচাৰৰ যেন এই বানপানী আদিৰ দৰে প্ৰাকৃতিক সমস্যাবোৰ বহিঃপ্ৰকাশহে।

প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যহীনতাৰ বাবেই বাৰিষাৰ বতৰত হোৱা বানপানীৰ সংহাৰ আৰম্ভ হৈছে। অসমত বাৰিষাৰ বতৰ আৰম্ভ হয় জুন মাহৰ পৰা আৰু শেষ হয় অক্টোবৰত অনুষ্ঠিত হোৱা দুৰ্গা পূজাৰ সময়ত। এয়া অসমৰ বাৰিষাৰ বতৰৰ এক চিৰাচৰিত সময়। চলিত বৰ্ষত জুন মাহত হোৱা বাৰিষা বতৰৰ আৰম্ভণি হৈছে ভয়াৱহ বানপানীৰ সংহাৰকাৰী ৰূপেৰে। সমুখৰ ফালে পৰি আছে অন্য চাৰিটা মাহ। মোৰ নিজস্ব অভিজ্ঞতা আছে। ২০০৪ বৰ্ষৰ পূৰ্বৰ কোনোবা এটি বৰ্ষত আমাৰ দক্ষিণ-পশ্চিম ছিপাঝাৰ অঞ্চলৰ ৰাইজে অক্টোবৰ মাহত হোৱা প্ৰলয়ংকৰী আৰু সংহাৰী বানপানীৰ কৱলত পৰি ব্ৰহ্মপুত্ৰ আৰু অন্যান্য নদীৰ মথাউৰিত অৱস্থান কৰি জীৱন ৰক্ষা কৰিব লগা হৈছিল।

যিহেতু অসমত বাৰিষাৰ বতৰ আৰম্ভহে হৈছে আৰু এই বৰ্ষত ইতিমধ্যে মুষলধাৰ বৰষুণে প্ৰাকৃতিক আৰু কৃত্ৰিম বানপানীৰ অসমৰ বিভিন্ন প্ৰান্তত সৃষ্টি কৰিছে, সেয়ে অসমৰ ৰাইজ আৰু অসম চৰকাৰে আগন্তুক চাৰি মাহৰ বাবে বিশেষ সাৱধানতা আৰু সতৰ্কতা অৱলম্বন কৰিব লাগিব।

বছৰৰ প্ৰথমটো বানপানীতে অসমৰ বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰ আৰু নদীসমূহৰ মথাউৰিবোৰ ছিগি গৈছে। অৱশ্যে ৰাজ্যৰ জলসম্পদ বিভাগে এই ছিগি যোৱা মথাউৰিবোৰ পুনৰ মেৰামতিৰ ব্যৱস্থা কৰিছিল যদিও সেই মেৰামতি কিন্তু বাঢ়নী পানীত তিষ্ঠি থাকিব পৰা নাই। সেয়া অক্টোবৰ পৰ্যন্ত দীৰ্ঘ সময় যে অসমৰ জনতাক বানপানীয়ে জলাকলা কৰি থাকিব সেয়া ধ্ৰুৱ সত্য। সেয়ে এইক্ষেত্ৰত অসম চৰকাৰ আৰু বিভাগে সুপৰিকল্পনাৰে আগবাঢ়িব লাগিব আৰু অসমৰ জনতাই এশ শতাংশই সহযোগিতা কৰিব লাগিব। প্ৰবচন আছে— 'বিপদৰ সময়ত বাঘে-ছাগে একে ঘাটে পানী খায়'। এই বানপানীৰ বিপজ্জনক সময়ত শাসনত থকা বিজেপি দলক আন ৰাজনৈতিক দলসমূহে চোকা চোকা ভাষাৰে সমালোচনা কৰি থকা-সৰকা কৰিলেই নহ'ব, বৰঞ্চ এনে জটিল পৰিস্থিতিৰ লগত মোকাবিলা কৰি অসমৰ ৰাইজক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত অসম চৰকাৰক পূৰ্ণমাত্ৰাই সহযোগ কৰিলেহে সফল ৰাজনীতিৰ দিশত তেখেতসকল আগবাঢ়ি যাব পাৰিব। বানপানীৰ দৰে জন-জীৱনক বিধ্বস্ত কৰা প্ৰাকৃতিক দুৰ্যোগত সকলো ৰাজনৈতিক দল, স্বেচ্ছাসেৱী সংগঠন আৰু স্থানীয় ক্লাবসমূহৰো গধুৰ দায়িত্ব আছে। নহ'লে অসমৰ ৰাইজে আগন্তুক প্ৰায় চাৰিটা মাহত ইয়াতকৈয়ো বহু বেছি দুৰ্ভোগ ভুগিব লাগিব যে সেয়া খাটাং।

সাম্প্ৰতিক সময়ত অসম চৰকাৰ, বিৰোধী ৰাজনৈতিক দল আৰু সংগঠনবোৰ ব্যস্ত হৈ আছে বন্যাৰ্তক সাহায্য প্ৰদানত। এয়া অতিকৈ গুৰুত্বপুৰ্ণ আৰু একান্ত প্ৰয়োজনীয় বিষয়। ইয়াৰ লগতে আগন্তুক বিশেষকৈ অহা অক্টোবৰ মাহলৈ সম্ভাব্য বানপানীৰ তাণ্ডৱৰ প্ৰতিৰোধ কল্পে ইতিবাচক আঁচনিৰ চিন্তা চৰ্চা আৰু তাৎক্ষণিক ৰূপায়ণতো গুৰুত্ব দিব লাগিব। বিশেষকৈ ছিগি থকা ব্ৰহ্মপুত্ৰ আৰু আন নদীৰ মথাউৰিবোৰ মেৰামতিৰ ক্ষেত্ৰত। অসম চৰকাৰে বিভাগীয়ভাৱে আৰ্থিক মঞ্জুৰী দিয়াটোৱেই শেষ কথা নহয়। এই কামকাজবোৰ সুচাৰুৰূপে সমাপন হৈছে নে বিভাগীয় ঠিকাদাৰৰ খেয়াল-খুচি মতে হৈছে এইক্ষেত্ৰত বিভাগীয় চৰকাৰী বিভাগসমূহৰ আমোলা-বিষয়াসকলে উচিতভাৱেই চকু দিব লাগিব। চৰকাৰী আমোলা-বিষয়াসকলৰ সৈতে স্থানীয় ৰাইজে ছব্বিশ ঘণ্টাই নজৰ দিব লাগিব। যাতে দুৰ্যোগ প্ৰশমন ঠিক মতেই হয়।

অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰে বানপানীৰ ক্ষেত্ৰত অসম চৰকাৰক সকলো সময়তে, সকলো ক্ষেত্ৰতে সহায় কৰি আহিছে বুলি দৃঢ়ভাৱে মন্তব্য প্ৰকাশ কৰিলেও কোনো এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী বানপানীৰ সংহাৰী কালত অসমত পদাৰ্পণ নকৰা কাৰ্য কিন্তু বিচাৰ্যৰ বাহিৰত নহয়। ইতিপূৰ্বে দৃষ্টিগোচৰ হৈ অহা বিষয়টো হৈছে যে অন্য ৰাজ্যত বানপানীয়ে দুৰ্যোগ সৃষ্টি কৰা সময়ত কেন্দ্ৰীয় চৰকাৰে একো একোটা বিশেষ পুঁজিৰ ঘোষণা কৰে। কিন্তু অসমৰ ক্ষেত্ৰত এয়া ব্যতিক্ৰম যে তেনে পুঁজি এতিয়ালৈ ঘোষণা কৰা হোৱা নাই। অসমৰ ৰাইজ, দল-সংগঠনে বহু বছৰ ধৰি অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাই আহিছে যদিও এই ক্ষেত্ৰত ফলপ্ৰসু হোৱাকৈ কোনো ধৰণৰ পদক্ষেপ কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা লোৱা নাই।

এই সকলোবিলাক দিশ পৰ্যালোচনা কৰিলে দেখা যায় যে অসমৰ বানপানীৰ দুৰ্যোগৰ সময়ত পৰিস্থিতিৰ সৈতে সহাৱস্থান কৰি জীৱন নিৰ্বাহ কৰাৰ মানসিকতা অসমৰ ৰাইজে গ্ৰহণ কৰিবই লাগিব।

অসম চৰকাৰে সাম্প্ৰতিক সময়ত অসমৰ ৰাইজক সাহায্য প্ৰদান কৰাৰ উপৰি অনাগত দিনবোৰৰ বাবেও সাহায্য পৰ্যাপ্ত পৰিমাণে সময়ত উপযুক্তভাৱে সাহায্য দিব পৰাকৈ খাদ্য-সামগ্ৰীকে ধৰি মজুত কৰি ৰাখিব লাগিব।

অসম চৰকাৰে বানপানীত কক্‌বকাই থকা ৰাইজৰ বাবে যোগান ধৰা খাদ্য-সামগ্ৰী বিতৰণত হোৱা বিসংগতিৰ ক্ষেত্ৰত স্বয়ং মুখ্যমন্ত্ৰী মহোদয়ে উপায়ুক্তক ধমক দিব লগা হোৱা পৰিস্থিতি সঁচাকৈয়ে চিন্তনীয়। ইয়াৰ উপৰি শাৰীৰিক বিশেষভাৱে সক্ষম লোকক সাহায্য সামগ্ৰী বিতৰণৰ সময় আৰক্ষীৰ লোকে থিয় গোৰ শোধোৱা কাৰ্যও গৰিহণাৰ যোগ্য। বন্যাৰ্তই এই ধৰণৰ পৰিস্থিতিত দেখোন ভৰসা কৰিবলৈ কোনো কৰ্তৃপক্ষকেই বিচাৰি নাপাবগৈ।

এই বৰ্ষৰ চলিত বানপানীত বন্যাৰ্তই কোনো ধৰণৰ সা-সামগ্ৰী উদ্ধাৰ কৰি ৰাখিব পৰা নাই। মহানগৰ, নগৰ, চহৰ, গ্ৰামাঞ্চল আৰু চৰাঞ্চল সকলোতে সমানেই ক্ষতিগ্ৰস্ত হ'ব লগা হৈছে। এনে জটিল সন্ধিক্ষণত অসম চৰকাৰ, বিভাগীয় আমোলা-বিষয়া, দল-সংগঠন লগতে অসমৰ ৰাইজ সদা জাগ্ৰত হৈ থাকিব লাগিব। নিজৰ দায়বদ্ধতাৰ পৰা সকলো কৰ্তৃপক্ষই এডাল চুলিৰ পৰিমাণো বিচলিত নহৈ সুস্থ মানসিকতা আৰু সাহসেৰে ইতিবাচকভাৱে আৰু সুপৰিকল্পনাৰে 'মানুহে মানুহৰ বাবে 'নীতিৰে বন্যাৰ্তৰ প্ৰতি সেৱা আগবঢ়াব লাগিব। কাৰণ বানপানীৰ লগত যুঁজি জীৱন সংগ্ৰামত জিকিবলৈ অসমৰ ৰাইজে আৰু কমেও চাৰি মাহ বাট চাব লাগিব।

*ফোন ঃ ৮৬৩৮৩-১২৭০৭*

# যোৰহাট জিলা ছাত্ৰ সন্থাৰ নৱ-নিৰ্বাচিত সমিতিৰ দায়িত্বভাৰ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩০ জুন ঃ** উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত অনুষ্ঠিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ যোৱা ৯ জুন তাৰিখে নৱনিৰ্বাচিত জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখনে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। যোৰহাট তাৰকাগৃহৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত দায়িত্বভাৰ অৰ্পণ অনুষ্ঠানত সভাপতিত্ব কৰে বিগত কাৰ্যনিৰ্বাহকৰ ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈয়ে। জিলা ছাত্ৰ সন্থাৰ বিগত কাৰ্যনিৰ্বাহকৰ সাধাৰণ সম্পাদক দীপ দত্তই সভাৰ উদ্দেশ্য আগবঢ়োৱাৰ পাছতেই নতুন কাৰ্যনিৰ্বাহক সমিতিয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। দায়িত্বভাৰ অনুষ্ঠানত উপস্থিত থাকি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি সংকল্প গগৈয়ে আৰু সাধাৰণ সম্পাদক অৰ্জুনমণি ভূএগয়ে কয়, দীৰ্ঘদিনীয়া ত্যাগ আৰু কষ্টৰ স্বীকৃতিস্বৰূপে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাই যি গুৰুদায়িত্ব অৰ্পণ কৰিছে তাক অনাগত দিনত অতি নিষ্ঠা আৰু সততাৰে পালন কৰাৰ লগতে ৰাইজৰ স্বাৰ্থত উৎসৰ্গিকৃত মনোভাৱেৰে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ প্ৰয়াস অব্যাহত থাকিব। যোৰহাটৰ সমাজ জীৱনৰ যিসমূহ জ্বলন্ত সমস্যা সেই সকলোকে নতুন সমিতিখনে সমাধানৰ ক্ষেত্ৰত আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সন্তাটোক যোৰহাটত সবলভাৱে আগুৱাই নিব বুলি ব্যক্ত কৰে। লগতে কয়, শৈক্ষিক নগৰী তথা সাংস্কৃতিক ৰাজধানী যোৰহাট জিলাখনৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ক্ৰীড়া তথা অৰ্থনৈতিক সকলো দিশতে জিলা ছাত্ৰ সন্থাই অনাগত দিনত সবল ভূমিকা পালন কৰি ৰাইজৰ আশীৰ্বাদ শিৰত লৈ সহায়-সহযোগিতাৰে ছাত্ৰ সন্থাৰ সন্তাটোক সৰ্বস্তৰৰ ৰাইজৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস চিৰদিনে অব্যাহত ৰাখিব বুলিও মন্তব্য কৰে। অনুষ্ঠানত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগে আৰু অন্যতম নৱনিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দীপ দত্তই সমিতিখনলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰাৰ লগতে যোৰহাটৰ সমাজ জীৱনলৈ নিঃস্বাৰ্থভাৱে সন্মিলিত প্ৰচেষ্টাৰে সেৱাত ব্ৰতী হ'বলৈ আহ্বান জনায়। দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই জিলা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি সংকল্প গগৈ, সাধাৰণ সম্পাদক অৰ্জুনমণি ভূএগ আৰু নৱনিৰ্বাচিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য দীপ দত্তক যোৰহাট মহকুমা ছাত্ৰ সন্থা, তিতাবৰ মহকুমা ছাত্ৰ সন্থা আৰু ১৬ খন আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। নৱনিৰ্বাচিত সভাপতি, সম্পাদকদ্বয়ে আগন্তুক দিনত সমূহ যোৰহাটবাসী ৰাইজৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আৰু আশীৰ্বাদ একান্তই কামনা কৰিছে।



## চৰম ভাবুকিৰ কবলত ধুবুৰীৰ সূৰ্যমণি কৃষি বান্ধ
### বিস্তীৰ্ণ অঞ্চলত ক্ষতি হোৱাৰ আশংকা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩০ জুন ঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতে সূৰ্যমণি কৃষি বান্ধৰ প্ৰতি সৃষ্টি কৰিছে চৰম ভাবুকিৰ। এম জি এনৰেগা আচনিৰ অধীনত চাৰি কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা কৃষি বান্ধটো যিকোনো মুহূৰ্তত উটি যোৱাৰ প্ৰবল সম্ভাৱনাই দেখা দিছে। প্ৰবল সোঁতত খহনীয়াৰ সৃষ্টি কৰাত চপৰা চপৰে খহাই নিছে মাটি। বাইশ মিটাৰ দৈৰ্ঘ্যৰ বান্ধটোৰ প্ৰায় ৮শ মিটাৰ পৰিছে গৰাখহনীয়াৰ কবলত। যোৱা দুদিন ধৰি পৰিস্থিতিয়ে ভয়ংকৰ ৰূপ লোৱাত শংকিত হৈ পৰিছে ৰাইজ। বান্ধ উটি গ'লে ইয়াৰ উপকণ্ঠ অঞ্চলৰ বিস্তৰ ক্ষতি হোৱাৰ আশংকাত চিন্তিত হৈ পৰিছে ৰাইজ।

## ৪ জুলাইত কামৰূপ মহানগৰ জিলা পথ-সুৰক্ষা সমিতিৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** বিগত সময়চোৱাত কামৰূপ মহানগৰ জিলাত সংঘটিত বিভিন্ন পথ-দুৰ্ঘটনাৰ কাৰণসমূহ পৰ্যালোচনা কৰি এইক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ উদেশ্যে কামৰূপ মহানগৰ জিলা পথ-সুৰক্ষা সমিতিৰ এখন জৰুৰী বৈঠক আহ্বান কৰা হৈছে। উল্লেখ্য যে ৰাজ্যত সংঘটিত বিভিন্ন পথ-দুৰ্ঘটনাত বহুজনে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনাত ৰাজ্যৰ পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, পৰিবহণ সচিব আৰু পৰিবহণ আয়ুক্ত আদিল খানে গভীৰ উদ্বেগ প্ৰকাশ কৰি বিষয়টোক গুৰুত্বসহকাৰে লৈ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা পৰিবহণ বিভাগসমূহক নিৰ্দেশ দিয়ে। এই নিৰ্দেশনাৰ ভিত্তিত ৪ জুলাইত দিনৰ ১১বজাত কামৰূপ মহানগৰ জিলা উপায়ুক্তৰ সভাগৃহত জৰুৰী বৈঠকখনৰ আহ্বান কৰা বুলি সহকাৰী পৰিবহণ আয়ুক্ত আৰু জিলা পথ-সুৰক্ষা সমিতিৰ সদস্য-সচিব গৌতম দাসৰ পৰা জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ সমাজৰ সকলো স্তৰতে পথ-সুৰক্ষাৰ ক্ষেত্ৰত ব্যাপক জনসচেতনতা সৃষ্টিৰ বাবে জনোৱা আহ্বানত পৰিবহণ বিভাগে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা সমূহ অধিক খৰতকীয়া কৰাৰ বাবে সভাত পথ-সুৰক্ষাৰ লগত জড়িত বিভিন্ন বিভাগসমূহৰ সহযোগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কামৰূপ মহানগৰ জিলা উপায়ুক্ত আৰু জিলা পথ সুৰক্ষা সমিতিৰ অধ্যক্ষ পল্লৱ গোপাল ঝাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া বৈঠকত জিলা প্ৰশাসন, পৰিবহণ, আৰক্ষী, লোক নিৰ্মাণ, স্বাস্থ্য, শিক্ষা, অসম ৰাজ্যিক পৰিবহণ নিগম, ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী সংস্থাৰ লগতে বিভিন্ন বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকিব।

## ঐতিহাসিক ধুলীয়াপাৰত শিক্ষানুষ্ঠান পৰিচয়ৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া শিৱসাগৰ, ৩০ জুন ঃ** শিৱসাগৰ নগৰৰ সমীপৰ ঐতিহাসিক ধুলীয়াপাৰ অঞ্চলত আজি এখন প্ৰাক প্ৰাথমিক শাখাৰ অসমীয়া আৰু ইংৰাজী মাধ্যমৰ এখন ব্যক্তিগত শিক্ষানুষ্ঠান মুকলি কৰা হয়। শিক্ষক তথা সমাজকৰ্মী মুকুল বৰাই উদ্বোধন কৰি শিশুসকলৰ প্ৰাৰম্ভিক শিক্ষা দিয়াৰ ক্ষেত্ৰত লব লগা ব্যৱস্থাসমূহৰ ওপৰত আলোকপাত কৰে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি আয়োজিত সভাখনত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত জিমলি কলিতা আৰু ৰুবী বৰদলৈয়ে বিদ্যালয়খনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত মন্তব্য প্ৰদান কৰে। সাংবাদিক নজিউল্লা হাজৰিকাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে সমাজকৰ্মী দিলিপ দত্ত, প্ৰাণজিৎ বৰদলৈ আৰু পল্লৱ কলিতাই। আজি এই উদ্বোধনী অনুষ্ঠানত ধুলীয়াপাৰ অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি হ'ল নামঘৰ খানামুখ ৰাজহুৱা নামঘৰৰ পুনঃ নিৰ্মাণৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ এক নং ৱাৰ্ডস্থিত আৰু শতিকা পুৰণি পশ্চিম জালুকবাৰী খানামুখ খেলবাসীৰ খানামুখ ৰাজহুৱা নামঘৰটো সম্প্ৰতি ব্যৱহাৰৰ অনুপযোগী হোৱা বাবে খেলবাসীয়ে দান বৰঙনি আৰু শুভাকাংখী ব্যক্তিয়ে আগবঢ়োৱা ধনেৰে পুনঃ নিৰ্মাণ কৰি নতুন ৰূপ দিযাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে আজি পুৱা পশ্চিম জালুকবাৰী খানামুখ ৰাজহুৱা নামঘৰৰ পুনঃ নিৰ্মাণৰ ভূমি পূজন আৰু আধাৰশিলা স্থাপন কৰা হয়। উপস্থিত আয়তীৰ উৰুলি আৰু মাংগলিক কাৰ্যৰ মাজেৰে পুনঃ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। এই উপলক্ষে নামঘৰ পৰিচালনা কমিটিৰ মুখ্য সাধাৰণ সম্পাদক চন্দন কলিতাই আঁত ধৰা চমু অনুষ্ঠানত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় - অসমীয়া জাতিৰ জনক স্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি হল নামঘৰ সমূহ। এই নামঘৰ সমূহে অসমৰ সমাজ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ৰাইজৰ মাজত শান্তি, সম্প্ৰতি, একতাৰ ভাব বৃদ্ধি কৰি সমাজখনক শৃংখলিত কৰি ৰাখিছে। আনহাতে নামঘৰ পৰিচালনা কমিটিৰ সভাপতি যাদৱ চন্দ্ৰ কলিতাৰ আদৰণি ভাষণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট উদ্যোগপতি তথা মহেশ্বৰী ইণ্ডাষ্ট্ৰীৰ স্বত্বাধিকাৰী নন্দ কিশোৰ মহেশ্বৰী, এছ টি ডি ব্ৰিকছৰ স্বত্বাধিকাৰী বিকি দাস, খানামুখ শ্ৰী শ্ৰীলক্ষ্মী মন্দিৰ পৰিচালনা কমিটিৰ সভাপতি বলেন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া, উপ সভাপতি কমলা কলিতা, খানামুখ ৰূপকোঁৱৰ হাউছিং কমপে' কমিটিৰ সভাপতি কমলাকান্ত দাস, সাধাৰণ সম্পাদক অমিয় কলিতা, খানামুখ কেহেৰুৱাৰী খেলৰ সভাপতি কনক চন্দ্ৰ বৈশ্য, জ্যেষ্ঠ নাগৰিক শাৰদা কলিতা, নামঘৰ নিৰ্মাণ কমিটিৰ সম্পাদক সনাতন বৰুৱাকে ধৰি কেবাজনো কৰ্মকৰ্তা আৰু পুৰুষ - মহিলা নিৰ্বিশেষে শতাধিক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে নামঘৰৰ পুনঃ নিৰ্মাণৰ বাবে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ পৰা ২.৫০ লাখ টকা আগবঢ়াইছে।

## বঢ়মপুৰত পশু খাদ্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩০ জুন ঃ** কপিলী, নিশাৰী, বৰপানী, ননৈ, কলঙকে ধৰি নগাঁৱৰ মাজেৰে বৈ যোৱা সকলো নদ-নদীৰ বাঢ়নি পানীয়ে জনজীৱনলৈ অবৰ্ণনীয় দুৰ্যোগ কঢ়িয়াই অনা সময়তে বানাক্ৰান্তসকলে ঘৰ-দুৱাৰ এৰি বিভিন্ন স্থানলৈ ঢাপলি মেলিবলগীয়া হৈছে। এইবাৰৰ বানত বঢ়মপুৰ সমষ্টিৰ গৰিষ্ঠসংখ্যক গাঁৱৰ লোক আক্ৰান্ত হৈছে। সেয়ে এই বন্যাৰ্তসকল অন্যান্য ঠাইৰ লগতে বঢ়মপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কেইবাটাও ৰাজহুৱা স্থানত ইতিমধ্যে আশ্ৰয় লৈ আছে। জানিব পৰা মতে আজিৰ দিনটোলৈকে বিভিন্ন অঞ্চলৰ দুশৰো অধিক বানাক্ৰান্ত লোকে পশুধনসহ বঢ়মপুৰ ছহিদ ভৱন, বঢ়মপুৰ ছহিদ উদ্যানৰ ৰাজহুৱা ভৱন, বঢ়মপুৰ গাঁও পঞ্চায়ত কাৰ্য্যালয়, বঢ়মপুৰ পশুধন পামৰ খেলপথাৰ আদি শিবিৰত আশ্ৰয় গ্ৰহণ কৰি আছে। প্ৰথমাৱস্থাত চৰকাৰীভাৱে এই বানাক্ৰান্তসকলক কোনোধৰণৰ সাহায্য দিয়া হোৱা নাছিল যদিও পঞ্চায়তটোৰ সভাপতি প্ৰমুখ্যে পঞ্চায়তৰ ৱাৰ্ড সদস্যসকলৰ সহযোগত খাদ্য-সামগ্ৰীকে ধৰি কিছু সামগ্ৰী প্ৰদান কৰিছিল। পিছলৈ বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষেও কিছু কিছু পৰিমানে সহায়ৰ হাত আগবঢ়াই আহিছে। বিগত কিছুদিনৰ পৰা চৰকাৰীভাৱেও বান সাহায্য প্ৰদান কৰা হৈছে বানাক্ৰান্তসকলক। শেহতীয়াকৈ উল্লিখিত শিবিৰসমূহত আশ্ৰয় লৈ থকা বানাক্ৰান্ত ৰাইজৰ পশুধনৰ বাবেও খাদ্য-সামগ্ৰী যোগান ধৰা হৈছে।

## লাখেৰাজ জনজাতি হাইস্কুলৰ ভৱনৰ দ্বাৰ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ৩০ জুন ঃ** দেৰগাঁৱৰ সমীপৱৰ্তী বৰমুকলিস্থ লাখেৰাজ জনজাতি হাইস্কুলৰ নৱ নিৰ্মিত ভৱনটিৰ আজি দ্বাৰ উন্মোচন কৰা হয়। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৩৩নং যোৰহাট পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য পুৰুষোত্তম দলেই আগবঢ়োৱা ২৫লাখ টকাৰ অনুদানেৰে নিৰ্মাণ কৰি উলিওৱা ভৱনটিৰ দ্বাৰ উন্মোচন কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াই। এই উপলক্ষে আয়োজিত মুকলি সভাত কাৰ্যবাহী সদস্য পুৰুষোত্তম দলে, গৰুমৰা হাইস্কুলৰ প্ৰধান শিক্ষক দেৱজিৎ পাত্ৰ, এম এম কে নেতা হৰেন ৰিচং, টি এম পি কেৰ যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰফুল্ল মিচিংকে ধৰি মিচিং জাতীয় সংগঠনৰ ভাতৃ সংগঠন সমূহৰ নেতাসকল, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু শিক্ষকসকল উপস্থিত থাকে। বিদ্যালয়ৰ হৈ প্ৰধান শিক্ষক ৰাতুল বৰাই মিচিং স্বায়ত্তশাসিত পৰিষদৰ এই আটকধুনীয়া বিদ্যালয় গৃহটি উপহাৰ দিয়াৰ বাবে পৰিষদৰ লগত বিশেষভাৱে কাৰ্যবাহী সদস্য পুৰুষোত্তম দলেক কৃতজ্ঞতা জ্ঞাপন কৰে।



## কলাইগাঁও উঃ মাঃ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধিত্বমূলক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলাইগাঁও, ৩০ জুন ঃ** কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইতিপূৰ্বে অধ্যয়ন জীৱন সমাপ্ত কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসমূহক একত্ৰিকৰন কৰি এক কৰি ৰখাৰ প্ৰয়াসেৰে গঠন হোৱা কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ একত্ৰিকৰণ মঞ্চই ইতিমধ্যে তেওঁলোকৰ প্ৰথমখন প্ৰতিনিধিত্বমূলক সভাৰ আহ্বান কৰিছে। এই সভাৰ জৰিয়তে মঞ্চই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসমূহক ঐক্যবদ্ধ কৰি সাংগঠনিক আৰু সাংবিধানিক নীতিৰ মাজেৰে বিভিন্ন উন্নয়নমূলক কাম-কাজ হাতত লোৱাৰ লগতে বিদ্যালয়খনৰ আন্তঃগাথঁনি, শৈক্ষিক আৰু সাংস্কৃতিক দিনটোৰ উত্তৰণত বিশেষ গুৰুত্ব দিব। প্ৰতিনিধিত্বমূলক সভা ১৭ জুলাইত কলাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব। বৃহস্পতিবাৰে বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত চহৰীয়াৰ সৈতে আহ্বায়ক সমিতিৰ সদস্যসকল আলোচনাত মিলিত হয়। এই আলোচনাত অধ্যক্ষই মঞ্চৰ বিষয়ববীয়াসকলৰ সৈতে প্ৰতিনিধিত্বমূলক সভাৰ বিভিন্ন দিশ বিশদভাৱে আলোচনা কৰে। সভাত প্ৰতিনিধিয়ে অংশগ্ৰহণৰ বাবে অনুষ্ঠানৰ পূৰ্বে পঞ্জীয়ন কৰাতো বাধ্যতামূলক। পঞ্জীয়নৰ বাবে ইতিমধ্যে আহ্বায়ক সমিতিয়ে যোগাযোগ নম্বৰ মুকলি কৰিছে। যোগাযোগ নম্বৰ হ'ল ৭০০২৩৬৩১৮২।

## কমিউনিটী নাৰ্চাৰী শীৰ্ষক অভিলাসী আঁচনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩০ জুন ঃ** ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্থ লাখ লাখ কৃষকক সকাহ দিয়াৰ উদ্দেশ্য অসম চৰকাৰৰ কৃষি বিভাগে গ্ৰহণ কৰিছে কমিউনীতি নাৰ্চাৰী শীৰ্ষক এক অভিলাষী আঁচনি। আঁচনিখনৰ জৰিয়তে বানত ক্ষতিগ্ৰস্থ কৃষকলৈ উন্নত প্ৰজাতিৰ বিনামুলীয়া কঠিয়া আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। ধুবুৰী জিলা কৃষি বিভাগেও বানত ক্ষতিগ্ৰস্থ কৃষকক সকাহ দিয়াৰ উদ্দেশ্য বিনামুলীয়া কঠীয়া যোগানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইতিমধ্যে জিলাখনৰ বিলাসীপাৰা আৰু ধুবুৰী মহকুমাত বানত ক্ষতিগ্ৰস্থ কৃষকৰ বাবে নিৰ্বাচিত ৯০ হেক্টৰ ভূমিত ৪৫০ কুইণ্টল (বাহাদুৰ চাব-১ আৰু বিনাধান-১০) উন্নত প্ৰজাতিৰ বিনামুলীয়া কৈ দিবৰ বাবে কঠিয়া ৰোপণৰ ব্যৱস্থা কৰা হৈছে। প্ৰায় ৬,৭৫০ বিঘা ভূমিত সেই কঠিয়া ৰোপণ কৰি জিলাখনৰ প্ৰায় ২,৩০০ গৰাকীৰো অধিক বানত আক্ৰান্ত কৃষক লাভান্বিত হ'ব। ইতিমধ্যে ২৪ জুনৰ পৰা নিৰ্বাচিত কৃষি চক্ৰত বীজ ৰোপণৰ প্ৰক্ৰিয়া জিলা কৃষি বিভাগে আৰম্ভ কৰিছে। আঁচনি খনৰ জৰিয়তে বানত ক্ষতিগ্ৰস্থ কৃষকক কঠীয়া লাভ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰে যোগাযোগ কৰিবলৈ ধুবুৰী জিলা কৃষি বিষয়া মৃগেন স্বৰ্গীয়াৰী দেৱে এক বিবৃতি যোগে আহ্বান জনাইছে।

## অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান জীৱিকা সখী-বৃষ্টি মণ্ডুলৰ বান সাহায্য প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩০ জুন ঃ** বান বিধ্বস্ত দৰঙৰ থেকেৰাবাৰী, ৰঙামাটিৰ কিছুসংখ্যক বন্যাৰ্তৰ মাজত চাবোন, বিলিচিন পাউদাৰ, চাপৰ, ফেনাইল, ধূপ, ম'ম, চাউল, দালি, আলু, বিস্কুট পানী বটল, মহিলা সকলৰ প্ৰয়োজনীয় সামগ্ৰীকে ধৰি কেতবোৰ অত্যাৰশ্যকীয় সামগ্ৰী বিতৰণ কৰে কলাইগাঁৱৰ অসম ৰাজ্যিক গ্ৰামীণ জীবিকা অভিযান জীবিকা সখী আৰু বৃষ্টি মণ্ডল সংগঠনৰ দলটিয়ে। বানসাহায্যকাৰী দলটিয়ে দুটা ভাগত বিভক্ত হৈ সাহায্যখিনি প্ৰদান কৰে বানক্ৰান্ত লোকসকলক। বান সাহায্য দলটোত উপস্থিত থাকে কলাইগাঁও ব্লকৰ খণ্ড সমন্বয়ক সঞ্জীৱ গোস্বামী, জীৱিকা সখী পূৰ্ণিমা নাথ,পৰ্বতী ডেকা, ৰুনু নাথ, মিনাক্ষী বৰুৱা, মিনাক্ষী কাকতী, মণ্ডল সংগঠনৰ উপ-সভানেত্ৰী দিপ্তী ডেকা, সম্পাদিকা স্বৰস্বতী ডেকাৰ লগতে সদস্যাসকল উপস্থিত হৈ লোকসকলক সাহায্যখিনি প্ৰদান কৰে।

## কাইলৈ শপতগ্ৰহণ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩০ জুন ঃ** অসমৰ অন্যতম জাতীয় সংগঠন বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিখনৰ তৃতীয় সংখ্যক বাৰ্ষিক অধিৱেশনখনি ১৯ জুনত নাজিৰা এম চি ক্লাবত অনুষ্ঠিত হৈ গৈছিল। উক্ত অধিৱেশনতেই শিৱসাগৰ জিলাখনৰ অন্তৰ্গত আঞ্চলিক সমিতিসমূহৰ প্ৰতিনিধিসকলৰ উপস্থিতিত বিষয়-বাচনি সভাত সকলোৱে সৰ্বসন্মতিক্ৰমে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিখন আগন্তুক তিনি বছৰৰ বাবে নতুনকৈ গঠন কৰা হৈছিল। শিৱসাগৰ সমাজ জীৱনৰ সৈতে একত্ৰ হৈ ৰাজহুৱা স্বাৰ্থত মাত মাতি অহা সংগঠনটোৰ নৱ নিৰ্বাচিত জিলা সমিতিখনৰ ২ জুলাইত শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। দিনৰ ১০-৩০ বজাত শিৱসাগৰ নগৰৰ ছোৱালী কলেজৰ কাষৰ মাৰ্কেট কমপ্লেক্সৰ ওপৰ মহলাত অনুষ্ঠিত হ'বলগীয়া এই শপত গ্ৰহণ অনুষ্ঠানৰ লগত সংগতি ৰাখি কীৰ্তি ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা জনোৱা এক কাৰ্যসূচী সংগঠনটোৰ তৰফৰ পৰা হাতত লোৱা হৈছে।

## গোপাল জালানৰ গ্ৰন্থ 'ইতিবাচক' উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** অগ্ৰদূত ভৱনৰ সভাকক্ষত আজি বিশাল প্ৰকাশনৰ পৰা প্ৰকাশিত গোপাল জালানৰ দশমখন গ্ৰন্থ 'ইতিবাচক' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, সাংবাদিক কনকসেন ডেকাই। গ্ৰন্থ উন্মোচন কৰি শ্ৰীডেকাই কয় যে গোপাল জালানে অসমীয়া ভাষা-সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াই আহিছে। জালানৰ লিখনিসমূহ চুটি আৰু সহজ-সৰল ভাষাত লিখা বাবে সকলোধৰণৰ পঢ়ুৱৈ আঁকোৱালি ল'ব পাৰে। ইতিবাচক গ্ৰন্থখনত যিবোৰ বিষয় বিশ্লেষণ কৰা হৈছে প্ৰতিটো প্ৰবন্ধ সাম্প্ৰতিক সমাজত বহলভাৱে প্ৰচাৰ হৈ থকা ঘটনাৰাজিৰ ওপৰত সামাজিক, শৈক্ষিক, ৰাজনৈতিক, ন্যায়িক আদিৰ ওপৰত সুন্দৰভাৱে উপস্থাপন কৰিছে। গ্ৰন্থখনত ৰাজ্যৰ উপৰিও সৰ্বভাৰতীয় বিষয়সমূহো উপস্থাপন কৰি প্ৰতিটো প্ৰবন্ধৰে একোটা উদ্দেশ্য নিহিত হৈ আছে। অনাগত দিনত গোপাল জালানৰ কলম অক্ষুন্ন থাকক বুলি কনকসেন ডেকাই আশা প্ৰকাশ কৰে। গ্ৰন্থখনৰ প্ৰকাশক ব্ৰজেন্দ্ৰ নাথ ডেকাই আঁতধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° দয়ানন্দ পাঠক উপস্থিত থাকি গোপাল জালানৰ লিখনিসমূহ চিনাকি বিষয়। সমালোচনা বিদ্ৰোহ আদিৰ উৰ্দ্ধত থাকি ইতিবাচক চিন্তাৰে চৰকাৰ বা ৰাইজে কি ধৰণে ইতিবাচক চিন্তাৰে আগবাঢ়িব পাৰি লিখনি সমূহত তাৰে বহিঃপ্ৰকাশ ঘটিছে। বৰ্তমান সমাজখনত নেতিবাচক চিন্তাবোৰ পৰিত্যাগ কৰি ইতিবাচক চিন্তাৰে আগবাঢ়িলৈ সকলোৱে মঙ্গল। সভাত লেখক গোপাল জালানে ইতিবাচক গ্ৰন্থখন পঢ়ুৱৈ ৰাইজে আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰে

# গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰতিবাদ সাব্যস্ত

■ স্নাতক ষষ্ঠ যাণ্মাসিকৰ পৰীক্ষা বিকল্প পদ্ধতিৰে অনুষ্ঠিত কৰাৰ দাবী

■ উপাচাৰ্যক স্মাৰক-পত্ৰ প্ৰদান বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** ৰাজ্যৰ ভিন্ন স্থানত বানপানী হ্ৰাস পাইছে যদিও কিছুমান ঠাই বিশেষে অব্যাহত আছে বানপানীৰ বিভীষিকা। বিশেষকৈ উজনি-নামনিৰ বহু গাঁও এতিয়াও পানীৰ তলত আছে। হাজাৰ হাজাৰ লোকে থকা, খোৱাৰ সমস্যাৰ মাজত ককবকাই আছে যদিও ইয়াৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ৪ জুলাইৰ পৰা স্নাতক ষষ্ঠ যাণ্মাসিকৰ পৰীক্ষা সূচী ঘোষণা কৰিছে। বানপানীৰ মাজত ককবকাই থকা শ-শ শিক্ষাৰ্থীয়ে ৪ জুলাইৰ পৰা অনুষ্ঠিতব্য পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব নে নোৱাৰে সেয়া এতিয়াও অনিশ্চয়তাৰ গৰাহত। শ শ শিক্ষাৰ্থীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক এই সন্দৰ্ভত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰৰ জৰিয়তে ছাত্ৰী-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি ৪ জুলাইত অনুষ্ঠিত হ'বলগীয়া ষষ্ঠ যান্নাসিকৰ পৰীক্ষা লিখিতভাৱে আনুষ্ঠিত নকৰি অনলাইন ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। কাৰণ লিখিতভাৱে পৰীক্ষা অনুষ্ঠিত কৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ ভীষণ সমস্যাৰ সৃষ্টি হ'ব। কিয়নো বৰ্তমান কিছু সংখ্যক মহাবিদ্যালয় তথা শিক্ষাৰ্থীৰ ঘৰ পানীৰ তলত আছে। তেনে অৱস্থাত যথেষ্ট সংখ্যক শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব। সেয়ে বিষয়টো বিবেচনা কৰিবলৈ আজি নগাঁও ছোৱালী কলেজ (নগাঁও), মাধৱ চৌধুৰী মহাবিদ্যালয় (বৰপেটা), মৰিগাঁও মহাবিদ্যালয় (মৰিগাঁও), পণ্ডিত দিন দয়াল উপাধ্যয় আদৰ্শ মহাবিদ্যালয় (দৰং), ছয়দুৱাৰ মহাবিদ্যালয় (গহপুৰ, বিশ্বনাথ), বি পি চলিহা মহাবিদ্যালয় (নগৰবেৰা), পুব কামৰূপ মহাবিদ্যালয় (বাইহাটা চাৰিআলী) আদিৰ লগতে বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক সাক্ষাৎ কৰি ৪ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া ষষ্ঠ যাণ্মাসিক পৰীক্ষা বাতিল নকৰিবলৈ আহ্বান জনোৱাৰ লগতে 'ইণ্টাৰনেল এছাইনমেণ্ট' আৰু পূৰ্বৰ পৰীক্ষাৰ ভিত্তিত নম্বৰ প্ৰদান কৰি স্পৰ্ষকাতৰ বিষয়টোৰ সন্দৰ্ভত ফলপ্ৰসূ ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

# স্থানপ্ৰাপ্ত দৰঙৰ দুগৰাকী কীৰ্তিমানক সম্বৰ্ধনা দৰং গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩০ জুন ঃ** সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ এটা সঁজাতি দলে বুধবাৰে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দৰং জিলালৈ সুনাম কঢ়িয়াই অনা ছিপাঝাৰ ট্ৰিনিটি জিনিয়ৰ কলেজৰ বিজ্ঞান শাখাত অসমৰে ভিতৰত প্ৰথম স্থান লাভ কৰা ধৃতিৰাজ বাস্তৱ কলিতা আৰু কলা শাখাত ৮ম স্থান লাভ কৰা দিক্ষীতা চহৰীয়াৰ বাসগৃহলৈ গৈ জাতীয় গামোচা আৰু অভিনন্দন পত্ৰেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ, জিলা কাৰ্যকৰী সভাপতি আবু আয়ুব আনছাৰী আৰু জিলা সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটিয়ে সুকীয়া সুকীয়াকৈ দুয়োগৰাকী কীৰ্তিমানৰ বাসগৃহলৈ গৈ পিতৃ-মাতৃ সমন্বিতে পৰিয়ালৰ অইন অইন সদস্য, ওচৰ-চুবুৰীয়া আৰু শুভাকাংশীৰ উপস্থিতিত দুয়োকে আন্তৰিক অভিনন্দন আৰু সম্বৰ্ধনা জনায়। সঁজাতি দলত জিলা উপসভাপতি মইনুল হক শইকীয়া, মিছবাহুল হুদা, জিলা সমিতিৰ আইন কোষৰ আহবায়ক হাফিজুল হক, বৰমপুৰ আঞ্চলিকৰ সভাপতি তৰাজুল হক অংশগ্ৰহণ কৰাৰ উপৰিও সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়াই কাৰ্যসূচী ৰূপায়ণত দলটিক সৌজন্যমূলক সংগ দিয়ে। ইপিনে চিলভাৰ ষ্টাৰ ইংলিছ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰৰে ডিষ্টিংচন লাভ কৰা ডানিছা আহমেদ, ডেকাৰগাঁও হাইস্কুলৰ ডিষ্টিংচন পোৱা নাইমা নাজমিন, চিলভাৰ ষ্টাৰ ইংলিছ স্কুলৰ পৰা ষ্টাৰ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা চাইমা চিৰিন, সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ লাভ কৰা মাচুম নাহিদ শইকীয়াকো জিলালৈ গৌৰৱ কঢ়িয়াই অনাৰ শুভক্ষণত জিলাৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰা হয়। সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ, দৰং জিলা সমিতিৰ সভাপতি আমানুল্লা পাছ, কাৰ্যকৰী সভাপতি বাবুল মকচেদ, জিলা উপ-সভাপতি মইনুল হক শইকীয়া, দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, কেন্দ্ৰীয় জনগোষ্ঠীয় সম্পাদক ৰচিদ আহমেদ, জিলা সাংস্কৃতিক সম্পাদক আব্দুল ৰৌফ আহমেদ, মঙলদৈ নগৰ সমিতিৰ মীৰ চাহিল ইৰফান, দলগাও আঞ্চলিকৰ সভাপতি খবিৰুদ্দিন আহমেদ, সম্পাদক চাখিৰ ইমদাদ, ৰাজিবুৰ ৰহমান, ৰামহৰি আঞ্চলিকৰ সভাপতি দিলোৱাৰ হুছেইন, বাচেদ আলি তেওঁলোকৰ গৃহলৈ গৈ সম্বৰ্ধনা দিয়াৰ উপৰিও অনাগত দিনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।






*বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ প্ৰতিবাদত সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ প্ৰতিবাদ*

# ৰঙাইগাঁৱত বানৰ বুজ ল'লে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাইগাঁও, ৩০ জুন ঃ** অসম চৰকাৰৰ পক্ষত, গ্ৰামোন্নয়ন তথা যোগান, সাধাৰণ প্ৰশাসন, আইন আৰু ন্যায় বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰঙাইগাঁও জিলাত যোৱা দুসপ্তাহ ধৰি হোৱা প্ৰথমটো বানত জিলাখনৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ নিমিত্তে বুধবাৰে জিলাখনত উপস্থিত হৈ পৰ্যালোচনা কৰে। উল্লেখ্য যে বাৰিষাৰ প্ৰথম ঢৌতে বানাক্ৰান্ত হয় ৰঙাইগাঁও জিলাৰ বহু গাঁও। একেধাৰে কেইবাদিন ধৰি হোৱা বৰষুণ আৰু ভুটানৰ কুৰিছু বান্ধৰ পৰা এৰি দিয়া পানীৰ বাবে আই আৰু মানাহ নদীৰ জলপৃষ্ঠ ওফন্দি উঠি বানৰ কবলত পৰে ৰঙাইগাঁও জিলাৰ ৩৫০তকৈ অধিক ৰাজহ গাঁও। ফলত বানত আক্ৰান্ত হয় গাঁওসমূহৰ লোকসকল। তাৰ পিছতে ২১ জুনত মন্ত্ৰী দাসে জিলাখনৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিছিল। ইয়াৰ পিছতে বুধবাৰে ৰঙাইগাঁও জিলাৰো অভিভাৱক মন্ত্ৰী দাসে ৰঙাইগাঁও জিলাত পুনৰ উপস্থিত হৈ বানপানীত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ অৰ্থে উপায়ুক্তৰ সভাকক্ষত বিষয়াসকলৰ লগত এক পৰ্যালোচনা সভাত মিলিত হয়। উপায়ুক্ত নৱদীপ পাঠক, জিলা পৰিষদৰ অধ্যক্ষ বিজয় সিংহ, ৰঙাইগাঁও পৌৰ সভাৰ অধ্যক্ষ সুবোধ চন্দ্ৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, আৰক্ষী অধীক্ষক, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকল, খণ্ড উন্নয়ন বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত পৰ্যালোচনা সভাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বিভাগীয় ক্ষয়-ক্ষতিৰ বুজ লয়। উপায়ুক্ত নৱদীপ পাঠকে মন্ত্ৰী দাসৰ সন্মুখত জিলাখনৰ বানত হোৱা ক্ষয়-ক্ষতিৰ এক চমু আভাস দাঙি ধৰে আৰু বানপানীৰ সময়ত জিলা প্ৰশাসন, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, জলসম্পদ বিভাগ, অগ্নি আৰু আপৎকালীন সেৱা, এন ডি আৰ এফ, এছ ডি আৰ এফ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বাস্থ্য বিভাগ, লোক নিৰ্মাণ, পশুপালন আদি বিভাগে কেনেদৰে বানাক্ৰান্তক উদ্ধাৰ কৰিলে, কেনেদৰে আশ্ৰয় শিবিৰত ৰাখিলে, সাহায্য শিবিৰৰ ব্যৱস্থা কৰিলে আৰু ৰিলিফ সামগ্ৰী দিলে, মথাউৰি ভাঙি নোযোৱাৰ ব্যৱস্থা কৰিলে, বানাক্ৰান্তক বিশুদ্ধ খোৱাপানী আৰু অনাময় ব্যৱস্থা কৰিলে, জীৱ-জন্তুবিলাকক বানৰ কবলৰ পৰা উদ্ধাৰ কৰি পশুখাদ্য যোগান ধৰিলে, শিশু-গৰ্ভৱতী মহিলা আৰু মাতৃদুগ্ধ পান কৰি থকা শিশু থকা মহিলাৰ বিশেষ যত্ন ল'লে সেই আটাইবোৰ সম্পৰ্কত মন্ত্ৰী দাসক উপায়ুক্তগৰাকীয়ে অৱগত কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জিলাখনত বানৰ সময়ত জিলা প্ৰশাসন তথা আন আন বিভাগবিলাকে কৰা কামবোৰত সন্তুষ্টি প্ৰকাশ কৰে আৰু ধন্যবাদ জনায়। তেওঁ কৃষি বিভাগৰ বিষয়াক কয় যে কোনো কাৰণতে কৃষকসকলে শালিধানৰ কঠীয়াৰ অভাৱ পাব নালাগে। লাগিলে কৃষি বিভাগে জিলাখনত যি ৭০ হেক্টৰ কৃষিভূমিত কঠীয়াৰ কমিউনিটী নাৰ্চাৰীৰ ব্যৱস্থা কৰাৰ কথা কৈছে তাতকৈ বেছিকৈয়ে কৰক বুলি মন্ত্ৰীগৰাকীয়ে কয়। কৃষকসকলেই দেশৰ উন্নতিৰ মূল বুলি মন্ত্ৰীগৰাকীয়ে দোহাৰে। স্বাস্থ্য বিভাগে বানপানীৰ পিছত অনুষ্ঠিত কৰিবলগীয়া মেগা স্বাস্থ্য শিবিৰৰ বিষয়ে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে জানিবলৈ দি কয় যে প্ৰতিটো উন্নয়ন খণ্ডতে অন্ততঃ তিনিটাকৈ মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হ'ব। সেইদৰে পশুপালন বিভাগে জনায় যে পশুধনৰ বাবে বৰ্তমানেও শিবিৰ অনুষ্ঠিত কৰি থকা হৈছে আৰু বানপানীৰ বতৰ শেষ হোৱাৰ সময়তো শিবিৰ পতা হ'ব।

# তামুলপুৰৰ গান্ধীবাৰীত কীৰ্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩০ জুন ঃ** অলপতে ঘোষণা হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত পূৰ্বৰ এশ শতাংশ উত্তীৰ্ণৰ গৌৰৱৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা তামুলপুৰ জিলাৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন, গান্ধীবাৰী। বিগত বহু কেইটা বছৰ একেৰাহে এশ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱৰ ধাৰা বহণ কৰিবলৈ সক্ষম হোৱা বিদ্যালয়খনে মঙ্গলবাৰে বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্যেশ্যে আয়োজন কৰে এক বিশেষ সম্বৰ্ধনা সভাৰ। সভাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে অনুষ্ঠিত সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে গান্ধীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী কীৰ্তি শিক্ষক ৰজনী বড়োই। দুপৰীয়া অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ফণীধৰ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত বিদ্যালয় খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ ২০গৰাকী কীৰ্তি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি বিদ্যালয় পৰিচালনা সমিতি আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দক্ষিণ ডেফেলী আঞ্চলিক সমিতিৰ তৰফৰ পৰা আচাৰ্য-আচাৰ্যাসকলকো একোখনকৈ ফুলাম গামোচাৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰধানাচাৰ্য মনেশ্বৰ কলিতাই আঁত ধৰা সম্বৰ্ধনা সভাখনত পঞ্চতীৰ্থ শিশু নিকেতন, হাজোৰ আচাৰ্য গৌতম দাসে মুখ্য অতিথি আৰু গান্ধীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ বিষয় শিক্ষক শচীন্দ্ৰ কুমাৰ বৰুৱাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাৰুৱা ভাষণ আগবঢ়ায়। বহু সংখ্যক অভিভাৱকো উপস্থিত থকা সভাত বৰষা কলিতাই ৰাভা সংগীত আৰু গৌৰৱ কাকতিয়ে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি সম্বৰ্ধনা সভাখনক অনন্য মাত্ৰা প্ৰদান কৰে।

# ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদানেৰে ডিব্ৰুগড়ত সমাপ্ত হ'ল হৰ ঘৰ দস্তক ২.০

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩০ জুন ঃ** সমগ্ৰ অসমৰ লগতে ডিব্ৰুগড় জিলাত যোৱা ৬ এপ্ৰিলৰ পৰা ১০০ শতাংশ ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰাৰ লক্ষ্যৰে আৰম্ভ হোৱা 'হৰ ঘৰ দস্তক ২.০'ৰ ২৭ জুনত সমাপ্ত হয়। উল্লেখ্য যে এই অভিযানৰ সময়ত ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে প্ৰতিষেধক কেন্দ্ৰ, বিদ্যালয়ৰ লগতে মানুহৰ ঘৰে ঘৰে গৈ এই অভিযানৰ জৰিয়তে বিনামূলীয়াকৈ ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰে। জিলা টিকাকৰণ বিষয়া ডাক্তৰ বিশ্বজিত বৰুৱাই জানিবলৈ দিয়া অনুসৰি এই অভিযানৰ সময়ত জিলাখনৰ ৭৬,৩৪৫গৰাকী লোকক ক'ভিড-১৯ৰ প্ৰতিষেধক পালি প্ৰদান কৰা হয়। উল্লেখ্য যে সমগ্ৰ অসমৰ ভিতৰতে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে হৰ ঘৰ দস্তক ২.০ সময়ত সৰ্বাধিক ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰে। ইয়াৰে ভিতৰত ১৮ ঊৰ্ধ্বৰ ২,৬২৮ প্ৰথম পালি, ২০,০৩০জন লোকক দ্বিতীয় পালি আৰু ১৯,৯৭৬ ব্যক্তিক সতৰ্কতা ক'ভিড-১৯ৰ প্ৰতিষেধক পালি প্ৰদান কৰা হয়। তদুপৰি ১৫ পৰা ১৮ বছৰ বয়সৰ ভিতৰত ৬,৫৭২ গৰাকীক প্ৰথম, ৩,৬৯৭গৰাকীক দ্বিতীয় পালি ক'ভিড-১৯ৰ প্ৰতিষেধক পালিৰ লগতে ১২ৰ পৰা ১৫ বছৰৰ ভিতৰত ১৩,৯৩৬গৰাকীক প্ৰথম আৰু ৯,৫০৬গৰাকীক দ্বিতীয় পালি ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কৰা হয়। উল্লেখ্য যে ১২ বছৰ ঊৰ্ধ্বৰ প্ৰতিগৰাকী ব্যক্তিক ক'ভিড-১৯ৰ প্ৰথম আৰু দ্বিতীয় পালি বৰ্তমান সময়ত বিনামূলীয়াকৈ প্ৰদান কৰা হৈ আছে। সতৰ্কতাসূচক ক'ভিড-১৯ৰ প্ৰতিষেধক স্বাস্থ্যকৰ্মী, আগশাৰীৰ কৰ্মী আৰু ৬০ ঊৰ্ধ্বৰ ব্যক্তিসকলে বিনামূলীয়াকৈ লাভ কৰিব আৰু অন্য শাখাৰ ব্যক্তিসকলৰ সতৰ্কতাসূচক ক'ভিড-১৯ৰ প্ৰতিষেধক অৰ্থাৎ ৩য় পালি ক'ভেক্সিন আৰু ক'ভিশ্বিল্ড ব্যক্তিগত চিকিৎসালয়ত চৰকাৰী নিৰ্দেশনা অনুসৰি নিৰ্দিষ্ট কৰা মূল্যত ল'ব পাৰিব। ডিব্ৰুগড় জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাক্তৰ ৰাজীৱ কুমাৰ বৰুৱাই ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান অভিযান আগন্তুক দিনত অব্যস্ত থাকিব বুলি জনাই সকলো ৰাইজক ক'ভিড-১৯ৰ বিৰোধী এই যুদ্ধত ক'ভিড-১৯ৰ প্ৰতিষেধক গ্ৰহণ কৰি যুদ্ধৰ অংশীদাৰ হৈ ক'ভিড-১৯ক সকলোৰে মিলি পৰাজিত কৰিবলৈ আহ্বান জনায়।

# নিৰুদ্দেশ হোৱা জেচিঅ' অৰুণাচল প্ৰদেশৰ বাবে MAS SIVE SEARCH OP ERATIONS চলি আছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩০ জুন ঃ** ২৬ জুনত প্ৰায় ১৪০০ ঘণ্টাত অৰুণাচল প্ৰদেশৰ দুৰ্গম নিম্ন সোৱণশিৰি জিলাৰ আগৰ অঞ্চলত অভিযান চলাই ৰেড শ্বিল্ড সংমণ্ডলৰ নৈশ চুবেদাৰ অমৰেন্দ্ৰ কুমাৰে পিছলি গৈ ভুলবশতঃ এটা দ্ৰুতবেগে বৈ যোৱা পাহাৰীয়া ধাৰাত পৰি যায়। ধাৰাটোৰ কাষৰ অঞ্চলটোত অনুসন্ধানকাৰী দলসমূহে তাৎক্ষণিকভাৱে অনুসন্ধান আৰম্ভ কৰে। ইয়াৰ পিছতে বৃহৎসংখ্যক অনুসন্ধানকাৰী দলে আৰম্ভ কৰে অনুসন্ধান আৰু অনুসন্ধানৰ পৰিসৰ বৃদ্ধি কৰি পাহাৰীয়া ধাৰাটোৰ তলৰ ফালে প্ৰবাহকো সামৰি লোৱা হৈছে। স্থানীয় গাঁওবাসী আৰু অসামৰিক প্ৰশাসনৰো সহায় লোৱা হৈছে আৰু জেচিঅ'ৰ স্থান নিৰ্ণয়ৰ প্ৰচেষ্টাত তেওঁলোকক অন্তৰ্ভুক্ত কৰা হৈছে। অত্যন্ত ঠেক ভূখণ্ড, অশুভ বতৰ আৰু অবিৰত বৰষুণে অগ্ৰগতি অতি লেহেমীয়া কৰি তুলিছে যদিও ব্যাপক অনুসন্ধান অভিযান অবিৰতভাৱে অব্যাহত আছে। প্ৰতিকূল জলবায়ু সত্বেও নিৰুদ্দেশ হোৱা জেচিঅ'ৰ স্থান নিৰ্ণয়ৰ বাবে সকলো উপলব্ধ সম্পদ নিয়োগ কৰি অল আউট প্ৰচেষ্টা চলোৱা হৈছে।

# টংলাত বানবিধ্বস্ত অঞ্চলত সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ৩০ জুন ঃ** বান বিভীষিকাই সৰ্বস্বান্ত কৰা দৰং জিলাৰ ৰঙামাটি, কেওঁটপাৰা, থেকেৰাবাৰী অঞ্চলৰ বানাক্ৰান্ত লোকসকল বৰ্তমানেও আশ্ৰয় শিৱিৰত পশুধনৰ স'তে একেলগে সহাৱস্থান কৰি থাকিবলগীয়া হোৱাটো অতিশয় দুখজনক। দুৰ্ভগীয়া সেইসকল বানাক্ৰান্ত লোকৰ আটোমটোকাৰিকৈ বন্ধা আপোন ঘৰখন আজিও পানীৰ তলত। অতি দুখ লগা পৰিৱেশত যন্ত্ৰণাত ভুগি তেওঁলোকে জীৱন নিয়াইছে। কালান্তক বানে জনজীৱন বিপৰ্যস্ত কৰি আশ্ৰয় শিবিৰত থাকিবলগীয়া বানাক্ৰান্তক ২৬ জুনত টংলা আঞ্চলিক ছাত্ৰ সন্থা আৰু ইউনিটি উই দ্যা ব্লাড ড'নাৰৰ যৌথ উদ্যোগত লগতে টংলাবাসী ৰাইজৰ সহযোগত কিছু সাহায্য সামগ্ৰী বিতৰণৰ যোগেদি সহায়ৰ হাত আগ বঢ়ায়। উক্ত সাহায্য অভিযানত সহযোগ আগবঢ়োৱা দৰং জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে দুয়োটা সংগঠনে। বিপৰ্যয়ৰ সময়ত আৰ্তজনৰ ওচৰত থিয় দিবলৈ সদাশয় ৰাইজক অনুৰোধ জনায়।

# চেলেংহাটৰ ৰণখামত অসম-নাগালেণ্ড সীমাত উত্তেজনা- উপায়ুক্তৰ হস্তক্ষেপৰ দাবী আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩০ জুন ঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী ৰণখাম অঞ্চলৰ তিৰু হিল্‌ছ বনাঞ্চলত নগাই অবৈধভাৱে দখল কৰা গাঁও যোৰহাট জিলা প্ৰশাসনে উচ্ছেদ চলোৱাৰ প্ৰতিশোধস্বৰূপে নগা দুৰ্বৃত্তই অসমৰ ভূমিত প্ৰৱেশ কৰি ৰণখাম গাঁৱৰ বিক্ৰম গগৈ, বুধেশ্বৰ গগৈ, পলাশ গগৈ, বদন গগৈকে ধৰি চাৰিগৰাকী ক্ষুদ্ৰ চাহ খেতিয়কৰ ম্যাদী পট্টাৰ মাটিত থকা চাহ গছ, তামোল গছ সম্পূৰ্ণৰূপে কাটি তহিলং কৰে। ইয়াতেই ক্ষান্ত নাথাকি পুনৰ ফোনযোগে নগাই অসমৰ মানুহক ভাবুকি প্ৰদান কৰে। ইয়াৰ ফলত সীমান্তৱৰ্তী ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৰ্জুনমণি ভূএঞা, উপ-সভাপতি পৰীক্ষিত ফুকন আৰু চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুবিৰাজ নেওগৰ নেতৃত্বত যোৱা এটা সঁজাতি দলে যোৰহাট জিলাৰ উপায়ুক্তৰ লগত আলোচনাত মিলিত হৈ শীঘ্ৰে সীমান্তবাসী ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিয়াৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপূৰণৰ লগতে সীমান্তৱৰ্তী অঞ্চলত টহলদাৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক দাবী জনায়। উক্ত আলোচনাত আটাছুৰ যোৰহাট জিলাৰ সভাপতি ৰাজীৱ গগৈ, সম্পাদক মণ্টু ফুকন আৰু ক্ষতিগ্ৰস্ত লোকসকল উপস্থিত থাকে।




*বান খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণাৰ দাবীত বিক্ষোভ প্ৰতিবাদ সাব্যস্ত সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ*

# শিৱসাগৰৰ যুৱ কংগ্ৰেছৰ নতুন সভাপতি মিথু বড়া

## *নতুন সভাপতি নিযুক্তিক লৈ যুৱ কংগ্ৰেছ কৰ্মীসকলৰ মাজত উল্লাস*

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ৩০ জুন ঃ** শিৱসাগৰ জিলা কংগ্ৰেছৰ নতুন সভাপতি হিচাপে মঞ্জিৰ গগৈক প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা নিযুক্তি দিয়াৰ পিছতে এইবাৰ শিৱসাগৰ জিলা যুৱ কংগ্ৰেছৰ সভাপতি হিচাপে প্ৰদেশ যুৱ কংগ্ৰেছৰ তৰফৰ পৰা উদীয়মান যুৱক তথা এটা সময়ত জাতীয় সংগঠনক নেতৃত্ব প্ৰদান কৰা মিথু বৰাক নিযুক্তি প্ৰদান কৰিছে। ৰফিক আলিৰ কাৰ্যকাল অন্ত পৰাত প্ৰদেশ যুৱ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক অংকুৰ দাসে তাৎক্ষণিক ভাৱে কাৰ্যকৰী হোৱাকৈ শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি হিচাপে মিথু বৰাক নিযুক্তি দিয়াত যুৱ কংগ্ৰেছ কৰ্মী সকলৰ মাজত উল্লাহ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। এই সন্দৰ্ভত শিৱসাগৰ জিলা যুৱ কংগ্ৰেছৰ নৱ নিৰ্বাচিত সভাপতি গৰাকীয়ে কয় যে তেওঁক জিলা যুৱ কংগ্ৰেছৰ সভাপতি হিচাপে নিযুক্তি দিয়াত যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰীনিবাস বি ভি, ৰাষ্ট্ৰীয় সম্পাদক অজয় চিকাৰা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী অংকিতা দও, সাধাৰণ সম্পাদক (প্ৰশাসনিক) আব্দুৰ ৰাজাক, সাধাৰণ সম্পাদক অংকুৰ দাসআৰু অসম প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰা, সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, বিধায়নী দলৰ দলপতি তথা নাজিৰা সমষ্টি বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰদেশ কংগ্ৰেছ জিলা সভাপতি মঞ্জিৰ গগৈকে আদি কৰি আমগুৰি আৰু গৌৰীসাগৰ ব্লক কংগ্ৰেছৰ সকলো বিষয়ববীয়াক ধন্যবাদ ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ লগতে সভাপতি গৰাকীয়ে কয় যে দলে তেওঁৰ ওপৰত যি গধুৰ দায়িত্ব অৰ্পণ কৰিছে সেইয়া অনাগত দিনবোৰত নিষ্ঠা, সততাৰে পালন কৰি যাব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# কমাৰগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগত প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** ২৫ জুনত কমাৰগাঁও মহাবিদ্যালয়ৰ আলোচনা গৃহত অসমীয়া বিভাগৰ এখনি 'প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন' অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে প্ৰাক্তন ছাত্ৰী তথা অসমীয়া বিভাগৰ অংশকালীন অধ্যাপক ভাৰতী হাজৰিকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° দীপশিখা কলিতাই। মুখ্য অতিথি হিচাপে সভাখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজুলী বৰচেতিয়া উপস্থিত থাকে। সভাখনিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় পৰ্বৰ লগতে প্ৰাক্তন শিক্ষাৰ্থীৰ হৈ প্ৰাঞ্জল ৰাজখোৱাই অভিনয় আৰু মৃদুস্মিতা ডেকাই গীত পৰিৱেশন কৰে। সম্প্ৰতি মেলমৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকৰূপে কৰ্মৰত বিভাগৰ প্ৰাক্তন ছাত্ৰ প্ৰতীম শইকীয়াই তেওঁ অধ্যয়নৰত হৈ থকা সময়ৰ অভিজ্ঞতা সোঁৱৰি এক সাৱলীল বক্তৃতা প্ৰদান কৰে। বিভাগৰ প্ৰাক্তন ছাত্ৰী তথা বৰ্তমান শিক্ষয়িত্ৰীৰূপে কৰ্মৰত ৰূপা বৰা বৰুৱাই গীত পৰিৱেশ কৰি মনৰ অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে বিভাগৰ বৰ্তমানৰ ছাত্ৰী ডলী দত্তই কবিতা আবৃত্তি, বিত্ৰাশ্ৰী হাজৰিকাই সত্ৰীয়া নৃত্য আৰু পৰী মৰাঙে মন্তব্য দাঙি ধৰে। বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইনু হাজৰিকাই তেখেতৰ শিক্ষকতা জীৱনৰ অভিজ্ঞতা স্মৰণ কৰি বিভাগৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। সভাপতি ভাৰতী হাজৰিকাই অসমীয়া বিভাগৰ ইতিহাস সম্পৰ্কে মন্তব্য আগবঢ়ায়। উক্ত সভাখনতে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ এখনি 'প্ৰাক্তন ছাত্ৰ মঞ্চ'ৰ গঠন কৰা হয়। এই মঞ্চখনৰ জৰিয়তে ভৱিষ্যতে এখনি আলোচনী প্ৰকাশ সিদ্ধান্ত লোৱা হয়। কমাৰগাঁও মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি গৌতম কুমাৰ শইকীয়া, সমাজতত্ত্ব বিভাগৰ মুৰব্বী নিতুল কুমাৰ বৰা, বুৰঞ্জী বিভাগৰ মুৰব্বী প্ৰভাৰাণী দাস, অসমীয়া বিভাগৰ অধ্যাপক পাৰুল বৰদলৈ, পূজা বৰা আৰু সঞ্জয় আচাৰ্যৰ লগতে প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# বকো-ছয়গাঁৱত বিনামূলীয়াকৈ ডাষ্টবিন স্থাপন-বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩০ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ ভাৰতবৰ্ষ স্বচ্ছ ভাৰত অভিযান মিচনৰ আধাৰত কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও অঞ্চলত বিনামূলীয়াকৈ আটকধুনীয়া ডাষ্টবিন বিতৰণ কৰি আহিছে এন জি ডি এফ নামৰ বেচৰকাৰী সংস্থা এটাই। এন জি ডি এফ অৰ্থাৎ নিউ গ্ল'বেল ডেভলপমেণ্ট ফাউণ্ডেশ্যন নামৰ বেচৰকাৰী সংস্থাটোৱে বহু সংখ্যক ৰাজহুৱা স্থানত পৰিষ্কাৰ পৰিচন্নতা বজাই ৰাখিবলৈ আধুনিক ৰূপৰ ডাষ্টবিন স্থাপন আৰু বিতৰণ কৰি আহিছে। এন জি ডি এফ নামৰ সংস্থাটোৰ সভাপতি গকুল চন্দ্ৰ বড়ো আৰু সম্পাদক তথা যুৱ কৰ্মী ধ্ৰুৱ কুমাৰ ৰাভাই জনোৱা মতে যোৱা দুদিন ধৰি New Global Development Foundation ৰ উদ্যোগত বকো আৰু ছয়গাঁও অৱস্থিত কেইবাটাও মন্দিৰ আৰু চৰকাৰী কাৰ্যালয়ত বিনামূলীয়াকৈ ডাষ্টবিন বিতৰণ কাৰ্যসূচী সম্পন্ন কৰে। উল্লেখ্য যে বেচৰকাৰী সংস্থাৰটোৰ সভাপতি গকুল চন্দ্ৰ বড়োৱে ছয়গাঁওৰ শ্ৰীশ্ৰী মা চণ্ডিকা দেৱালয় প্ৰাংগনত ডাষ্টবিন বিতৰণ কৰি অনুষ্ঠানটোৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ইফালে সম্পাদক ধ্ৰুৱ কুমাৰ ৰাভাই জনায় যে সংস্থাটোৰ কৰ্মীবৃন্দৰ সহযোগত ছয়গাঁওৰ চণ্ডিকা দেৱালয়, শ্ৰীশ্ৰী মা বাঘেশ্বৰী দেৱালয়, বকোৰ শ্ৰীশ্ৰী মা পাৰ্বতী দেৱালয়, আৰক্ষী থানাৰ চৌহদত আৰু অন্যান্য চৰকাৰী বিভাগীয় কাৰ্যালয় প্ৰাংগনত স্থাপন আৰু বিতৰণ কৰে উন্নত মানৰ ডাষ্টবিন। ইফালে ডাষ্টবিন বিতৰণ কৰি সভাপতি গকুল চন্দ্ৰ বড়োই জনায় যে এলেকাবোৰত যাতে জাৱৰ জোথৰ পৰি নাথাকে আৰু সকলোৱেই ডাষ্টবিন ব্যৱহাৰ কৰি স্বচ্ছ ভাৰত অভিযান মিচন সফল কৰে তাকে আহ্বান জনায়।




# মূল্যবৃদ্ধি ৰোধৰ দাবীত মুখ্যমন্ত্ৰীলৈ চিপিএমৰ স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ৩০ জুন ঃ** নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত ভাৰতীয় কমিউনিষ্ট পাৰ্টী শুৱালকুছি আঞ্চলিক সমিতিয়ে আজি শুৱালকুছি খন্দ উন্নয়ন বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰত পেট্ৰল ডিজেল ৰন্ধন গেছৰ মূল্যবৃদ্ধি ৰোধ কৰা, মাটিৰ পট্টা প্ৰদান কৰা, খালী পদসমূহ শীঘ্ৰে পূৰণ কৰা, এনেৰেগাৰ দৈনিক মজুৰি ৬০০ টকালৈ বৃদ্ধি কৰা, অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দি স্থায়ী সমাধান কৰা, শুৱালকুছি তাঁতশিল্পৰ প্ৰয়োজনীয় কেচা সামগ্ৰী ৫০ শতাংশ ৰেহাই মূল্যত যোগান ধৰা, উৎপাদিত বস্ত্ৰ উপযুক্ত দামত চৰকাৰে ক্ৰয় কৰা আৰু হস্ততাঁত বস্ত্ৰ শিল্প সংৰক্ষণ আইন ১৯৮৫কে শীঘ্ৰে বলৱৎ কৰা দাবী সম্বলিত স্মাৰক পত্ৰ খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাসৰ হাতত অৰ্পণ কৰে। আনহাতে চিপিএমৰ আঞ্চলিক সমিতিৰ সম্পাদক ভূপেন ৰাজবংশীৰ নেতৃত্বত যোৱা সজাতি দলটোৱে বিষয়া গৰাকীৰ লগত শুৱালকুছিৰ সামগ্ৰীক উন্নয়নৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে। বিশেষকৈ শুদ্ধ জৰীপৰ অভাৱত সূতা ভড়ালৰ পৰা লাভ কৰা সূতা প্ৰকৃত হিতাধীকাৰীৰ পৰিবৰ্তে ধনী শ্ৰেণী উপকৃত হোৱা দিশ ৰ ওপৰত আলোচনা কৰা হয়। সূতা ভড়ালৰ পৰা লাভ কৰা ভুৰ্তকী পোনপটীয়াকৈ দুখীয়া শিপিনীৰ বেংক একাউন্টত জমা কৰাৰ পৰামৰ্শ আগবঢ়ায় সজতি দলটিয়ে। দলটিয়ে হস্ততাত বস্ত্ৰ শিল্প সংৰক্ষণ আইন ১৯৮৫ বলবৎ কৰাৰ বিষয়টো বিষয়া গৰাকীক দৃষ্টি নিক্ষেপ কৰে।এই ক্ষেত্ৰ বিষয়াগৰাকীয়ে কামৰূপ উপায়ন্তৰে শীঘ্ৰে মিলিত হোৱাৰ আশ্বাস দিয়ে। স্মৰ্তব্য যে মুখ্যমন্ত্ৰীলৈ দিয়া স্মাৰক পত্ৰত অঞ্চলটোৰ ১৬৯৫ গৰাকী ব্যক্তিয়ে স্বাক্ষৰ কৰে।

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত লেটেক্স বিষয়ক কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩০ জুন ঃ** উজনি অসমৰ অন্যতম পুৰণি উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অঙ্কশাস্ত্ৰ বিভাগৰ উদ্যোগত ২ জুলাইত লেটেক্স বিষয়ৰ এখনি দিনজোৰা কৰ্মশালাৰ আয়োজন কৰা হৈছে। সাম্প্ৰতিক সময়ৰ বিশ্বত উচ্চতৰ বৈজ্ঞানিক গৱেষণা পত্ৰ লিখনৰ কম্পিউটাৰ-নিৰ্ভৰ সৰ্বস্বীকৃত ভাষাটো হৈছে লেটেক্স। অথচ এই বিষয়ত আমাৰ গৱেষকসকল এতিয়াও স্বয়ংসম্পূৰ্ণ হৈ উঠা নাই। এনে অভাৱ দূৰীকৰণৰ অৰ্থে আয়োজিত উক্ত কৰ্মশালাখনত বিষয় বিশেষজ্ঞ হিচাপে অংশ গ্ৰহণ কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অঙ্কশাস্ত্ৰ বিভাগৰ সহকাৰী অধ্যাপক ড° পলাশ দত্তই। কৰ্মশালা উদ্বোধন কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ২ জুলাই, ২০২২ৰ পুৱা ৮.৩০ বজাত কৰ্মশালাৰ পঞ্জীয়ন আৰু ৯ বজাত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। আগ্ৰহীসকলক উক্ত কৰ্মশালাত অংশগ্ৰহণ কৰিবৰ কাৰণে বিভাগীয় প্ৰধান অধ্যাপক ড° দেৱাঞ্জন হাজৰিকা, কৰ্মশালাৰ আহ্বায়ক ড° অমিতাভ দলে আৰু সমন্বয়ক নীহাৰিকা কাকতিয়ে আহ্বান জনাইছে।

# ২০১৮ বৰ্ষৰ পৰা আঠশৰো অধিক সৰ্প দংশনত আহত লোকক সুস্থ কৰিছে ডিমৌ আদৰ্শ চিকিৎসালয়ৰ চিকিৎসা কৰ্মীয়ে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ জুন ঃ** উজনি অসমৰ ভিতৰতে অতিকৈ ব্যস্ততাপূৰ্ণ শিৱসাগৰ জিলাৰ ডিমৌৰ আদৰ্শ চিকিৎসালয়ৰ এজন চিকিৎসকে নিষ্ঠা আৰু সততাৰে মানৰ সেৱা আগবঢ়াই অহাত ৰাষ্ট্ৰীয় সংবাদ মাধ্যমেও উচ্চ প্ৰশংসা কৰিছে। ইতিমধ্যে এই চিকিৎসকজনে সুদীৰ্ঘ সময় ৰোগীসকলৰ মাজত থাকি ৰোগীক চিকিৎসা প্ৰদান কৰি অহাৰ সমান্তৰালকৈ সৰ্প দংশনৰ ওপৰতো সুদীৰ্ঘ সময় মানুহৰ মাজত সজাগতা বৃদ্ধি কৰি কেৱল সু-চিকিৎসা পদ্ধতিৰে সৰ্প দংশনত আহত লোকক চিকিৎসা কৰি যে সুস্থ কৰি পাৰি তাকো তেওঁ প্ৰতিপন্ন কৰাই নহয় প্ৰমাণো কৰি দেখুৱাইছে। এইগৰাকী হৈছে ডিমৌ আদৰ্শ চিকিৎসালয়ৰ ডাঃ সুৰজিত গিৰি। ইতিমধ্যে ডাঃ সুৰজিত গিৰিক উচ্চ প্ৰশংসা কৰি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমেও বাতৰি সম্প্ৰচাৰ কৰিছে। যি বাতৰি তথা প্ৰশংসাই শিৱসাগৰ জিলাখনৰ লগতে ডিমৌবাসীক গৌৰৱান্বিত কৰি তুলিছে। এক সেৱাসুলভ মনোভাব লৈ বিগত সময়ছোৱাত সৰ্প দংশনত আহত লোকক চিকিৎসা কৰি সুস্থ কৰি আহিছে ডাঃ সুৰজিৎ গিৰিয়ে। যি কাৰণে অসমৰ সংবাদ মাধ্যমৰ সমান্তৰালকৈ ডাঃ সুৰজিত গিৰিৰ এই মহান কৰ্মৰাজিৰ বিষয়ে তথা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমেও উচ্চ প্ৰশংসা কৰিবলৈ বাধ্য হৈছে। অত্যন্ত ব্যস্ততাপূৰ্ণ ডিমৌ আদৰ্শ চিকিৎসালয়ত চিকিৎসক সুৰজিত গিৰিৰ নেতৃত্বত ডাঃ সীমান্তজ্যোতি টায়ে, ডাঃ দীপক আগৰৱালা, ডাঃ গৌৰৱ চৌধুৰী, ডাঃ হৃদয় বৰুৱা, ডাঃ ৰুমা শ্যাম, ডাঃ বন্দনা শইকীয়া, ডাঃ ৰাজীৱ জাংগীড আৰু সদা সক্ষম স্বাস্থ্য কৰ্মীৰ দলটোৱে ২০১৮ বৰ্ষৰ পৰা ইতিমধ্যে আঠশ তিনিজন সৰ্প দংশন আহত লোকক চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তুলিছে। ৮০৩ জনৰ ভিতৰত মাত্ৰ এজন ব্যক্তিৰ ২০২০ বৰ্ষত মৃত্যু হৈছিল। চিকিৎসালখনৰ চিকিৎসকৰ দলটোৰ মতে এইসকলৰ ভিতৰত ৭৫ শতাংশ লোকক বিষহীন সৰ্পই দংশন কৰা আৰু বাকী ২৫ শতাংশ বিষাক্ত সৰ্পই দংশন কৰা লোক আছিল। ক'ভিডৰ সময়ত হৈ যোৱা দুটাকৈ লকডাউনত ডিমৌ আদৰ্শ চিকিৎসালয়ত সৰ্বাধিক সৰ্পই দংশন কৰা লোকক চিকিৎসা কৰা হৈছিল। ২০২১ বৰ্ষত সৰ্বাধিক ৪৬৪ সৰ্প দংশনৰ ৰোগী সুস্থ হৈছিল। মৃত্যু শূন্য আছিল। ২০২২ বৰ্ষৰ ২৯ জুন তাৰিখলৈকে ১৬০জন ব্যক্তি সৰ্প দংশন হৈ ডিমৌ চিকিৎসালয়লৈ আহিছিল। তিনিগৰাকীক বিষাক্ত ফেঁটী সাপ, দুগৰাকীক সখা সাপ আৰু ৯গৰাকীক বিষাক্ত পিট ভাইপাৰ সাপে দংশন কৰিছিল। সকলো সুস্থ। ওচৰৰ জিলাবোৰৰ উপৰি তেজপুৰৰ ১০ বছৰীয়া সৰু ছোৱালী এজনীৰ ফেঁটী সাপৰ দংশনৰ পাছত নুশুকুৱা ঘাঁ এটাৰ চিকিৎসা কৰিবলৈ জুন মাহত ডিমৌত উপস্থিত হৈ পোনা চাংমাইৰ একান্ত ড্ৰেছিঙত ১৫ দিন থাকি ভাল হৈ যায়। সৰ্পই দংশন কৰা লোকসকলক চিকিৎসা কৰিবলৈ আহিলে ডিমৌ আদৰ্শ চিকিৎসালয়তে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলে চিকিৎসালয়খনৰ আছুতীয়া কক্ষত ৰাখি আৰোগ্য কৰে। ডিমৌ আদৰ্শ চিকিৎসালয়ত বৰ্তমানলৈকে প্ৰায় ৮০২জন ব্যক্তিক এশ শতাংশ সুস্থ কৰি নিজা গৃহলৈ যাবলৈ দিয়ে। ডিমৌৰ এই চিকিৎসালয়খনৰ চিকিৎসকৰ দলটোৱে সৰ্প দংশনত আহত লোকক কোনো ধৰণৰ ভয়-শংকা নকৰি জৰা-ফুকা লোকৰ ওচৰলৈ নগৈ সময় নষ্ট নকৰাকৈ চিকিৎসা কৰিবলৈ আহ্বান জনাই অহাৰ বাবেই আজি এই বৃহৎ সফলতা পাবলৈ সক্ষম হৈছে বুলি জানিবলৈ দিয়ে। বিগত সময়ত বিশেষকৈ ডাঃ সুৰজিৎ গিৰিয়ে গাঁৱে-ভূঞে, বাগিচাই, নগৰে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাটোও উল্লেখনীয় দিশ হিচাপে বিবেচিত হৈছে। যি কাৰণে বিগত সময়ত সৰ্প দংশনৰ চিকিৎসা আৰু সৰ্প সংৰক্ষণৰ সজাগতা বৃদ্ধিৰ বাবে উত্তৰ-পূব ভাৰতত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি এখন চুটি ছবি নিৰ্মাণৰ বাবেও ডিমৌ আদৰ্শ চিকিৎসালয়ত উপস্থিত হৈছিলহি কলকাতা আৰু চেন্নাইৰ দুটাকৈ সৰ্প বিশেষজ্ঞ দল। সৰ্প দংশনৰ ক্ষেত্ৰত বৈজ্ঞানিক মানসিকতা বৃদ্ধি কৰা আৰু সহস্ৰাধিক লোকক সফলতাৰে দংশনৰ চিকিৎসা প্ৰদান কৰাত নেতৃত্ব লোৱাৰ বাবেই শিৱসাগৰ জিলাৰ অন্তৰ্গত ডিমৌ আদৰ্শ চিকিৎসালয়ৰ চিকিৎসক সুৰজিত গিৰিৰ চিকিৎসালয়খন গ্ৰুপটোৰ বিশেষ নাম থকাত ডিমৌৰ এই গ্ৰুপটোকে নিৰ্বাচন কৰিছে এই অঞ্চলত উপস্থিত হয়হি দলটোৱে। ইয়াৰ জৰিয়তে ৰাইজ, সমাজ সজাগ হ'লে আৰু লগতে অসম আৰু ভাৰতবৰ্ষৰ গ্ৰাম্য চিকিৎসালয়বোৰত সৰ্প দংশনৰ আছুতীয়া কক্ষ থাকে, তেনেহ'লে অদূৰ ভৱিষ্যতে অসম মুলুকৰ লগতে ভাৰতবৰ্ষত সৰ্প দংশনত শূন্য মৃত্যু সম্ভৱ হ'ব। ২০১৮ বৰ্ষত জৰা-ফুকা কৰি ৩-৪ ঘণ্টাত হাস্পতাল আহিছিল কিন্তু ব্যাপক সজাগতাৰ বাবে আজি ২০২২ বৰ্ষত ১৫.৩০ বজাৰ ভিতৰতে ৰাইজ হাস্পতালত উপস্থিত হয়। বিষাক্ত সাপৰ লক্ষণ থাকিলে সদা সক্ষম স্বাস্থ্যকৰ্মীয়ে ততাতৈয়াকৈ এণ্টিভেনম বেজী দিয়ে, নহ'লে ২৪ ঘণ্টা পৰ্যবেক্ষণত ৰখা হয়। এয়াই ডিমৌ আদৰ্শ চিকিৎসালয়ৰ সফলতাৰ সূত্ৰ।

# ওপজা ভুমি জামুগুৰিহাটত লক্ষী বৰঠাকুৰ সোঁৱৰণী নাট্য সন্ধ্যা ঃ কৃপাল কলিতাৰ পৰিচালনাৰে



'এৰেন্দ্ৰাৰ মেটামৰ্ফ'ছিছ. পাৱাৰ গেম এবিউজ অব্ পাৱাৰ' নাটকৰ এটা দৃশ্য

# কাব্যান্তৰৰ পদাতিক

■ হিমাংশু ৰণ্জন ভূঞা

অসমৰ নাট্য তথা ছবিজগতত লক্ষী বৰঠাকুৰ এখন সকলোৰে পৰিচিত মুখ। জামুগুৰিহাটৰ ঐতিহাসিক মাধৱ গাঁৱত ১৯৫৭ চনত জন্মগ্ৰহণ কৰা এইগৰাকী স্বভাৱজাত নাট্যশিল্পীয়ে হাইস্কুলত পঢ়ি থকা দিনৰে পৰা নাটকৰ সৈতে জড়িত হৈ আমৃত্যু বিভিন্ন মঞ্চ নাটক, অনাতাঁৰ নাট, চলচিত্ৰ, ভিডিঅ'ছবি তথা টেলিফিল্মত অভিনয় কৰি যায়। ইয়াৰোপৰি প্ৰয়াত বৰঠাকুৰ দেৱে নাট্যকাৰ হিচাপেও কেবাখনো একাংক আৰু পূৰ্ণাংগ নাট ৰচনা কৰে। তেওঁ 'গান্ধাৰী' আৰু বেদব্যাস' নামৰ নাটক দুখন অসমীয়ালৈ অনুবাদ কৰি সফলভাৱে মঞ্চায়িত কৰিছিল। ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সাৰথি' কথাছবিখনৰ জৰিয়তে ছবিজগতত খোজ পেলোৱা লক্ষী বৰঠাকুৰে পৰৱৰ্তী কালত 'জুয়ে পোৱা সোণ', 'যৌৱনে আমনি কৰে', 'মাঘত মামনিৰ বিয়া', 'আই লাভ ইউ', 'হলধৰ', 'জাতিংগা ইত্যাদি','অজেয়' আদি বহুসংখ্যক অসমীয়া ছবিত সুদক্ষ অভিনয়ৰে দৰ্শকৰ মনত মচ্ছিব নোৱাৰা সাঁচ বহুৱাই থৈ গৈছে। জামুগুৰিহাটৰ সুযোগ্য সন্তান-অসমৰ এগৰাকী স্বণামধণ্য নাট্যশিল্পী অভিনেতা প্ৰয়াত লক্ষী বৰঠাকুৰৰ পৱিত্ৰ স্মৃতিদিৱস ১৮ জুনৰ সন্ধিয়া জামুগুৰিহাটৰ বাপুজী ভৱন ৰঙ্গমঞ্চত নাৰায়ণপুৰৰ "মকুৰা-দ্য থিয়েটাৰ কালাৰ" ৰ শিল্পীসকলে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক কৃপাল কলিতা ৰ পৰিচালনাৰে জামুগুৰিহাটৰ "ধ্বনি - দ্য থিয়েটাৰ চাউণ্ড" ৰ সহযোগত মঞ্চায়ণ কৰে নাট্যকাৰ মৃণাল দত্তৰ 'কাব্যান্তৰৰ পদাতিক' নাটখন। মুষলধাৰ বৰষুণ আৰু প্ৰতিকুল পৰিৱেশৰ মাজতো অতি উৎসাহেৰে নিৰেদন কৰা নাটখন পোহৰ, আৱহ সংগীত, পৰিপক্ক অভিনয় ৰ মাজেৰে যথেষ্ট উপভোগ্য আৰু নিটোল ৰূপত তুলি ধৰাত পৰিচালক কৃপাল কলিতা ই এক কথাত সফলতা অৰ্জন কৰিছে।

সাম্প্ৰতিক সময়ত নাট্যক্ষেত্ৰত সৰ্বভাৰতীয় পৰ্যায়তে হওঁক বা অসমৰ নাট্যক্ষেত্ৰতে হওঁক, মহাকাব্যিক বিভিন্ন চৰিত্ৰ তথা ঘটনা-পৰিঘটনা সমূহৰ ওপৰত নতুন নতুন সম্পৰীক্ষা চলাই থকা হৈছে। ন-ন ৰূপত বিশেষভাৱে মহাভাৰতীয় চৰিত্ৰসমূহৰ মনঃস্তাত্তিক দিশৰ বিশ্লেষণৰে বহুসংখ্যক নাটে ইতিমধ্যে নাট্যসহিত্যৰ ভৰাঁল চহকী কৰিছে। বহুল চৰ্চাও লাভ কৰিছে এইসমূহ নাটকে। 'কাব্যান্তৰৰ পদাতিক' নাটকখনো তেনে এক মহাভাৰতীয় পটভূমিৰ ওপৰতে ৰচিত। উল্লেখযোগ্য যে 'কাব্যান্তৰৰ পদাতিক' নাটখনত আমি সদায় জানি অহা বা পাই অহা মহাভাৰতৰ এটি সৰ্বজনবিদিত চৰিত্ৰ দুৰ্যোধনক নায়ক ৰূপে চিত্ৰিত কৰি পাণ্ডৱপক্ষ আৰু শ্ৰীকৃষ্ণক খলনায়ক বা ভিলেইন হিচাপে উপস্থাপন কৰা হৈছে। কুৰুক্ষেত্ৰ মহাৰণত উৰুভংগৰ পাছত শাৰিৰীক - মানসিক বেদনাত জৰ্জৰিত দুৰ্যোধনৰ আত্মপৰিতাপৰ কিছু মনঃস্তাত্তিক বিশ্লেষণ সুন্দৰৰূপত প্ৰতিভাত হৈছে । বংশ-গৌৰৱ, স্বাভীমান আৰু বিশাল ভাৰতৰ ভৱিষ্যতৰ চিন্তাত হস্তিনাপুৰৰ ৰজা চন্দ্ৰবংশী কুলোদ্ভৱ দুৰ্যোধনৰ মনৰ ভিতৰত চলি থকা যুঁজখন নাটকখনত চিত্ৰিত কৰা হৈছে। কুৰুবংশৰ ধ্বংস, পৰাজয় বা সুনিশ্চিত মৃত্যুৰ আগমুহুৰ্ত্ততো তেওঁ নিজৰ আত্মমৰ্যদা, অহংকাৰ বা আত্মাভিমানৰ পৰা অলপো বিচলিত হোৱা নাছিল। এটা কথাত সন্দেহ নাই যে কুৰুবংশ, চন্দ্ৰবংশী ৰজা ধৃতৰাষ্ট্ৰৰ সন্তান। দুযোৰ্ধন ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ জ্যেষ্ঠ সন্তান। সেইসূত্ৰে তেৱেঁই হস্তিনাপুৰৰ বিধিসন্মত যুৱৰাজ। কিন্তু পাণ্ডৱসকল? তেওঁলোকৰ এজনৰ গাতো চন্দ্ৰবংশীয় তেজ নাই। আছে দেৱতাসকলৰ তেজ। পাণ্ডৱসকল এক অৰ্থত জাৰজ সন্তান। দুৰ্যোধনৰ দৃষ্টিত দেৱতা মানেই লোভী, স্বাৰ্থপৰ, সুবিধাবাদী, বিশ্বাসঘাটকৰ দল। তেওঁৰ মৃত্যু নিশ্চিত। মৃত্যুৰ পাছত তেওঁৰ আৰৱৰ্তমানত হস্তিনাপুৰ এদল জাৰজৰ হাতত অৰ্পণ কৰিবলগীয়া হোৱাটোৱেই দুৰ্যোধনৰ মানসিক অন্তৰ্দ্বন্দ্বৰ মুল কাৰণ। তেওঁ এনেদৰে জৰ্জৰিত হৈ পৰি থকা অৱস্থাত তেওঁৰ কাষলৈ অহা মাতৃ গান্ধাৰী, পত্নী ভানুমতী আৰু শেষত নাৰীৰূপত অহা ভগৱান শ্ৰীকৃষ্ণৰ আগত প্ৰকাশ্যে তেওঁৰ অন্তদ্বন্দ্বৰ কথা ব্যক্ত কৰিছে। নাটকখনত দুৰ্যোধন চৰিত্ৰটি সাহসী, প্ৰচুৰ ইচ্ছাশক্তিৰসম্পন্ন আৰু নিজে যিটো সত্য বুলি বিশ্বাস কৰে, তাৰ বাবে যুঁজ কৰা ব্যক্তিবিশেষ ৰূপে চিত্ৰিত কৰা হৈছে। যি মুহূৰ্ত্তত জাত-পাত, বৰ্ণ পৰিচয়ৰ নামত মহাবীৰ কৰ্ণ চূড়ান্তভাৱে অপমানিত হ'বলগীয়া হৈছিল, সেই সময়ত দুৰ্যোধনে ধৰ্মীয় গোড়ামীৰ বিৰোদ্ধে প্ৰত্যাহ্বান জনাই সূতপুত্ৰ কৰ্ণক অৰ্দ্ধৰাজ্য দান কৰি ৰজা পাতিছিল, সখা বুলি আকোঁৱালি লৈছিল, অথচ এই কাৰ্যত তেওঁৰ ব্যক্তিগত কোনো স্বাৰ্থ জড়িত হৈ থকা নাছিল। যদিও তেওঁ কেতিয়াবা এগৰাকী উদ্ধত, গোৱাৰ প্ৰকৃতিৰ অহংকাৰী ব্যক্তি আছিল, কিন্তু তেওঁ বহুক্ষেত্ৰত এগৰাকী বিশ্বাসী, মহানুভৱ, সামাজিক বাধা নিষেধ, ৰক্ষণশীলতাৰ গোড়ামীৰ পৰা মুক্ত ব্যক্তি আছিল। কিন্তু যুধিস্থিৰ বা পাণ্ডৱসকল? দুৰ্যোধনৰ মতে যিগৰাকী ধৰ্মৰাজ যুধীস্থিৰে কেৱল ধৰ্মৰক্ষাৰ স্বাৰ্থতে নিজৰ পত্নীক পাশাখেলৰ পণ কৰিব পাৰে, সেইগৰাকী কাপুৰুষ ৰজাৰ হাতত সাধাৰণ প্ৰজা কি দৰে সুৰক্ষিত হ'ব? তেওঁৰ দৃষ্টিত যদুমণি কৃষ্ণই কুৰুক্ষেত্ৰৰ একমাত্ৰ খলনায়ক। কাৰণ নিজৰ ভাগিনীয়েক অভিমণ্যুক চল কৰি তেওঁৱেই তো বধ কৰাইছিল। কাৰণ অভিমণ্যু জীয়াই থাকিলে হয়তু শ্ৰেষ্ঠত্বৰ দিশত অৰ্জুন বা শ্ৰীকৃষ্ণকো অতিক্ৰম কৰিলেহেতেঁন। সেইবাবেই কৃষ্ণই জানি শুনিও চলনা কৰি অভিমণ্যুক সপ্তৰথীৰ হাতত মৰিবলৈ এৰি দিছিল। দুৰ্যোধনৰ মতে, কুৰুক্ষেত্ৰ মহাৰণ কাহানিও শেষ নহয়। ধৰ্ম অধৰ্মৰ এই যুদ্ধ সৰ্বকাল চিৰপ্ৰৱাহমান ৰূপত চলি থাকিব। - নাটখনত দুৰ্যোধনৰ এনেধৰণৰ চিন্তাধাৰাক বিভিন্ন সংলাপৰ মাজেদি বলিষ্ঠ ৰূপত প্ৰকাশ কৰা হৈছে। আন অৰ্থত মহাকাব্য মহাভাৰতৰ অন্য এক ৰূপ 'কাব্যান্তৰৰ পদাতিক' নাটকখনৰ কাহিনীঅংশৰ মাজেৰে নাট্যকাৰ মৃণাল দত্তই তুলি ধৰাৰ প্ৰয়াস কৰিছে।





'কাব্যান্তৰৰ পদাতিক' নাটখনৰ অভিনয় সম্পন্ন হৈছে দুটি মুখ্য চৰিত্ৰ আৰু কেইটিমান পাৰ্শ্ব চৰিত্ৰৰ অভিনয়ৰ মাধ্যমৰে। নাটখনৰ মুল চৰিত্ৰ দুৰ্যোধনৰ চৰিত্ৰটি সুন্দৰৰূপত ফুটাই তোলাত দক্ষ যুৱ অভিনেতা দীপাংকৰ হাজৰিকা সফল হোৱা বুলি একাষাৰে ক'ব পাৰি। আনহাতে গান্ধাৰী, ভানুমতী আৰু নাৰীৰূপী কৃষ্ণৰ চৰিত্ৰত কৰিণা ভূঞাৰ অভিনয় যথেষ্ট ভাল হৈছে যদিও অভিনয়ত সামান্য জঠৰতা থকা পৰিলক্ষিত হ'ল। আশা ৰাখিছো, ভৱিষ্যতে অভিনেত্ৰীগৰাকীয়ে আৰু অধিক প্ৰাণৱন্ত আৰু সাৱলীল ৰূপত চৰিত্ৰকেইটি ৰূপায়ণ কৰিব। 'য়দা য়দা হি ধৰ্মস্য' শ্লোকটিৰে এক আধ্যাত্মিক পৰিৱেশৰে আৰম্ভ কৰা নাটখনৰ আৰম্ভনি অতি মনোমোহা হোৱাৰ বিপৰীতে কৃষ্ণ চৰিত্ৰটিৰ উপস্থাপনত ব্যৱহাৰ কৰা সত্ৰীয়া শৈলীয়ে নাটকখনক অতি প্ৰাণৱন্ত কৰি তুলিছিলে। সহঃ অভিনয়ৰ দিশত লোকজিৎ হাজৰিকা, অভিনৱ ভূঞা, গৰীয়সী বিদ্যাৰ্থী, পৰিপ্ৰজ্ঞা নেওঁগ আৰু বাৰ্ণি বৰ্মন সফল হৈছে। নাটখনৰ কলা নিৰ্দেশনা আৰু দৃশ্যসজ্জাত হৰিপ্ৰসন্ন শইকীয়া, সংগীতত চিত্ৰপ্ৰসন্ন দত্ত, সাজসজ্জাত ৰাণী দত্ত বৰুৱা, ৰূপসজ্জাত সত্যৰঞ্জন বৰা আৰু পোহৰত কিশোৰে পৰিচালকৰ সকলো নিৰ্দ্দেশ পালন কৰি নাটখন সফল হোৱাত অৰিহনা যোগালে। এইখিনিতে উল্লেখ কৰিব লাগিব যে, নাটখনৰ শব্দব্যৱস্থা আৰু উন্নত হোৱাৰ থল আছিল। হয়তো মুষলধাৰ বৰষুণ আৰু প্ৰেক্ষাগৃহটিৰ শব্দ প্ৰতিধ্বনি প্ৰতিৰোধী ব্যৱস্থাৰ কাৰিকৰী দুৰ্বলতাৰ বাবে বহু সংলাপ দৰ্শকৰ বোধগম্য নহ'ল। পৰিশেষত ক'ব লাগিব যে জামুগুৰিয়া ৰাইজে এখন সুন্দৰ আৰু ব্যতিক্ৰমধৰ্মী নাট উপভোগৰ সুযোগ লাভ কৰিলে যাৰ বাবে "মকুৱা - দ্য থিয়েটাৰ কালাৰ" আৰু 'ব্ৰীজ্' কথাছবিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰা পৰিচালক কৃপাল কলিতা ধন্যবাদৰ পাত্ৰ।

# পূজা হেগড়ে হৃত্বিক ৰোশনৰ সৈতে কাম কৰাৰ পিছত তেওঁ কাম পোৱা নাছিল

## শীঘ্ৰেই পূজা হেগড়েক চলমান খানৰ ভাইজানত দেখা পোৱা যাব



পূজা হেগড়ে প্ৰকাশ কৰিছে যে তেওঁৰ প্ৰথম ছবি মহেঞ্জোদাৰোত হৃত্বিক ৰোশনৰ সৈতে কাম কৰাৰ পিছত তেওঁ কাম পোৱা নাছিল। চিনেমাখন ব' অফিচত টেংক হৈছিল। অভিনেত্ৰীগৰাকীয়ে ভাগ বতৰা কৰিছিল যে সেই সময়ত এইটো তেওঁৰ কেৰিয়াৰৰ আটাইতকৈ কম বিন্দু আছিল। বলীউডলাইফৰ সৈতে কথা পাতি থাকোতে, পূজাই প্ৰকাশ কৰিছিল যে তেওঁ মহেঞ্জো দাৰো কৰাৰ পিছত এবছৰৰ বাবে কামৰ পৰা বাহিৰলৈ গৈছিল, য'ত তেওঁ হৃত্বিক ৰোশনৰ বিপৰীতে আছিল। অভিনেত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছিল যে যদিও তেওঁৰ একেৰাহে ছয়খন হিট ছবি আছিল, তথাপিও এটা সময় আছিল যেতিয়া তেওঁ তেওঁৰ নিম্নতম পৰ্যায়ৰ সন্মুখীন হৈছিল — যেতিয়া তেওঁৰ প্ৰথম ছবিখনে কাম কৰা নাছিল। পূজাৰ কেৰিয়াৰে ভালৰ বাবে এক পৰিৱৰ্তন আনিছিল যেতিয়া তেওঁ জুনিয়ৰ এনটিআৰৰ বিপৰীতে এখন চলচ্চিত্ৰ পাইছিল। অৰবিন্দা সমেতা বীৰা ৰাঘৱ শীৰ্ষক, ই চিনেমাবোৰত তেওঁৰ ভাল দৌৰ আৰম্ভ কৰিছিল।অভিনেত্ৰীগৰাকীক শেষবাৰৰ বাবে প্ৰভাসৰ বিপৰীতে ৰাধেশ্যামত দেখা গৈছিল। যদিও ছবিখনে ব' অফিচত কাম কৰা নাছিল, তেওঁলোকৰ যুটি অনুৰাগীসকলৰ মাজত আটাইতকৈ প্ৰতীক্ষিত আছিল।বৰ্তমান, পূজাক চলমান খানৰ বিপৰীতে তেওঁৰ আহিবলগীয়া চলচ্চিত্ৰ ভাইজানত দেখা যাব। আগতে কভি ঈদ কভি দেৱালী শীৰ্ষক, তেওঁক বহু আগতে ছবিখনৰ মুখ্য অভিনেত্ৰী হিচাপে চূড়ান্ত কৰা হৈছিল। পূজাৰ উপৰিও, চলচ্চিত্ৰখনত বিগ বছ ১৩ বিখ্যাত শ্বেহনাজ গিলেও অভিনয় কৰিছে। ভাইজানে শ্বেহনাজৰ বলীউডত আত্মপ্ৰকাশ চিহ্নিত কৰিব। পাঞ্জাবী গায়িকা-অভিনেত্ৰীগৰাকীয়ে চলমানৰ চকুত পৰিছিল যেতিয়া তেওঁ বিগ বছ ১৩ ৰ মঞ্চত তেওঁৰ সৈতে মুকলিকৈ ফ্লাৰ্ট কৰিছিল। অনুষ্ঠানটোৰ পিছৰে পৰা দুয়োশক্তিশালী হৈ উঠিছে। অতি শেহতীয়াকৈ, চলমানক শ্বেহনাজক



তেওঁৰ সমৰ্থন দেখুওৱা দেখা গৈছিল যেতিয়া তেওঁ বিগ বছ ১৫লৈ আহিছিল। ভাইজানত জছি গিল আৰু পলক তিৱাৰীকো গুৰুত্বপূৰ্ণ চৰিত্ৰত দেখুওৱা হৈছে বুলি জানিব পৰা গৈছে। চলচ্চিত্ৰখন মূলতঃ ফাৰহাদ চামঝিয়ে পৰিচালনা কৰিছিল কিন্তু প্ৰতিবেদন অনুসৰি, চলমানে নিজেই ছবিখন পৰিচালনা কৰা ভূত। প্ৰতিবেদনত এইটোও কোৱা হৈছে যে আয়ুষ শৰ্মা আৰু জাহিৰ ইকবাল, যিসকল ছবিখনৰ অংশ হ'ব বুলি ধাৰণা কৰা হৈছিল, তেওঁলোকৰ ঠাইত অভিমন্যু দাসনী আৰু মীজান জাফৰীক স্থান দিয়া হৈছে। ভাইজানৰ উপৰি, পূজা ৰোহিত চেট্টী আৰু বিজয় দেৱেৰাকোণ্ডাৰ তেলেগু ছবি জন গণ মানাৰ সৈতে ৰণবীৰ সিঙৰ চিৰকুছৰ অংশ।



## ২২-২৩ নাট্যবৰ্ষ

# থিয়েটাৰ সূৰ্য্যৰ মহা আয়োজন




ভ্ৰাম্যমাণ নাট্যজগতৰ আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল থিয়েটাৰ সূৰ্য্যৰ অষ্টম নাট্যবৰ্ষৰ বিশাল আয়োজন, আগন্তুক নাট্যবৰ্ষত থিয়েটাৰ সূৰ্য্যৰ মঞ্চত দেখিবলৈ পাব নাট্যকাৰ পৰিচালক অভিজিৎ ভট্টাচাৰ্যৰ তীক্ষ্ণ কলমৰ সৃষ্টি 'মই সেন্দূৰ নলওঁ' আৰু মহাকবি কালিদাসৰ অমৰ সৃষ্টি অভিজ্ঞান শকুন্তলমৰ আধাৰত ৰচিত 'শকুন্তলা'। আনহাতে, থিয়েটাৰ সূৰ্য্যৰ মঞ্চত আন এক বিলাসী আয়োজন যুব নাট্যকাৰ প্ৰশান্ত মেনাৰ তীক্ষ্ণ কলমৰ পৰা নিৰ্গত 'পৰশুৰামৰ প্ৰেয়সী'। যোৱা দুটা বৰ্ষ কৰোনাতংকৰ বাবে বন্ধ হৈ থকাৰ পিছত নতুন উদ্যম আৰু নতুনত্বৰে প্ৰস্তুতি সম্পূৰ্ণ কৰা থিয়েটাৰ সূৰ্য্যৰ বিলাসী মঞ্চত সমাহাৰ ঘটিব ভ্ৰাম্যমাণ নাট্যজগতৰ কেইবাগৰাকীও পৰিচিত নাট্যযোদ্ধাৰ, যত অভিনয় কৰিব বলিষ্ঠ অভিনেতা প্ৰানজিত দাস, ট্ৰেজীক মাফিয়া খ্যাত সঞ্জীৱ শৰ্মা, ভ্ৰাম্যমাণ নাট্যজগত তথা সৰুপৰ্দাৰ সুদৰ্শন নায়ক সুকুমাৰ বৰ্মন, নৱজ্যোতি কাশ্যপ, জয়ন্ত শৰ্মা, সুনয়ন শৰ্মা, মোহময়ী অভিনেত্ৰী দেবাশ্ৰী দাস, হেলেনা আখতাৰ, অৰ্চনা বৰা আৰু বহুতো ন পুৰনি অভিনেতা অভিনেত্ৰী। থিয়েটাৰ সূৰ্য্যৰ প্ৰযোজক মুনিন্দ্ৰ বৰ্মন আৰু পৰিকল্পনা উত্তম শৰ্মাৰ। জন্মলগ্নৰে পৰা বিশেষ জনপ্ৰিয়তা লাভ কৰা থিয়েটাৰ সূৰ্য্যৰ আগন্তুক নাট্যবৰ্ষকলৈও যথেষ্ট আশাবাদী প্ৰযোজক পৰিচালক তথা শিল্পী-কলাকুশলীসকল, শেষত সমূহ নাট্যপ্ৰেমী ৰাইজ আৰু আহ্বায়ক কমিটিৰ সহায় সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিলো।

# অসমৰ চিএম ৰিলিফ ফাণ্ডলৈ আমিৰ খানৰ সাহায্য

বলীউডৰ অভিনেতা আমিৰ খানে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ২৫ লাখ টকাৰ অৱদান আগবঢ়াই অসমৰ বানপীড়িতক সহায় কৰিছে। আমিৰ খানে অসম বানপীড়িতলৈ দান কৰিছে। অসম তীব্ৰ বানপানীৰ কবলত পৰিছে, এই বানপানীৰ ফলত ২১ নিযুতৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।



# পেৰিছ বিমানবন্দৰত দীপিকা পাডুকনৰ হৰ্ডিং




মালাইকা অৰোৰা আৰু অৰ্জুন কাপুৰে ছ'চিয়েল মিডিয়াৰ জৰিয়তে এটা ভিডিঅ' শ্বেয়াৰ কৰি দীপিকা পাডুকনক লৈ গৌৰৱ প্ৰকাশ কৰিছে। পেৰিছ বিমানবন্দৰত অৰ্জুন কাপুৰৰ ৩৭ তম জন্মদিন শেহতীয়াকৈ পাৰ হৈ গৈছে, যিটো তেওঁ তেওঁৰ প্ৰেমিকা মালাইকা অৰোৰাৰ সৈতে উদযাপন কৰিবলৈ পেৰিছলৈ গৈছিল। তেতিয়াৰ পৰা, দুয়োজনে তাত বন্ধৰ দিনবোৰ উপভোগ কৰি আহিছে, লগতে তেওঁলোকৰ বিশেষ মুহূৰ্তবোৰ সামাজিক মাধ্যমৰ জৰিয়তে ভাগ বতৰা কৰি আহিছে। ইফালে, দুয়োজনে





দীপিকা পাডুকনৰ এটা ভিডিঅ' শ্বেয়াৰ কৰিছে আৰু তেওঁক লৈ গৌৰৱ প্ৰকাশ কৰিছে। আপুনি জানেনে গোটেই বিষয়টো কি? দৰাচলতে, পেৰিছ বিমানবন্দৰত, মালাইকা অৰোৰা আৰু অৰ্জুন কাপুৰে এখন হৰ্ডিং দেখিছিল, য'ত দীপিকা পাডুকনৰ ভিডিঅ' চলি আছিল। অৰ্জুন-মালাইকাই পেৰিছত দীপিকাৰ জলৱা চোৱাৰ পৰা নিজকে বাধা দিব নোৱাৰিলে, আৰু তেওঁলোকে ইয়াৰ এটা ভিডিঅ' বনাই ছিল আৰু ইয়াক তেওঁলোকৰ ইনষ্টাগ্ৰাম কাহিনীত শ্বেয়াৰ কৰিছিল আৰু দীপিকাক প্ৰশংসা কৰিছিল। ভিডিঅ'টো শ্বেয়াৰ কৰি অৰ্জুনে লিখিছিল- "দেশী বিদেচী বন্ধলৈ স্পৰ্শ কৰক। পেৰিছ বিমানবন্দৰত ইয়াক দেখি অত্যন্ত গৌৰৱান্বিত।' একে সময়তে, মালাইকাই লিখিছিল— 'অসাধাৰণ' আৰু লগতে দীপিকাক এগৰাকী পথপ্ৰদৰ্শক ব্যক্তি হিচাপে বৰ্ণনা কৰিছিল। দীপিকাক আন্তৰ্জাতিক ভাৱে স্বীকৃতি দিয়া হৈছিল। মই আপোনাক কওঁ, শেহতীয়াকৈ দীপিকাই (দীপিকা পাডুকন) কান ২০২২ত আন্তৰ্জাতিক পৰ্যায়ত স্বীকৃতি লাভ কৰিছিল, য'ত তেওঁ ভাৰতক প্ৰতিনিধিত্ব কৰিছিল, যাৰ পিছত অভিনেত্ৰীগৰাকীয়ে যথেষ্ট শিৰোনাম দখল কৰিছিল। দীপিকাক শ্বাহৰুখ খানৰ সৈতে এই ছবিখনত দেখা যাব। অৱশ্যে, যদি আপুনি দীপিকা পাডুকনৰ কৰ্মক্ষেত্ৰৰ কথা কয়, তেন্তে আজিকালি তেওঁ আহিবলগীয়া ছবি পাঠানৰ বাবে শ্বাহৰুখ খানৰ সৈতে ব্যস্ত হৈ আছে। ছবিখন ২০২৩ চনত মুক্তি পাব।



# বৰষুণৰ বাবে উৰ্ফি জাভেদে কি পিন্ধিলে ?

উৰ্ফি জাভেদে বৰষুণৰ দিনা তাইৰ ভ্ৰমণৰ বাবে বেল্টযুক্ত থিমযুক্ত স্কিম্পি পোছাক বাছনি কৰে। উৰ্ফি জাভেদক শেহতীয়াকৈ ২০২২ চনত বিশ্বব্যাপী গুগলৰ সৰ্বাধিক সন্ধান কৰা এছিয়ানৰ তালিকাত স্থান দিয়া হৈছিল। তাই সৰ্বাধিক সন্ধান কৰা এছিয়ানৰ তালিকাৰ ৫৭তম স্থান দখল কৰিছিল। উৰ্ফি জাভেদৰ বৰষুণৰ দিনত পোছাক কম। উৰ্ফিৰ আউট-অ'ৰ বাবে জনাজাত।

## প্ৰথম পৃষ্ঠাৰ পৰা—



## উত্তৰ শালমাৰাত কমতাপুৰ

হয়। বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাস্থিত অসম পৰ্যটন বিভাগৰ অধীনৰ প্ৰশান্তি লজত সদ্যহতে মুকলি কৰা অস্থায়ী সচিবালয় ভৱনটো বিজনী বিধানসভা সমষ্টিৰ বিধায়ক অজয় ৰায়, কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, উপাধ্যক্ষ সুকেন ৰায়, কাৰ্যবাহী পাৰিষদ অতুল চন্দ্ৰ ৰায়, কৰ্মেশ্বৰ ৰায়, জীৱেশ ৰায়কে ধৰি অন্যান্য কাৰ্যবাহী পাৰিষদ, সাধাৰণ সদস্য আদিৰ উপস্থিতিত মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে আনুষ্ঠানিকভাৱে ফিতা কাটি উদ্বোধন কৰে। সচিবালয় মুকলি অনুষ্ঠানত প্ৰাক্তন বিধায়ক ভূপেন ৰায়, বিশিষ্ট সমাজকৰ্মী, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি তথা ভালেসংখ্যক লোক উপস্থিত থাকে । সচিবালয় ভৱন উদ্বোধন উপলক্ষে মাংগলিক অনুষ্ঠান, নাম- প্ৰসংগও অনুষ্ঠিত হয়। সেইদৰে অনুষ্ঠিত হয় এখন সভাও। সভাত বিধায়ক অজয় ৰায়, কেএচিৰ মুখ্য কাৰ্যবাহী পাৰিষদ, অধ্যক্ষ, উপাধ্যক্ষ, কাৰ্যবাহী পাৰিষদসকল, সাধাৰণ সদস্যসকল, কেএচিৰ প্ৰধান সচিব ভাস্কৰজ্যোতি দাসৰ লগতে, আক্ৰাছুৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সভাত বিভিন্নজনে বক্তব্যও ৰাখে। ইপিনে সচিবালয় মুকলি কৰি কেএচিৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে সংবাদ মাধ্যমৰ আগত কয় যে আজি আমি খুবেই আনন্দিত। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন হোৱাৰ পিছত বিভিন্ন কাৰণত পৰিষদৰ সচিবালয় মুকলি কৰিব পৰা নাছিলো যদিও এই দিনটোত মুকলি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিলো আৰু চাৰিওফালে বানপৰিস্থিতিত ৰাইজে কৰুবকাই থাকিবলগীয়া হোৱা হেতুকে ধুমধাম আয়োজনৰ পৰিৱৰ্তে অনুষ্ঠুপীয়াকৈ সচিবালয় ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ল । এই অনুষ্ঠানলৈ বিভিন্ন জাতি - জনগোষ্ঠী তথা ধৰ্মাৱলম্বী লোক আৰু দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত হৈ উৎসাহ যোগোৱাৰ বাবে সকলোকে মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে কয় যে আজি কেৱল কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত অঞ্চলৰে নহয় বৰং গোটেই কোচ ৰাজবংশী বা বিভিন্ন জাতি-জনগোষ্ঠীৰ মুখত হাঁহিৰ ৰেঙণি দেখিবলৈ পাইছো। এয়া সম্ভৱ হৈছে কেৱল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাবেই। সেয়ে অনাগত দিনত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়ৰ পৰা এই পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহৰ সকলোকে লগত লৈ উন্নয়ন আৰু বিকাশ সাধন কৰিবলৈ আমি আগবাঢ়ি যাব পাৰো তাৰ বাবে সহায়-সহযোগিতা বিচাৰি থাকিম বুলিও কয়। গতিকে আজিৰ দিনটোত আমি কমতাপুৰী ৰাইজ হিচাপে খুবেই আনন্দিত। ইপিন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু পীযূষ হাজৰিকাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থকাৰ কথা আছিল যদিও শেষত এগৰাকীও মন্ত্ৰী উপস্থিত নথকা বিষয়টোৱে সকলোকে হতাশ কৰা পৰিলক্ষিত হয়। আনকি অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু পীযূষ হাজৰিকা উপস্থিত থাকিব বুলি আগদিনা মাইকযোগেও প্ৰচাৰ চলোৱা হৈছিল। কিন্তু অনুষ্ঠানত কোনো এগৰাকী মন্ত্ৰী উপস্থিত হোৱা দেখা নগ'ল। যাৰ বাবে এই বিষয়টোক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইপিনে এই বিষয়ে মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীক সাংবাদিকে প্ৰশ্ন কৰাত কয় যে ৰাজ্যত হৈ থকা বানপৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বুধবাৰে মুখ্যমন্ত্ৰীৰ সৈতে এক টেলিফোনিক বাৰ্তালাপ হৈছিল। এই বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সচিবালয়ৰ শুভ উদ্বোধনী অনুষ্ঠানলৈ শুভেচ্ছা জনায়। লগতে এই বানপৰিস্থিতিৰ সময়ত অনুষ্ঠানটো ধুম-ধামেৰে আয়োজন কৰাৰ সলনি অনুষ্ঠুপীয়াকৈ কৰিবলৈ কয় আৰু পৰৱৰ্তী সময়ত তেওঁ অহাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ অহাৰ কথা আছিল যদিও চাৰিওফালে হৈ থকা বানপৰিস্থিতিৰ বাবে আহিব নোৱাৰিলে। সেইদৰে মন্ত্ৰী পীযূষ হাজৰিকাও বানপানীক লৈ ব্যস্ত থাকিবলগীয়া হোৱাত আহিব নোৱাৰিলে। আনহাতে, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস বুধবাৰে বঙাইগাঁৱলৈ আহি পুনৰ বজালীলৈ যাবলগীয়া হৈছে বানপৰিস্থিতিৰ কাৰণে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাও অহাৰ কথা আছিল যদিও তেওঁ শিলচৰলৈ গৈ বানপীড়িত ৰাইজক সহায়-সহযোগ আগবঢ়াই আছে । অৱশ্যে জুলাই মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আহিব বুলি প্ৰতিশ্ৰুতি দিয়া বুলিও জানিবলৈ দিয়ে। সেইদৰে কেএচিৰ বৰ্ষপূৰ্তি অনুষ্ঠানত মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য মন্ত্ৰীক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও কয়। কেএচিৰ দায়িত্বভাৰ গ্ৰহণ কৰি থকাসকলে অনুষ্ঠানত মন্ত্ৰী উপস্থিত নথকা কাৰণ হিচাপে বানপৰিস্থিতি বুলি উল্লেখ কৰিলেও মানি ল'ব খোজা নাই সচেতন মহলে। ৰাজ্য চৰকাৰৰ ইমান কেইজন মন্ত্ৰী থকাৰ পিছতো প্ৰতিনিধি হিচাপে অন্ততঃ এগৰাকী মন্ত্ৰী উপস্থিত থাকিব পাৰিলেহেঁতেন বুলি মন্তব্য কৰিছে। ৰাজ্য চৰকাৰৰ এনে অনুভৱক চৰকাৰে যে জনগোষ্ঠীটোক অৱহেলা কৰি আহিছে সেয়া উদঙাই দিয়া বুলিও সচেতন মহলে মন্তব্য কৰিছে। তদুপৰি কেএচিৰ দায়িত্বপ্ৰাপ্তসকলে বিজেপি চৰকাৰৰ জয়গান গাই অহাৰ লগতে অনুষ্ঠানটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ ধ্বনি দিয়াৰ পিছতো এগৰাকী মন্ত্ৰীকো অনুষ্ঠানত উপস্থিত কৰাবলৈ সক্ষম নোহোৱাত নিজৰ বিফলতাকে উদঙাই দিয়া বুলিও সচেতন মহলে মন্তব্য কৰিছে। আনহাতে, কেএচিৰ উপাধ্যক্ষ সুকেন ৰায়ে কয় যে আজি কমতাপুৰবাসী ৰাইজৰ বাবে এটা ঐতিহাসিক দিন। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন হোৱাৰ প্ৰায় দহ মাহ পিছত আমি নিজস্বভাৱে এটা কাৰ্যালয় পাবলৈ সক্ষম হৈছো। কমতাপুৰ অঞ্চল [illegible] কাৰ্যালয় [illegible] পাৰিষদ, সাধাৰণ সদস্যসকলক লগ পাব বিচাৰি [illegible] কোনো স্থায়ী ঠিকনা নাছিল। কিন্তু এতিয়া এটা স্থায়ী ঠিকনা হিচাপে কেএচিৰ সচিবালয় ভৱনৰ শুভ উদ্বোধন হ'ল। আনহাতে, এই ঐতিহাসিক দিনটোত অসম চৰকাৰৰ মন্ত্ৰী উপস্থিত থাকিব লাগিছিল যদিও বানপৰিস্থিতিৰ বাবে [illegible] দল-সংগঠনক লগত লৈ উপস্থিত হ'ব নোৱাৰিলে। সেইদৰে কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে কয় যে কমতাপুৰবাসী কোচ ৰাজবংশী ৰাইজৰ লগতে বিভিন্ন [illegible] কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অঞ্চলটোৰ উন্নয়নৰ ৰেঙণি কঢ়িয়াই আনিব বুলি ৰাইজ নিশ্চয় আশাবাদী [illegible] কৰিব পাৰো তাৰ বাবে আমি সংকল্প লৈছো বুলিও কয়। ইপিনে অনুষ্ঠানত আক্ৰাছুৰ এটা গোটক মূল গোট বুলি ঘোষণা কৰাৰ পিছতে [illegible] বিতৰ্ক। সেইদৰে জাতুৰ খাই উঠিছে আন গোট। আক্ৰাছুৰ বলোৰাম বৰ্মন গোটে এক সংবাদ মেল অনুষ্ঠিত কৰি কয় যে আক্ৰাছুৰ বৰ্তমান কোনো মূল গোট নাই। ৰাইজে সিদ্ধান্ত ল'ব কোনটো মূল গোট। কেএচিৰ সচিবালয় মুকলি অনুষ্ঠানত [illegible] চৰকাৰী মানুহ। সেয়ে চৰকাৰী এটা অনুষ্ঠানত মাতি কেএচিৰ নেতৃত্বই কোনোবা এটা গোটক আক্ৰাছুৰ মূল গোট বুলি স্বীকৃতি দিবলৈ [illegible] আক্ৰাছুৰ মাজত বিভাজন নানিবলৈ সকীয়াই দিয়ে। আনহাতে, কেএচিৰ সচিবালয় মুকলি অনুষ্ঠানত ৰাজ্য চৰকাৰৰ এগৰাকীও মন্ত্ৰী উপস্থিত নথকাত আক্ৰাছুৱে ক্ষোভ প্ৰকাশ কৰে। লগতে চৰকাৰে কেএচিৰ দায়িত্ব অৰ্পণ কৰাসকলৰ যোগ্যতা লৈও আক্ৰাছুৰ নেতৃত্বই সন্দেহ প্ৰকাশ কৰি অতিশীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈও দাবী জনায়। উল্লেখ্য, কেএচিৰ গঠনৰ দিনাৰ পৰাই আৰম্ভ হোৱা বিতৰ্কৰ আজিও অৱসান ঘটা নাই । সেয়ে কেএচিৰ দায়িত্বত থকাসকলে যদি ৰাইজ তথা স্বগোষ্ঠীয় দল-সংগঠনক আস্থা আৰু বিশ্বাসত লৈ সকলোৰে সৈতে আলাপ-আলোচনাৰ মাজৰে আগনাবাঢ়ে, তেতিয়াহ'লে পৰিষদখনে কমতাপুৰ স্বায়ত্তশাসিত অঞ্চলৰ কিমানদূৰ উন্নয়ন সাধিব পাৰিব তাক লৈ সন্দেহ আছে।

## একনাথ সিন্দে সতাৰাৰ পৰা

তেওঁৰ ঘৰ সতাৰা চহৰৰ পৰা ৬০ কিলোমিটাৰ দূৰত্বত অৱস্থিত ডাৰে টাম্ব গাঁৱৰ। তেওঁৰ আগতে ৰাজ্যখনৰ জিলাখনৰ পৰা তিনিজন মুখ্যমন্ত্ৰী আছিল- যশৱন্তৰাও চাৱন (ৰাজ্যৰ প্ৰথম মুখ্যমন্ত্ৰী), বাবাচাহেব ভোছালে আৰু পৃথ্বীৰাজ চাৱন। আনহাতে, আন এজন প্ৰাক্তন মুখ্যমন্ত্ৰী পাৱাৰ মূলতঃ পুনে জিলাৰ বাৰামতিৰ সৈতে জড়িত হৈ থকাৰ বিপৰীতে এনচিপি নেতাগৰাকীয়ে সাংবাদিকৰ আগত কয় যে তেওঁৰ পৰিয়ালৰ শিপা আছে সতাৰাৰ কোৰেগাঁও তহচিলত। উল্লেখ্য যে, 'প্ৰয়াত যশৱন্তৰাও চাৱন, বাবাচাহেব ভোছালে আৰু পৃথ্বীৰাজ চাৱনৰ পিছত আন এজন সতাৰা-কাৰে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছে।'- দিনটোৰ পূৰ্বে টুইট কৰিছিল। জিলাখনৰ জ্যেষ্ঠ সাংবাদিক বিজয় মণ্ডুকে কয় যে ৰাজ্যৰ ৰাজনীতিত সতাৰাৰ নেতা সদায় প্ৰভাৱশালী হৈ আহিছে। জিলাখনৰ শিৱসেনাৰ নেতা তথা সিন্দেৰ জন্মভূমিৰ দৰে গাঁৱৰ বাসিন্দা গণেশ উটেকাৰে কয় যে বিজেপি নেতা দেৱেন্দ্ৰ ফাড়নবীশে সিন্দেক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰাৰ সময়ত তেওঁলোক সকলোৰে বাবে এক সুখদায়ক জোকাৰণিৰ সৃষ্টি হৈছিল। তেওঁ লগতে কয় যে গাঁৱৰ সকলোৰে উন্নয়ন উদ্‌যাপন কৰিছে। স্থানীয় এখন বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰা সিন্দে নিয়মীয়াকৈ গাঁওখন ভ্ৰমণ কৰে আৰু বাৰ্ষিক গাঁও মেলা বাদ নিদিয়ে বুলিও উটেকাৰে জনায়। শিৱসেনাৰ নেতা একনাথ সিন্দে বৃহস্পতিবাৰে মহাৰাষ্ট্ৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বিপৰীতে বিজেপিৰ দেৱেন্দ্ৰ ফাড়নবীশে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। সন্ধিয়া ৭.৩০ বজাৰ কিছু সময়ৰ পাছতে উজনি মুম্বাইৰ ৰাজভৱনত ৰাজ্যপাল ভগত সিং কোশ্বাৰীয়ে তেওঁলোকক শপতনামা প্ৰদান কৰে। শিৱসেনাৰ প্ৰয়াত নেতা বাল ঠাকৰে আৰু আনন্দ দীঘেক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সিন্দেৰ আৰম্ভণি কৰে। শপতগ্ৰহণ শেষ কৰাৰ সময়ত তেওঁৰ সমৰ্থকসকলে ঠাকৰে আৰু দীঘেক প্ৰশংসা কৰি শ্ল'গানেৰে চিঞৰিছিল।

## মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ

নাম প্ৰস্তাৱ কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা দেৱেন্দ্ৰ ফাৰনৱিচে। ইয়াৰ লগে লগে ৰাজ্যখনত ৰাজনৈতিক অস্থিৰতাৰ সমাপ্তি ঘটা বুলিব পাৰি। প্ৰণিধানযোগ্য এয়ে যে তদানীন্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই বুধবাৰে সন্ধিয়া মুখ্যমন্ত্ৰী পদৰ পৰা ইস্তফা দিয়ে। কিয়নো বৃহস্পতিবাৰে বিধানসভাৰ মজিয়াত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ নিৰ্দেশ দিছিল ৰাজ্যপালে। ৰাজ্যপালৰ এই নিৰ্দেশৰ স্থগিতাদেশ জাৰি কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। কিন্তু সৰ্বোচ্চ ন্যায়ালয়ে ৰাজ্যপালৰ পক্ষত ঠিয় দিয়ে। লগে লগে সদনত পৰাজয়ৰ সম্ভাৱনা আগতীয়াকৈ স্বীকাৰ কৰি উদ্ধৱ থাকৰেই মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল। ইয়াৰ পিছতে বিজেপিৰ সহযোগত একনাথ সিন্দেই চৰকাৰ গঠনৰ কুচকাৱাজ চলাইছিল। এদিন আৰু এনিশাৰ আলোচনাৰ পিছতে বৃহস্পতিবাৰে সন্ধিয়া ৭.৩০ বজাত নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে সিন্দেই। উল্লেখ্য যে ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভাত সম্প্ৰতি বিধায়কৰ সংখ্যা ২৮৭ গৰাকী। চৰকাৰ গঠনৰ বাবে আৱশ্যক কমেও ১৪৪ জন বিধায়কৰ সমৰ্থনৰ। সম্প্ৰতি একনাথ সিন্দে শিবিৰত আছে ৫০ জন বিধায়ক। বিজেপিৰ ১০৬ আৰু নিৰ্দলীয়কে ধৰি অন্যান্য ক্ষুদ্ৰ দলৰ ১৪ জনে চৰকাৰৰ পক্ষত ঠিয় দিছে। গতিকে চৰকাৰী পক্ষৰ বিধায়কৰ সংখ্যা ১৭০ জনলৈ বৃদ্ধি হ'ল। ইয়াৰ বিপৰীতে বিৰোধী পক্ষত ১১৫ জনলৈ নামিল সদস্যৰ সংখ্যা। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ ১৫, এন চি পি দলৰ ৫৩, কংগ্ৰেছৰ ৪৪ আৰু অন্য দলৰ তিনি বিধায়ক থাকিল বিৰোধী শিবিৰত। আনহাতে বিজেপিৰ নিজাকৈ ১০৬ জন বিধায়কসহ বিধানসভাত সৰ্ববৃহৎ দল হিচাপে পৰিগণিত হোৱাৰ পিছতো মুখ্যমন্ত্ৰীৰ পদ এৰি দিয়া দেখা গ'ল। প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱেন্দ ফাৰনবিচে নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে একনাথ সিন্দেৰ নাম প্ৰস্তাৱ কৰে। বিজেপিৰ শীৰ্ষ নেতৃত্বই লোৱা সিদ্ধান্ত অনুসৰি দেৱেন্দ্ৰই উপ-মুখ্যমন্ত্ৰী হিচাপে চৰকাৰত কাৰ্য নিৰ্বাহ কৰিবলৈ সন্মত হয়। সেয়েহে বৃহস্পতিবাৰে সন্ধিয়া ৰাজভৱনত মুখ্যমন্ত্ৰী একনাথৰ লগতে উপ-মুখ্যমন্ত্ৰী পদত দেৱেন্দ্ৰই চৰকাৰৰ পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰে। অৱশ্যে চৰকাৰৰ মন্ত্ৰীসভাই শপত লোৱা নাই এই অনুষ্ঠানত। দুয়োটা দলে আলোচনা কৰি মন্ত্ৰীসভাৰ তালিকা শীঘ্ৰে চূড়ান্ত কৰিব আৰু ইয়াৰ পিছতে মন্ত্ৰীসভাৰ সদস্যসকলে শপত ল'ব বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে ৫৮ বছৰীয়া একনাথ সিন্দে আছিল উদ্ধৱ থাকৰে চৰকাৰৰ নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী। শিৱসেনা দলত তেওঁৰ স্থান থাকৰেৰ পিছতে আছিল। কিন্তু যোৱা এপযেকত দুয়োজনৰ মাজত তীব্ৰ মতানৈক্য হোৱা দেখা গ'ল। যাৰ বাবে শিৱসেনা বিধায়িনী দলৰ মুৰব্বী পদৰ পৰা একনাথ সিন্দেক অপসাৰণ কৰা হ'ল। ইয়াৰ পোতক তুলিবলৈ একনাথে নিজৰ সমৰ্থিত ২২ বিধায়কক লগত লৈ গুজৰাটৰ চুৰাটলৈ উৰা মাৰিছিল। পিছত দলটোৰে গুৱাহাটীলৈ আহে। দিন যোৱাৰ লগে লগে একনাথ শিবিৰৰ সদস্যৰ সংখ্যা বৃদ্ধি পায়। এসময়ত অটো চালক হিচাপে জীৱন নিৰ্বাহ কৰা একনাথ সিন্দেই শিৱসেনা দলত যোগদান কৰিছিল আৰু বালাচাহেব থাকৰেৰ একান্ত অনুগামী আৰু ভক্ত হিচাপে পৰিগণিত আছিল। সময়ত শিৱসেনাৰ অন্যতম শক্তিশালী নেতা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। চৰকাৰৰ মজিয়াৰ পৰা কংগ্ৰেছ আৰু এন চি পি দলক ত্যাগ কৰিবলৈ উদ্ধৱ থাকৰেক বাৰম্বাৰ আহ্বান জনাই ব্যৰ্থ হোৱাৰ বাবেই বালাচাহেব থাকৰেৰ হিন্দুত্বৰ আদৰ্শ শিৰোধাৰ্য কৰি নতুন চৰকাৰ গঠনৰ বাবে আগুৱাইছিল। ১৯৯৭চনত পৌৰ নিগমৰ ৱাৰ্ড সদস্য হিচাপে সংসদীয় ৰাজনীতিত প্ৰৱেশ কৰিছিল আৰু ২০০৪ চনৰ পৰা বিধানসভালৈ নিৰ্বাচিত হৈ আছে। সেইজন একনাথে আজি বালাচাহেবৰ পুত্ৰ উদ্ধৱ আৰু তেওঁৰ অনুগামী শিৱসৈনিকসকলক ওফৰাই দি বিজেপিৰ সমৰ্থনত মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হ'ল।

**মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে একনাথ সিন্দেই, উপ-মুখ্যমন্ত্ৰীৰ পদত দেৱেন্দ্ৰ ফাড়নৱীশ**

অৱশেষত সকলো বিদ্ৰোহ-বিসম্বাদৰ মোখনি মাৰি আজি সন্ধিয়া ৭.৩০ বজাত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে একনাথ সিন্দেই। একেদৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে দেৱেন্দ্ৰ ফাড়নৱীশে। এক টুইটযোগে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডাৰ অনুৰোধত ফাড়নৱীশে মন্ত্ৰীসভাৰ সদস্য হ'বলৈ সন্মত হৈছে। তেওঁ মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ সেৱা কৰিব। বৃহস্পতিবাৰে আবেলি এক সংবাদ মেলত ফাড়নৱীশে কৈছিল যে তেওঁ মন্ত্ৰীসভাৰ পৰা আঁতৰি থাকিব। তেওঁ মন্ত্ৰীসভাৰ সদস্য নহয়। এখন সংবাদ মেলত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাড়নৱীশে কয়, 'মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণৰ পিছত কেবিনেটৰ সিদ্ধান্ত লোৱা হ'ব। শিৱসেনা আৰু বিজেপি নেতাসকলে শপত ল'ব। মই চৰকাৰৰ পৰা আঁতৰি থাকিম।' জানিব পৰা গৈছে যে জে পি নাড্ডাই তাৰ পিছত ফাড়নৱীশক ফোন কৰিছিল আৰু তেওঁক অনুৰোধ কৰিছিল। তেওঁ ফাড়নৱীশক মন্ত্ৰীসভাৰ সদস্য হ'বলৈ কৈছিল। অমিত শ্বাহে কয় যে তাৰ পিছতে ফাড়নৱীশে তেওঁৰ মন সলনি কৰে। দিনৰ সংবাদ মেলত বিদায়ী মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰেক লক্ষ্য কৰি দেৱেন্দ্ৰ ফাড়নৱীশে কৈছিল, 'বিজেপি হৈছে মহাৰাষ্ট্ৰৰ সৰ্ববৃহৎ দল। বিজেপি-শিৱসেনাই চৰকাৰ গঠন কৰিছিল। কিন্তু উদ্ধৱ ঠাকৰেই আন এটা সিদ্ধান্ত লৈছিল। জনসাধাৰণৰ ৰায়ক অপমান কৰা হৈছে। কংগ্ৰেছে এই দায়ৰ পৰা সাৰি যাব নোৱাৰে। শিৱসেনাৰ শাসনত কোনো উন্নয়ন হোৱা নাই।' মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে একনাথ সিন্দে। আনহাতে, উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে দেৱেন্দ্ৰ ফাড়নৱীশে। এক টুইটযোগে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বিজেপিৰ সৰ্বভাৰতীয় সভাপতি জে পি নাড্ডাৰ অনুৰোধত ফাড়নৱীশে মন্ত্ৰীসভাৰ সদস্য হ'বলৈ সন্মত হৈছে। তেওঁ মহাৰাষ্ট্ৰৰ জনসাধাৰণৰ সেৱা কৰিব। বৃহস্পতিবাৰে আবেলি এক সংবাদ মেলত ফাড়নৱীশে কৈছিল যে তেওঁ মন্ত্ৰীসভাৰ পৰা আঁতৰি থাকিব। তেওঁ মন্ত্ৰীসভাৰ সদস্য নহয়। এখন সংবাদ মেলত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাড়নৱীশে কয়, 'মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণৰ পিছত কেবিনেটৰ সিদ্ধান্ত লোৱা হ'ব। শিৱসেনা আৰু বিজেপি নেতাসকলে শপত ল'ব। মই চৰকাৰৰ পৰা আঁতৰি থাকিম।' জানিব পৰা গৈছে যে জে পি নাড্ডাই তাৰ পিছত ফাড়নৱীশক ফোন কৰিছিল আৰু তেওঁক অনুৰোধ কৰিছিল। তেওঁ ফাড়নৱীশক মন্ত্ৰীসভাৰ সদস্য হ'বলৈ কৈছিল। অমিত শ্বাহে কয় যে তাৰ পিছতে ফাড়নৱীশে তেওঁৰ মন সলনি কৰে। দিনৰ সংবাদ মেলত বিদায়ী মুখ্যমন্ত্ৰী উদ্ধৱ ঠাকৰেক লক্ষ্য কৰি দেৱেন্দ্ৰ ফাড়নৱীশে কৈছিল, 'বিজেপি হৈছে মহাৰাষ্ট্ৰৰ সৰ্ববৃহৎ দল। বিজেপি-শিৱসেনাই চৰকাৰ গঠন কৰিছিল। কিন্তু উদ্ধৱ ঠাকৰেই আন এটা সিদ্ধান্ত লৈছিল। জনসাধাৰণৰ ৰায়ক অপমান কৰা হৈছে। কংগ্ৰেছে এই দায়ৰ পৰা সাৰি যাব নোৱাৰে। শিৱসেনাৰ শাসনত কোনো উন্নয়ন হোৱা নাই।' বিজেপিয়ে কিয় মুখ্যমন্ত্ৰীৰ পদটো শিৱসেনাক এৰি দিলে সেয়া বহুতৰে বাবে সাঁথৰ হৈ থাকিল। কাৰণ ২০১৯ চনৰ নিৰ্বাচনত বিজেপিয়ে ৰাজ্যখনত সৰ্বাধিকসংখ্যক আসন লাভ কৰিছিল।

## মণিপুৰৰ ননী জিলাৰ টুপুলত ভয়াৱহ ভূমিস্খলনত নিহত ১৩

মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ কুশতলী অঞ্চলৰ ২৩জনকৈ শ্ৰমিক। ইয়াৰে এজন শ্ৰমিক নিহত, ৫জন শ্ৰমিক চিকিৎসাধীন আৰু ১৭জনকৈ শ্ৰমিক নিৰুদ্দেশ হৈ আছে। মৃত শ্ৰমিকজনৰ নাম গোপাল ফুকন (৩২)। শ্ৰমিকজন চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। মৃত শ্ৰমিকজনৰ ঘৰ অঞ্চলটোৰ খোৰাগোসাঁইবড়ি গাঁৱত। আন ১৭জন শ্ৰমিক এতিয়াও নিৰুদ্দেশ হৈ আছে। নিৰুদ্দেশ হৈ থকা শ্ৰমিককেইজন হৈছে অঞ্চলটোৰ কোচকাটি গাঁৱৰ দীপাংকৰ বৰদলৈ (২৭), খোৰাগোসাঁইবড়ি গাঁৱৰ হনুমান কোঁৱৰ (৪৭), সনাল কোঁৱৰ (৩০), উৎপল ফুকন (৪০), মমিন ডেকাৰজা (৪০), আকাশ লৰম (২১), পল্লৱ লৰম (২২), দেৱজিৎ ফুকন (২৩), বগীয়ান্ত লৰম (৪০), ৰামু ফুকন (৩৫), কুশতলীৰ জুনটি বৰদলৈ (২৭) আৰু লাউভূৰুঙ্গাৰ হৰমোহন ডেকা (৩০)। নিৰুদ্দেশ হোৱা আন চাৰিজন শ্ৰমিকৰ নাম প্ৰকাশ হোৱা নাই। আনহাতে, আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা শ্ৰমিককেইজন হৈছে কুশতলীৰ প্ৰহ্লাদ বসুমতাৰী (১৯), খোৰাগোসাঁইবড়িৰ মণিৰাম ফুকন (৩৫), ৰমেন ফুকন (৩৩), মহেশ্বৰ ফুকন (৩২) আৰু আমগুৰিৰ জুন বসুমতাৰী (২৪)। উল্লেখ্য যে লাহৰীঘাটৰ আটাইকেইজন শ্ৰমিক মণিপুৰত ৰে'ল লাইন নিৰ্মাণৰ কামত জড়িত আছিল। জানিব পৰা মতে, আজিৰ পৰা ২০ দিন পূৰ্বে শ্ৰমিককেইজন মণিপুৰত কামলৈ গৈছিল। ইফালে এই খবৰ পাই আটাইকেইজন শ্ৰমিকৰ ঘৰৰ পৰিয়ালৰ লোক কান্দোনত ভাগি পৰিছে। আনহাতে, আত্মীয়ই নিৰুদ্দিষ্ট শ্ৰমিককেইজনক উদ্ধাৰৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে।

## ধেমাজিত বানৰ প্ৰকোপ বৃদ্ধি

আটাইতকৈ বেছি সংকটজনক অৱস্থালৈ গতি কৰিছে গোগামুখ। গোগামুখৰ মুঠ ৩২খন ৰাজহ গাঁৱলৈ জীয়াধল, কুমটীয়া, ন-নদী আৰু বুঢ়ীসুঁতি নদীয়ে মহাপ্লাৱণ নমাই আনিছে। ইয়াৰে গোবিন্দপুৰ, বৈজয়ন্তীপুৰ, কদমগুৰি, বামচেনিয়া, দক্ষিণ নলবাৰী, ৰূপহী কুকুৰা চৰা, মিংমাং সৰিয়নি, ঔগুৰি, টাইগাৰগুৰি, বেতবাৰী, জৰাই, গড়পৰা, মাজৰবাৰী, কৌপাতনি, মইনাপৰা, হিলৈমাৰীখাট, চেনিয়া দেউৰী, গৰৈমাৰী, আমগুৰি, বেৰভঙা, ২নং চেলাজান, ১নং চেলাজান, ১নং চুতীয়াকাৰী, চুতীয়াকাৰী, বৰগুৰি, ন-পাম বেৰভঙা, ৰতুৱা, ১নং বেতনিহোলা, বৰদৈ বঙালী, পতিতভূমি দৰ্কাস্ত আৰু ২১ নং এফ চি গ্ৰাণ্ট গাঁওসমূহ সম্পূৰ্ণৰূপে বাঢ়নী পানীয়ে বুৰাই পেলাইছে। গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা বানাক্ৰান্তক খাদ্য-সামগ্ৰী যোগান দি আছে যদিও বানাক্ৰান্ত গাঁও সমূহত শিশুখাদ্য আৰু পশুখাদ্যৰ সমস্যাই দেখা দিছে। ইপিনে গোগামুখ নগৰৰ মাজমজিয়াত ভয়াৱহ কৃত্ৰিম বানে দেখা দিছে। কৃত্ৰিম বানৰ ফলত গোগামুখ-লখিমপুৰ পথৰ কাষত থকা বন বিভাগৰ সামাজিক বনানীকৰণ কাৰ্যালয়ৰ ভূমিত থকা এটা প্ৰকাণ্ড ইউকেলিপটাছ গছ পৰি সামাজিক বনানীকৰণৰ কাৰ্যালয় গৃহটো সম্পূৰ্ণৰূপে দুফাল কৰি দিয়ে। এই দুৰ্ঘটনাত দৈৱক্ৰমে কোনো লোক হতাহত নহ'ল। আনপিনে আজি গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ৩২খন ৰাজহ গাঁৱত তিনি দিনৰ বাবে প্ৰশাসনে খাদ্য সামগ্ৰী বিতৰণ কৰিছে । অৱশ্যে ইয়াৰ পূৰ্বেও সমসংখ্যক গাঁৱত গোগামুখ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা বান সাহায্য বিতৰণ কৰিছিল।

## বজৰংগ দল-বিশ্ব হিন্দু

বিফলতা আৰু মৌলবাদীৰ বিৰুদ্ধে সংগঠন দুয়োটাৰ উত্তৰ কামৰূপ জিলাৰ উদ্যোগত ৰূপায়ণ কৰে এই প্ৰতিবাদ। বজৰংগ দল জিন্দাবাদ, বিশ্ব হিন্দু পৰিষদ জিন্দাবাদ, জয়শ্ৰী ৰাম, মৌলবাদী মুৰ্দাবাদ, হিন্দু হত্যাকাণ্ড বন্ধ কৰক, ৰাজস্থান চৰকাৰ হায় হায় আদি ধ্বনিৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। তদুপৰি প্ৰতিবাদস্থলীত সংগঠনটোৱে পুত্তলিকাও দাহন কৰে। ইয়াৰ পিছত স্থানীয় বাইহাটা চাৰিআলি থানাৰ আৰক্ষীৰ লগতে ৰঙিয়া মহকুমা আৰক্ষী বিষয়াও ঘটনাস্থলীত উপস্থিত হয়। এই প্ৰতিবাদস্থলীত বজৰংগ দলৰ উত্তৰ-পূব প্ৰান্তৰ সহঃ সংযোজক সুনীল লহকৰ, বিশ্ব হিন্দু পৰিষদ উত্তৰ কামৰূপ জিলা সম্পাদক শৈলাজানন্দ ভট্টাচাৰ্য, বজৰংগ দলৰ উত্তৰ কামৰূপ জিলা সংযোজক মৃদুল ডেকা, বজৰংগ দলৰ উত্তৰ কামৰূপ জিলা সহঃ সংযোজক শংকৰ কাকতি, ইন্দ্ৰজিৎ ডেকাৰ লগতে অৰ্ধশতাধিক সংগঠনটোৰ কাৰ্যকৰ্তা উপস্থিত থাকে। প্ৰতিবাদকাৰী সংগঠনটোৰ দলটোক আৰক্ষীয়ে আটক কৰি স্থানীয় থানালৈ লৈ যায়। এই প্ৰতিবাদৰ ফলত প্ৰায় এঘণ্টা সময় বাইহাটা চাৰিআলিস্থিত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ হোৱাত অঞ্চলটোত যান-বাহনৰ চলাচল ব্যাহত হৈ পৰে।



## বানক ৰাষ্ট্ৰীয় সমস্যা হিচাপে

জিলা উপায়ুক্ত কাৰ্যালয়ৰ সমীপত এই কাৰ্যসূচী ৰূপায়ণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ছাত্ৰ সন্থাৰ কৰ্মী আৰু সমৰ্থকসকলে বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰক, খহনীয়া সমস্যা শীঘ্ৰে সমাধান কৰক, আছু জিন্দাবাদ আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে বানাক্ৰান্ত লোকসকলক উপযুক্ত সাহায্য দিবলৈ চৰকাৰক দাবী জনায়। এই কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক ৰণ্টু শৰ্মা, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়া, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকনজ্যোতি বৰুৱাসহ সন্থাৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

**বিশ্বনাথ নগৰত আছুৰ বিক্ষোভ কাৰ্যসূচী ঃ প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত বাক-বিতণ্ডা**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩০ জুন ঃ** বিশ্বনাথ নগৰৰ মাজমজিয়াত আজি আছুৱে গ্ৰহণ কৰিলে বিক্ষোভ কাৰ্যসূচী। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে বিশ্বনাথ আছুৱে গ্ৰহণ কৰা এই বিক্ষোভ কাৰ্যসূচীত বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি স্থায়ী সমাধান কৰা আৰু বানাক্ৰান্তক পৰ্যাপ্ত সাহায্যৰ লগতে পুনৰ সংস্থাপনৰ দাবী কৰে। ইফালে ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে বিশ্বনাথতো সান্ধ্য আইন ১৪৪ধাৰা অব্যাহত থকাৰ বাবে প্ৰশাসনে এই কাৰ্যসূচী ৰূপায়ণ কৰাত প্ৰতিবাদকাৰীক বাধা প্ৰদান কৰে। প্ৰতিবাদকাৰীসকলে প্ৰশাসনৰ বাধা নেওচি প্ৰতিবাদ কৰাত আৰক্ষীৰ লগত তীব্ৰ বাক্-বিতণ্ডাৰ সৃষ্টি হয়। উক্ত কাৰ্যসূচীত বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে আটাইকেইখন আঞ্চলিক সমিতিৰ বিষয়ববীয়া উপস্থিত থাকি বিভিন্ন ধৰণৰ চৰকাৰ বিৰোধী শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদকাৰীসকলে।



## ছত্ৰঙৰ খৰস্ৰোতা পানীৰ

কাণ্ডজ্ঞানহীনতাৰ বাবে আজি ভয়াৱহ পৰিণতি ঘটিল অভিশপ্ত ছত্ৰঙৰ বুকুত। ছত্ৰঙৰ খৰস্ৰোতা বাঢ়নী পানীৰ মাজত মথাউৰি মেৰামতি কৰোৱাৰ পৰিণতিত প্ৰাণ গ'ল এগৰাকী খাটিখোৱা শ্ৰমিকৰ। উল্লেখ্য যে, গহপুৰ পৌৰ সভাৰ অন্তৰ্গত ছত্ৰং মাজগাঁৱৰ (৮নং ৱাৰ্ড) ৰে'ল আলিৰ কাষত থকা ছত্ৰং নৈৰ মথাউৰিৰ প্ৰায় ৪০ মিটাৰ দৈৰ্ঘ্য নৈখনৰ খৰস্ৰোতা বাঢ়নী পানীয়ে ১৬ মে'ৰ পুৱা ছিঙি নিয়াৰ ফলত মহাপ্ৰলয়ৰ সৃষ্টি হৈছিল গহপুৰ নগৰত। গহপুৰ জলসম্পদ বিভাগে ১৮ মে'ৰ পৰা উক্ত ভগ্ন অংশত জিঅ' বেগেৰে মথাউৰি মেৰামতিৰ কাম আৰম্ভ কৰে। ২১ মে'ত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা উক্ত মথাউৰিটো চাবলৈ অহাৰ সময়লৈকে ঠিকেই কাম চলি আছিল যদিও মন্ত্ৰী যোৱাৰ পিছতে আধৰুৱা হৈ ৰয় মেৰামতিৰ কাম। গহপুৰ জলসম্পদ বিভাগে ছত্ৰঙৰ উক্ত ভগ্ন অংশটো সম্পূৰ্ণৰূপে মেৰামতি নকৰাৰ পৰিণতিত ২৮ জুনৰ পুৱাৰে পৰা উক্ত ভগ্ন অংশৰে তীব্ৰ গতিৰে বাঢ়নী পানী সোমাই মহাপ্ৰলয়ৰ সৃষ্টি কৰে গহপুৰ নগৰত। ছত্ৰঙৰ ধাৰাবাহিক বানত অতিষ্ঠ হৈ পৰা বানকবলিত ৰাইজে উক্ত ভগ্ন অংশটো সম্পূৰ্ণকৈ মেৰামতি কৰাৰ ক্ষেত্ৰত গহপুৰ জলসম্পদ বিভাগে চূড়ান্ত গাফিলতি কৰাৰ কথা সংবাদ মাধ্যমৰ আগত মুকলিকৈ প্ৰকাশ কৰে। আনহে নালাগে, যোৱা এমাহৰ ফৰকাল বতৰতো উক্ত অংশটো সম্পূৰ্ণকৈ মেৰামতি কৰিবলৈ আগবাঢ়ি নাহিল গহপুৰ জলসম্পদ বিভাগ। ইয়াৰ বিপৰীতে লাচিতে গড় বন্ধাৰ দৰে যোৱানিশাৰে পৰা খৰস্ৰোতা পানীৰ মাজত উক্ত অংশটো মেৰামতি কৰিবলৈ তৎপৰতা দেখুৱাই গহপুৰ জলসম্পদ বিভাগে। সেই অনুসৰি সহকাৰী কাৰ্যবাহী অভিযন্তা ৰহমৎ আলী আহমেদ আৰু কনিষ্ঠ অভিযন্তা শুভজিৎ চক্ৰৱৰ্তীৰ তদাৰকত উক্ত অংশটো মেৰামতি কৰিবলৈ ঠিকাদাৰ ৰাজীৱ লোহিয়াই শ্ৰমিক নিয়োগ কৰে। এবুকু পানীৰ মাজত নিজৰ জীৱনকো তুচ্ছ কৰি প্ৰায় কুৰিজন শ্ৰমিকে জিঅ' বেগত বালি ভৰাই উক্ত অংশটো মেৰিমতি কৰিবলৈ যুদ্ধকালীন তৎপৰতা চলোৱাৰ মাজতে আজি দুপৰীয়া প্ৰায় ১.৩০ বজাত এক ভয়ানক অঘটন ঘটে উক্ত স্থানত। বোৱঁতী খৰস্ৰোতা পানীৰ মাজত যুঁজ দি বালি ভৰ্তি জিঅ' বেগ জাপি থকাৰ সময়ত জিঅ' বেগৰ হেঁচাত পলসৰ মাজত সোমাই মৃত্যু হয় এগৰাকী কৰ্মৰত শ্ৰমিকৰ। বহু সময় বিচাৰ-খোঁচাৰ কৰাৰ অন্তত প্ৰায় ডেৰ ঘণ্টাৰ পিছত পলসৰ মাজৰ পৰা মৃত অৱস্থাত উদ্ধাৰ কৰা হয় শ্ৰমিকজনক। মৃত শ্ৰমিকজন ঢকুৱাখনাৰ কোবাং গাঁৱৰ চিৰ কুমাৰ চণ্ডী (৪০) বুলি জানিব পৰা গৈছে। বিভাগীয় মন্ত্ৰীক কামৰ তৎপৰতা দেখুৱাবলৈ সস্তীয়া চমক দেখুওৱা গহপুৰ জলসম্পদ বিভাগে যোৱা এমাহৰ ভিতৰত উক্ত মেৰামতিৰ কাম সম্পন্ন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ পৰিৱৰ্তে শ্ৰমিকৰ জীৱনক তুচ্ছ জ্ঞান কৰি এবুকু পানীৰ মাজত কাম কৰোৱাৰ এয়া ভয়ংকৰ পৰিণতি বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। খাটিখোৱা শ্ৰমিকজনৰ বিয়োগত সমগ্ৰ গহপুৰত গভীৰ শোকৰ ছাঁ পৰিছে।



## লাওখোৱাত সমূহীয়া বীজতলিত বীজ সিঁচি কৃষকৰ সৈতে ট্ৰেক্টৰেৰে মাটি চহ কৰিলে কৃষিমন্ত্ৰীয়ে

### বানাক্ৰান্ত কৃষকক সকাহ দিবলৈ ৰাজ্যজুৰি সমূহীয়া কঠীয়াতলি স্থাপন কৰা হ'ব ঃ কৃষিমন্ত্ৰী অতুল বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩০ জুন ঃ** নগাঁৱৰ লাওখোৱা চৰকাৰী বীজপামত আজি জিলা কৃষি বিভাগৰ উদ্যোগত আৰু ব্ৰহ্মপুত্ৰ কৃষক উৎপাদক সংস্থাৰ সহযোগত আয়োজিত সমূহীয়া বীজ সিঁচা পৰ্বত কৃষিমন্ত্ৰী অতুল বৰাই অংশ লৈ কৃষকসকলৰ সৈতে একেলগে ট্ৰেক্টৰেৰে মাটি চহ কৰি কৃষকসকলক উৎসাহিত কৰে। উক্ত অনুষ্ঠানত অংশ লৈ কৃষিমন্ত্ৰী বৰাই কয়— ৰাজ্যখনৰ ৩২খন জিলাৰ ৭,২৬২খন গাঁৱৰ ৬,৮৩,৭৮৫টা কৃষক পৰিয়াল শেহতীয়া বানত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১,৪৩,০০০ হেক্টৰো অধিক কৃষিভূমি জলমগ্ন হৈছে। নগাঁও জিলাখনৰো ৩,৩৩৮খন গাঁৱৰ ৩৫,০০০ৰো অধিক কৃষক পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ১৯,০০০ হেক্টৰো অধিক কৃষিভূমি জলমগ্ন হৈছে। ৬ হেক্টৰ ভূমিত সিঁচা বাহাদুৰ ছাব-১ শীৰ্ষক বানপানী সহনশীল তথা কমসময়ৰ ভিতৰতে উৎপাদনক্ষম জাতৰ ধানৰ এই প্ৰজাতি বিধৰ বীজসমূহে বানত কঠীয়া নষ্ট হোৱা নগাঁৱৰ কৃষকসকললৈ আশাৰ ৰেঙনি কঢ়িয়াই আনিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে। উল্লেখ্য যে সম্প্ৰতি নগাঁও জিলাৰ বান পৰ্যবেক্ষণ আৰু তদাৰকত ব্যস্ত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিবৰ বাবে বানৰ কবলত পৰা প্ৰতিখন জিলাত পৰ্যাপ্ত পৰিমাণৰ সমূহীয়া কঠীয়াতলি স্থাপন আৰু উন্নতমানৰ ধানৰ বীজ বিতৰণৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে সংশ্লিষ্ট বিষয়াসকলক এই সন্দৰ্ভত যাৱতীয় নিৰ্দেশনা দিয়াৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমযোগে অৱগত কৰে। তেওঁ কয়— এই বছৰ ক্ষতিগ্ৰস্ত কৃষকসকলে ক্ষতিপূৰণ নিৰ্ধাৰিত সময়তকৈ আগতেই লাভ কৰিব, সেয়েহে বিভাগীয় ক্ষতিপূৰণ প্ৰদান প্ৰক্ৰিয়াটো ক্ষিপ্ৰ কৰি তোলাৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজিৰ এই অনুষ্ঠানত নগাঁৱৰ জিলা কৃষি বিষয়া তৰুণ হাজৰিকা, মহকুমা কৃষি বিষয়াসকল ক্ৰমে প্ৰাণেশ্বৰ নাথ, ৰঞ্জন প্ৰতিম ডেকা, বিষ্ণু শৰ্মা, মিজানুৰ ৰহমান চৌধুৰী, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া দিলীপ বৰা প্ৰমুখ্যে ব্ৰহ্মপুত্ৰ কৃষক উৎপাদক সংস্থাটোৰ সদস্যসকল আৰু কৃষকসকল উপস্থিত থাকে।

## কুলাজানত নদীত গা ধুবলৈ গৈ কিশোৰৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ৩০ জুন ঃ** ধেমাজি জিলাৰ চিলাপথাৰ থানাৰ অন্তৰ্ভুক্ত টঙানি নদীত গা ধুবলৈ গৈ এটি শিশুৰ মৃত্যু হোৱাৰ বাতৰি পোহৰলৈ আহিছে। উল্লেখ্য, চিলাপথাৰৰ সমীপৰ কুলাজানৰ কাষেৰে বৈ যোৱা টঙানি নদীৰ এটা সুঁতিত গা ধুবলৈ গৈ এটি কিশোৰৰ সলিল সমাধি ঘটা ঘটনাই কুলাজান অঞ্চলত শোকৰ ছাঁ পেলাইছে। জানিব পৰা অনুসৰি কুলাজান গাঁৱৰ মনমোহন কুলীৰ ১৩ বছৰীয়া পুত্ৰ ৰাহুল কুলীয়ে স্কুলৰ গৰমৰ বন্ধ হোৱাৰ বাবে আজি দুপৰীয়া কেইজনমান লগৰীয়াৰ লগত নদীত গা ধুবলৈ যায়। কুলাজানৰ বগীবিল সংযোগী সেৱা পথৰ পৰা লতৰ চুকলৈ যোৱা পথৰ কাষেৰে বৈ যোৱা টঙানি নদীৰ সুঁতিটোত গা ধুই থাকোতেই নদীৰ প্ৰবল সোঁতত উটি যায় কিশোৰজন । ৰাইজে বহু সময় বিচাৰ-খোঁচাৰ কৰাৰ অন্তত অৱশেষত উদ্ধাৰ কৰিবলৈ সক্ষম হয় ৰাহুলৰ মৃতদেহ। সম্প্ৰতি কুলাজান আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে । কুলাজানৰ ব্যাপ্টিষ্ট ইংলিছ স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আছিল ৰাহুল কুলী।

## একনাথ সিন্দে

মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে। তেওঁ হৈছে শিৱসেনাৰ নেতা একনাথ সিন্দে। যোৱানিশা উদ্ধৱ থাকৰেই পদত্যাগ কৰাৰ পাছত আজি মুম্বাইত গৈ উপস্থিত হৈছিলগৈ একনাথ সিন্দে। মুম্বাইত উপস্থিত হৈয়ে দেৱেন্দ্ৰ ফাড়নবীশৰ বাসভৱনত উপস্থিত হৈছিল একনাথ সিন্দে। তাৰ পাছত ফাড়নবীশ আৰু সিন্দেই ৰাজ্যপাল ভগত সিং কোশিয়াৰীক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ প্ৰক্ৰিয়া নিশ্চিত কৰি তোলে। ফাড়নবীশ আৰু সিন্দেয়ে ৰাজ্যপাল ভগত সিং কোশিয়াৰীৰ সৈতে সাক্ষাৎ কৰিবলৈ ৰাজভৱনত উপস্থিত হৈছে। উচ্চতম ন্যায়ালয়ে উদ্ধৱ থাকৰেই সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগিব বুলি ৰায় দিয়াৰ কিছু সময় পিছতে উদ্ধৱ থাকৰেয়ে কালি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰিছিল। বিজেপিশাসিত তিনিখন ৰাজ্যত হোৱা বিসম্বাদৰ পাছত শিৱসেনাৰ মুৰব্বীজনৰ সৈতে আছিল মাত্ৰ ১৩জন বিধায়ক। শিৱসেনাত যোগদান কৰাৰ আগতে সিন্দেই দীঘলীয়া সময়ৰ বাবে অটো চলাইছিল। তেওঁ দলৰ শ্ৰমিক সংঘও খুলি লৈছিল। ১৯৯৭ চনত, তেওঁ পৌৰ নিগমৰ নিৰ্বাচনত জয়ী হৈছিল। তেওঁৰ দুই সন্তান দীপেশ আৰু শুভদা, দুয়ো পানীত ডুবি যোৱাৰ ফলত মৃত্যুবৰণ কৰে। এই দুখৰ দিনটোৰ পিছত, তেওঁ ২০০১ চনত নিগমৰ সেনা নেতা হয়। থানেত তেওঁক গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হৈছে। তেওঁ ২০০৪ চনৰ বিধানসভা নিৰ্বাচনতো জয়ী হৈছিল। তেওঁ ২০০৫ চনত প্ৰথমবাৰৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। তেতিয়াৰ পৰা, শিৱসেনা সিন্দেৰ ওপৰত অতি নিৰ্ভৰশীল হৈ পৰিছে। ২০০৬ চনত যেতিয়া বালাচাহেব ঠাকৰেৰ ভতিজাক ৰাজ থাকৰেই দল ত্যাগ কৰিছিল তেতিয়া সিন্দেৰ প্ৰভাৱ বৃদ্ধি পাইছিল। আদৰ্শ আছিল বালাচাহেব ঠাকৰে। মহাৰাষ্ট্ৰৰ চাটাৰাৰ বাসিন্দা ৫৮ বছৰীয়া একনাথ সিন্দেৰ সফলতাই বহুতকে চমকিত কৰি তোলা পৰিলক্ষিত হৈছে।

## গুৱাহাটীত হ'ব মচলাৰ গুণগত

উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়— মচলা উৎপাদনৰ মানৰ ক্ষেত্ৰত চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব। অসম হৈছে উত্তৰ-পূব ভাৰতৰ প্ৰৱেশদ্বাৰ। বৰ্তমান ৰাজ্যখনত উন্নত হৈছে যোগাযোগ ব্যৱস্থা আৰু বিকাশ হৈছে আন্তঃগাঁথনি। মচলাকে আদি কৰি ৰাজ্য তথা উত্তৰ-পূব অঞ্চলত উৎপাদিত শস্য বহল প্ৰচাৰৰ লগতে এক ৰপ্তানিৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এইক্ষেত্ৰত অসমে বিশেষ ভূমিকা গ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত অৰুণাচল প্ৰদেশত কৃষি-পশুপালন-মীন মন্ত্ৰী টেগ টাকীয়ে আজিৰ ক্ৰেতা আৰু বিক্ৰেতা সন্মিলনত অংশ গ্ৰহণ কৰা লোকসকলক উদ্দেশ্যি কয় যে উত্তৰ-পূবত মচলা খণ্ডত বিকাশৰ বাবে পৰ্যাপ্ত পৰিমাণৰ প্ৰযুক্তি আৰু আন্তঃগাঁথনি উন্নয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। এইক্ষেত্ৰত আমি সকলোৰে আগভাগ লোৱা উচিত। অনুষ্ঠানটোত আইএফএছৰ সম্পাদক ডি সাথিয়াই আদৰণী ভাষণ আগবঢ়াই কয়- 'আন্তঃৰাষ্ট্ৰীয় ক্ৰেতা-বিক্ৰেতা সন্মিলনৰ আয়োজন কৰা হৈছে। ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ মচলা খণ্ড অধিক প্ৰসাৰ কৰা আৰু মানৰ লগতে আন্তঃগাঁথনি উন্নয়ন কৰা। ছিকিমত প্ৰচুৰ পৰিমাণে ইলাচী উৎপাদন হোৱাৰ লগতে অসমৰ কাৰ্বি আংলঙত আদা, জলকীয়া, বাৰ্থছ আইচিলি, হাথেই চিলি আৰু ডালে খুৰছানীৰ উৎপাদন সৰ্বাধিক। তেওঁ লগতে কয়— এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাসকলৰ সৈতে অঞ্চলটোৰ থলুৱা, উচ্চ মানৰ মচলাৰ বাবে পোনপটীয়া বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলা। এই সন্মিলন তথা প্ৰদৰ্শনীত অঞ্চলটোত উৎপাদিত শস্যসমূহ প্ৰদৰ্শন কৰাৰ লগতে বিশেষভাৱে আলোকপাত কৰা হয়। স্পাইছ ব'ৰ্ডে এই সন্মিলনৰ জৰিয়তে মচলাৰ ৰপ্তানিৰ এক পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰিছে। স্পাইছ ব'ৰ্ডৰ সম্পাদকগৰাকীয়ে শলাগৰ শৰাই আগবঢ়ায়। এই অনুষ্ঠানতে স্পাইছ ব'ৰ্ডে ২০১৯-২০, ২০২০-২১ আৰু ২০২১-২২ বৰ্ষৰ বাবে বৃহৎ ইলাচী উৎপাদনশীলতা বঁটা প্ৰদান কৰে। পদ্মশ্ৰী বঁটাপ্ৰাপক ট্ৰিনিটি চাইও, নানাদ্ৰো বি মাৰাককো সন্মানিত কৰা হয়। ইউৰোপ, আফ্ৰিকা, অষ্ট্ৰেলিয়া আৰু এছিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা আজি অনুষ্ঠিত ক্ৰেতা-বিক্ৰেতা সন্মিলনত ৫০ৰো অধিক প্ৰতিনিধি উপস্থিত থকাৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন সাতখন ৰাজ্যৰ মচলা বিক্ৰেতাই সন্মিলনত ভাগ লয়। কাইলৈ সামৰণি পৰিব এই সন্মিলনৰ। অনুষ্ঠানটোত কৃষি বিভাগৰ আয়ুক্ত সচিব ড° ওম প্ৰকাশ আৰু মচলা পৰিষদৰ সঞ্চালক ড° এ বি ৰেমাশ্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিনিধিসকলক সম্বোধন কৰে।

# মহাৰাষ্ট্ৰত আৰম্ভ হ'ল নতুন চৰকাৰ গঠনৰ কুচকাৱাজ

## প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰনৱিচ হ'ব পুনৰ মুখ্যমন্ত্ৰী, একনাথ সিন্দেলৈ উপ-মুখ্যমন্ত্ৰীৰ প্ৰস্তাৱ



**মুম্বাই, ৩০ জুন ঃ** মহাৰাষ্ট্ৰত নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া যোৱা নিশাৰ পৰা আৰম্ভ হৈছে। উচ্চতম ন্যায়ালয়ে আজি অৰ্থাৎ বৃহস্পতিবাৰে বিধানসভাৰ মজিয়াত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে ৰাজ্যপালৰ নিৰ্দেশ বাহাল ৰখাৰ লগে লগে যোৱা ৰাতি হঠাতে পদত্যাগ কৰে শিৱসেনা দলৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই। ইয়াৰ লগে লগে ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ পথ প্ৰশস্ত হৈ পৰিল। ১০৬ জনীয়া বিধায়কৰ বৃহৎ দল লগত লৈ প্ৰাক্তন মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰনৱিচে পুনৰ মুখ্যমন্ত্ৰী হ'বলৈ দৰদাম আৰম্ভ কৰি দিছে। বুধবাৰে নিশাৰ পৰা ফাৰনৱিচৰ মুম্বাইস্থিত বাসভৱনত বিধায়ক আৰু দলীয় শীৰ্ষ নেতাৰ সঘন বৈঠক অনুষ্ঠিত হৈছে। মুম্বাইৰ তাজ হোটেলত বিজেপিৰ বিধায়ক আৰু নেতাসকলে কালি নিশা ভোজভাতৰ আয়োজন কৰিছিল। উদ্ধৱ থাকৰেৰ পদত্যাগৰ লগে লগে বিগত আঢ়ৈ বছৰ বিৰোধীৰ আসনত বহা বিজেপিয়ে পুনৰ ক্ষমতালৈ ঘূৰি অহাটো নিশ্চিত হৈ পৰিল। ইফালে অহা ২ আৰু ৩ জুলাই তাৰিখে হায়দৰাবাদত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক আছে। এই কাৰ্যনিৰ্বাহকত মহাৰাষ্ট্ৰ চৰকাৰৰ পৰা মুখ্যমন্ত্ৰী হিচাপে দেৱেন্দ্ৰ ফাৰনৱিচে প্ৰতিনিধিত্ব কৰিব বুলি আলোচনা চলিছে। ইফালে একনাথ সিন্দে বৃহস্পতিবাৰে গোৱাৰ পৰা আহি মুম্বাইত উপস্থিত হৈছে। তেওঁৰ সৈতে শিৱসেনাৰ ৩৯ জন মন্ত্ৰী-বিধায়ক থকা বুলি প্ৰকাশ পাইছে। মহাৰাষ্ট্ৰ বিধানসভাত শিৱসেনাৰ মুঠ ৫৫জন বিধায়ক আছিল আৰু ইয়াৰে ৩৯ জন একনাথ শিবিৰলৈ যোৱাৰ পিছত থাকৰেৰ শিবিৰত থাকিলগৈ কেৱল ১৬ জনহে। একেদৰে বিৰোধীৰ শিবিৰত কংগ্ৰেছৰ ৪৪, এন চি পিৰ ৫৩ আৰু সমাজবাদী পাৰ্টীৰ দুই বিধায়ক আছে। আনহাতে বিজেপি আৰু একনাথপন্থী শিৱসেনাৰ উপৰিও বাৰজন নিৰ্দলীয় বিধায়কে চৰকাৰৰ পক্ষত ঠিয় দিয়াৰ ইংগিত দিছে। বি ভি এ দলৰ তিনিজন, এম এন এছ দলৰ এজন বিধায়কেও চৰকাৰৰ পক্ষত আছে বুলি দাবী কৰা হৈছে। ফলত বিজেপি-একনাথ পন্থীৰ শিবিৰত মুঠ ১৬১ বিধায়ক হ'লগৈ। মহাৰাষ্ট্ৰত ২৮৮ জনীয়া বিধানসভাত সম্প্ৰতি এজন বিধায়কৰ মৃত্যুৰ পিছত ২৮৭জন বিধায়কে কাৰ্যনিৰ্বাহ কৰি আছে। সেয়েহে চৰকাৰ গঠনৰ বাবে আৱশ্যক হ'ব ১৪৪ বিধায়কৰ সমৰ্থন। সম্প্ৰতি নতুন চৰকাৰৰ পক্ষত প্ৰয়োজনতকৈ প্ৰায় একুৰি জন অধিক বিধায়কৰ সমৰ্থন থকাটো নিশ্চিত হৈছে। ইফালে চৰকাৰ গঠনৰ কাৰণে ফাৰনৱিচ শিবিৰে কেবাটাও সমীকৰণ দাঙি ধৰা বুলি প্ৰকাশ পাইছে। সেই অনুসৰি ৬:১ সূত্ৰ প্ৰকাশ কৰা হৈছে। আনহাতে পূৰ্বৰ চৰকাৰত শিৱসেনাৰ যিসকল মন্ত্ৰী আছিল আৰু ইয়াৰে যিকেইজনে একনাথ সিন্দেৰ পক্ষত আছে তেওঁলোকৰ আটাইকেইজনকে পুনৰ মন্ত্ৰীসভাত স্থান দিয়া হ'ব। ইয়াৰ সমান্তৰালভাৱে কেবাটাও গুৰুত্বপূৰ্ণ বিভাগসহ একনাথ সিন্দেক কমেও উপ-মুখ্যমন্ত্ৰীৰ পদ দিয়া হ'ব বুলি আলোচিত হৈ থকা দেখা গৈছে। অৱশ্যে বৃহস্পতিবাৰে সন্ধিয়াই ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ ছবিখন স্পষ্ট হৈ পৰিব। বিজেপিয়ে যেনেদৰে নিজৰ মুখ্যমন্ত্ৰী বিচাৰিছে, একনাথ শিবিৰেও তেনেকৈ একনাথ সিন্দেক মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিছে। সেয়েহে সন্ধিয়ালৈ গোটেই ছবিখন স্পষ্ট হৈ পৰিব বুলি ধাৰণা কৰা হৈছে।

## থাকৰেৰ পদত্যাগৰ পিছতে সৰৱ হ'ল অভিনেত্ৰী কংগনা



**নতুন দিল্লী, ৩০ জুন ঃ** মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে পদত্যাগ কৰাৰ কিছু সময়ৰ পিছতে অভিনেত্ৰী কংগনা ৰাণাৱতে সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। উল্লেখ্য যে ২০২০ চনত কংগনাই থাকৰে নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে ভৱিষ্যৎবাণী কৰিছিল। সেই সময়ত মুম্বাইৰ পৌৰ প্ৰশাসনে কংগনাৰ ৰেকৰ্ডিং ষ্টুডিঅ' আৰু বাসভৱনত বুলড'জাৰেৰে ভাঙি তচনচ কৰিছিল। অনুমতিবিহীনভাৱে নিৰ্মাণ কৰা বুলি অভিযোগ আনিছিল মুম্বাইৰ পৌৰপ্ৰশাসনে। কিন্তু প্ৰকৃততে এই ঘটনা ৰাজনৈতিক প্ৰতিশোধ আছিল বুলি একাংশই ধাৰণা কৰিছিল। সেয়েহে তেতিয়াই অভিনেত্ৰীগৰাকীয়ে কৈছিল যে আজি মোৰ ঘৰ ভাঙিছা, কাইলৈ তোমাৰো ঘৰ ভাঙিব। এনেকৈয়ে কংগনাৰ অভিশাপ প্ৰতিফলিত হোৱা বুলি বহুতেই চৰ্চা কৰিছে। ইয়াৰ মাজতে কংগনাই উদ্ধৱ থাকৰেৰ পদত্যাগৰ পিছতে কয় যে যেতিয়া বেয়া শক্তিবোৰে অধিক অত্যাচাৰী হৈ উঠে, তেতিয়া ধ্বংস অনিবাৰ্য আৰু সেই ধ্বংসৰ মাজৰ পৰাই নতুনকৈ সৃষ্টিৰ তাগিদা আহে। তেতিয়াই জীৱনৰ পদুম ফুল ফুলি উঠে। এনেকৈয়ে কাব্যিক ভাষাৰে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে থাকৰেৰ সম্পৰ্কত দীৰ্ঘদিন সন্মুখীন হোৱা অভিজ্ঞতাৰ প্ৰসংগ পুনৰ উত্থাপন কৰা দেখা গ'ল।

### কানহায়ালালৰ পৰিয়ালক সাক্ষাৎ মুখ্যমন্ত্ৰী গেহলটৰ

## হত্যাকাৰীক ফাচিৰ দাবী কানাহায়া পুত্ৰৰ



**উদয়পুৰ, ৩০ জুন ঃ** ৰাজস্থানৰ উদয়পুৰ অঞ্চলত কানহায়ালাল টেলি নামৰ এজন দৰ্জীক দুষ্কৃতিকাৰীয়ে শিৰশ্চেদ কৰা ঘটনাই দেশজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে ঘটনাৰ দুদিনৰ পিছত মুখ্যমন্ত্ৰী অশোক গেহলটে মৃত ব্যক্তিজনৰ পৰিয়ালক সাক্ষাৎ কৰে। কানাহায়ালালৰ পত্নী আৰু দুই পুত্ৰৰ লগতে আত্মীয় স্বজনক গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ পৰিয়ালটোক নিৰাপত্তা প্ৰদানৰ আশ্বাস দিয়ে। লগতে ৫১ লাখ টকাৰ এখন চেক চৰকাৰৰ পৰা অৰ্পণ কৰে। ইফালে তেওঁৰ দুই পুত্ৰই মুখ্যমন্ত্ৰীক কয় যে হত্যাকাৰীক ফাচি দিব লাগে। তেতিয়াহে তেনেধৰণৰ ঘটনা পুনৰ কোনো স্থানতে সংঘটিত নহ'ব। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে দেশৰ গৃহমন্ত্ৰীৰ সৈতে আলোচনা কৰি এই গোচৰৰ তদন্ত নিয়াক অৰ্পণ কৰা হৈছে। দোষীয়ে যাতে সাৰি যাব নোৱাৰে তাৰ প্ৰতি চৰকাৰ সতৰ্ক হৈ থাকিব। এমাহৰ ভিতৰতে তদন্ত সামৰিবলৈ নিৰ্দেশ দিয়া বুলি কোৱা হৈছে। ইফালে আইন অনুসৰি অপৰাধীক কঠোৰ শাস্তি দিব বুলি কোৱা হৈছে। অপৰাধীৰ সৈতে পাকিস্তানৰ কৰাচীত থকা সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্ক আছে বুলি কোৱা হৈছে। ডেৰ মাহৰ পূৰ্বে দুই হত্যাকাৰীয়ে কৰাচীত আছিল বুলিও আৰক্ষীয়ে তথ্য লাভ কৰিছে। যোৱা মঙলবাৰে দুজন ব্যক্তিয়ে কানহায়ালালক শিৰশ্চেদ কৰিছিল আৰু নূপুৰ শৰ্মাৰ সমৰ্থনত ফেচবুকত কানহায়ালালে মন্তব্য প্ৰকাশ কৰাৰ দোষত এনেদৰে হত্যা কৰা বুলি ভিডিঅ' বাৰ্তাৰ জৰিয়তে দুই হত্যাকাৰীয়ে ৰাজহুৱা কৰিছিল। অৱশ্যে ঘটনাৰ পিচতে অভিযুক্ত দুই হত্যাকাৰীক ৰাজস্থানৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ল। আনহাতে এই দুই ব্যক্তিৰ উপৰিও হত্যাকাণ্ডত অন্য কোনোবা পক্ষ জড়িত আছে নেকি, বিশেষকৈ ইছলামিক মৌলবাদী সংগঠনৰ নিৰ্দেশত এই হত্যা কৰা হৈছে নেকি, ইত্যাদি বিষয়বোৰ অনুসন্ধানৰ বাবে তৎপৰ হৈ পৰিছে নিয়া কৰ্তৃপক্ষ।

## কানহায়ালালৰ পৰিয়ালৰ বাবে ১.৩৫ কোটি সংগ্ৰহ

### বিজেপি নেতা কপিল মিশ্ৰৰ ঘোষণা

**উদয়পুৰ, ৩০ জুন ঃ** বিজেপি নেতা কপিল মিশ্ৰই বৃহস্পতিবাৰে কয় যে দুৰ্ভগীয়া কানহায়ালালৰ শেষকৃত্যৰ বাবে আৰু পৰিয়ালটোৰ সুৰক্ষাৰ বাবে কমেও ১২ হাজাৰ ব্যক্তিয়ে দান-বৰঙণি আগবঢ়াইছে। যোৱা ২৪ ঘণ্টাত ১.৩৫ কোটি টকা সংগ্ৰহ হৈছে। এই ধনৰাশি পৰিয়ালৰ হাতত অৰ্পণ কৰা হ'ব। উল্লেখ্য যে ৰিয়াজ আখতাৰী আৰু ঘোছ মহম্মদ নামৰ দুই অপৰাধীয়ে দৰ্জী কানহায়ালালক শিৰশ্চেদ কৰিছিল। উদয়পুৰৰ ধানমান্দি অঞ্চলত সংঘটিত হৈছিল এই হত্যাকাণ্ড। ইছলাম ধৰ্মক নিন্দা কৰা বুলি অভিযোগ আনি এই হত্যাকাণ্ড সংঘটিত কৰিছিল। ২০২০ বৰ্ষত দিল্লীত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ পিছৰে পৰা দেশৰ হিন্দু পৰিয়ালসমূহ ইছলামিক মৌলবাদীৰ দ্বাৰা আক্ৰান্ত হৈ আহিছে। ইফালে ৰাজস্থানৰ কাৰাউলি অঞ্চলত অৱস্থিত এটা মন্দিৰৰ পুৰোহিতক জীৱন্তে জ্বলাই হত্যা কৰা হৈছিল। এনেকৈয়ে হিন্দু ধৰ্মাৱলম্বী লোকসকলক পৰিকল্পিতভাৱে নিৰ্যাতন আৰু হত্যা কৰি অহা হৈছে বুলি অভিযোগ কৰিছে। অনলাইনৰ জৰিয়তে কানহায়ালালৰ পৰিয়ালটোক সহায়ৰ বাবে আহ্বান জনোৱা হৈছিল আৰু যোৱা ২৪ ঘণ্টাত বাৰ হাজাৰতকৈয়ো অধিক লোকে এনে বৰঙণি প্ৰদান কৰিছে। প্ৰণিধানযোগ্য এয়ে যে বৃহস্পতিবাৰে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে কানহায়ালালৰ পৰিয়ালৰ হাতত ৫১ লাখ টকাৰ চৰকাৰী সাহায্যৰ এখন চেক প্ৰদান কৰিছে।

### উদয়পুৰ হত্যাকাণ্ড সম্পৰ্কত কংগ্ৰেছ নেতা শচীন পাইলট

## চিনাক্ত কৰক আৰু স্থায়ীভাৱে নিঃশেষ কৰি দিয়া উচিত



**নতুন দিল্লী, ৩০ জুন ঃ** ৰাজস্থানৰ উদয়পুৰত সংঘটিত কৰা হত্যাকাণ্ডৰ প্ৰসংগত ৰাজ্যখনৰ কংগ্ৰেছ নেতা শচীন পাইলটে অপৰাধীক স্থায়ীভাৱে নিঃশেষ কৰি দিয়াৰ আহ্বান জনাইছে। তেওঁ কয় যে বৰ্বৰতাৰ সকলো সীমা অতিক্ৰম কৰি গ'ল এই ঘটনাটোৱে। হত্যাকাৰীয়ে সকলো সীমা অতিক্ৰম কৰিলে। গতিকে তেনেধৰণৰ হত্যাকাৰীক নিঃশেষ কৰি দিয়াৰ বাহিৰে অন্য স্থায়ী সমাধান নাই। দেশবাসীয়ে অপেক্ষা কৰি আছে কঠোৰ শাস্তিৰ বাৰ্তা শুনিবৰ বাবে। কংগ্ৰেছ নেতাজনে কয় যে এই ঘটনাত জড়িত দোষীসকলক চিনাক্ত কৰি লোৱা উচিত। এই ঘটনাত কোন কোন পক্ষ জড়িত হৈ আছে সেয়া প্ৰকৃত অনুসন্ধানৰ জৰিয়তে চিনাক্ত কৰা উচিত। পিছত এই অপৰাধীসকলক স্থায়ীভাৱে নিঃশেষ কৰি দিব লাগে। কংগ্ৰেছ নেতাজনে কয় যে পঞ্জাৱ, জম্মু-কাশ্মীৰ আৰু ৰাজস্থান হৈছে সীমামূৰীয়া ৰাজ্য। গতিকে অন্য দুই ৰাজ্যতকৈ ৰাজস্থানত বহিঃৰাষ্ট্ৰৰ অপৰাধী আৰু সন্ত্ৰাসবাদীৰ সঘন প্ৰৱেশ পৰিলক্ষিত হয়। সীমান্তত নিয়োজিতসকলে এইক্ষেত্ৰত কঠোৰতা অৱলম্বনৰ আৱশ্যকতা আছে। উল্লেখ্য যে কানহায়ালাল টেলিক শিৰশ্চেদ কৰাৰ দৃশ্য ভিডিঅ'ৰ জৰিয়তে ভাইৰেল কৰা হৈছিল। সমান্তৰালভাৱে চোকা অস্ত্ৰৰে অন্যান্যসকলকো সতৰ্ক কৰি দিয়া হৈছিল। ইয়াৰ জৰিয়তে একাংশক শংকিত কৰি ৰাখিবলৈ হত্যাকাৰীয়ে কৌশল লোৱা বুলি চৰ্চিত হৈছে। কেৱল দুজন ব্যক্তিয়ে এনেধৰণৰ ভাবুকি প্ৰদানৰ সাহস নিশ্চয় নকৰে। তেওঁলোকৰ আঁৰত কি দল বা সংগঠন জড়িত হৈ আছে সেয়া পোহৰলৈ আহিব লাগে বুলিও প্ৰকাশ পাইছে। গতিকে এই লোকসকলৰ সৈতে জড়িত থকা সকলো পক্ষকে বিচাৰৰ আওতালৈ আনিবলৈ কংগ্ৰেছ নেতাজনে তদন্তকাৰী সংস্থাসমূহৰ প্ৰতি আহ্বান জনোৱা দেখা গৈছে।

### অগ্নিপথ আঁচনিৰ বিৰুদ্ধে পঞ্জাৱ বিধানসভাত ল'লে সমূহীয়া প্ৰস্তাৱ

## দেশৰ যুৱ প্ৰজন্মৰ স্বাৰ্থৰ পৰিপন্থী অগ্নিপথ ঃ ভগৱন্ত মান

**চণ্ডীগড়, ৩০ জুন ঃ** পঞ্জাৱ বিধানসভাত বৃহস্পতিবাৰে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰিব খোজা অগ্নিপথ আঁচনিৰ বিৰুদ্ধে এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই প্ৰস্তাৱ পাৰিত হয় অতি সহজে। অৱশ্যে বিজেপিৰ দুই বিধায়কে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে চলিত মাহত প্ৰতিৰক্ষা বাহিনীত নিযুক্তিৰ বাবে অগ্নিপথ নামৰ এখন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত চাৰি বছৰ কাৰ্যকালৰ বাবে ১৭ বছৰ অতিক্ৰম কৰা যুৱক-যুৱতীয়ে সেনাবাহিনীত নিযুক্তি লাভ কৰিব। ২৩ বছৰ বয়সলৈকে আবেদন কৰিব পাৰিব। ইফালে চাৰি বছৰ কাৰ্যকাল সমাপ্তিৰ পিছত এক চতুৰ্থাংশ জোৱানক স্থায়ীভাৱে মকৰল কৰা হ'ব। অন্য তিনি চতুৰ্থাংশ জোৱানক প্ৰায় ১২ লাখকৈ টকাৰ সাহায্য প্ৰদান কৰি ঘূৰাই পঠোৱা হ'ব। অৱশ্যে প্ৰশিক্ষণপ্ৰাপ্ত এই জোৱানসকলক পৰৱৰ্তী সময়ত অন্য বিভাগত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। অগ্নিপথ আঁচনিত নিযুক্তি লাভ কৰাসকলক অগ্নিবীৰ বুলি অভিহিত কৰা হ'ব। স্থলসেনা, নৌ সেনা আৰু বায়ু সেনাত নিযুক্তি দিয়া হ'ব অগ্নিবীৰক। কিন্তু দেশত অগ্নিপথ আঁচনিৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ হোৱা পৰিলক্ষিত হৈছে।



বিহাৰ আৰু উত্তৰ প্ৰদেশত প্ৰতিবাদীয়ে হিংসাত্মক আক্ৰমণৰ জৰিয়তে এহেজাৰতকৈয়ো অধিক কোটি টকাৰ সা-সম্পদ ধ্বংসস্তূপত পৰিণত কৰিছিল। কংগ্ৰেছকে ধৰি বিৰোধী ৰাজনৈতিক দলবোৰে অগ্নিপথ আঁচনিৰ বিৰোধিতা কৰিছে। দিল্লী আৰু হাৰিয়ানা খাপ পঞ্চায়তে অগ্নিপথ আঁচনিত নিযুক্তিৰ বাবে আবেদন জনোৱা লোকসকলৰ পৰিয়ালক সামাজিকভাৱে বৰ্জনৰ আহবান জনাইছে। ইয়াৰ সমান্তৰকৈ পঞ্জাৱ চৰকাৰে আজি এই আঁচনিৰ বিৰোধিতা কৰিছে আৰু পঞ্জাৱত এি আঁচনিৰ জৰিয়তে নিযুক্তি কাৰ্যকৰী কৰা নহয় বুলি ঘোষণা কৰিছে। আনহাতে পঞ্জাৱ বিধানসভাৰ কংগ্ৰেছ বিধায়ক প্ৰতাপ সিং বাজোৱাই কয় যে এই আঁচনি প্ৰত্যাহাৰ কৰিব লাগে। আকালি দলৰ বিধায়ক মনপ্ৰীত সিং আয়ালিয়ে চৰকাৰৰ প্ৰস্তাৱ সমৰ্থন কৰিছে আৰু অগ্নিপথ প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰৰ প্ৰতি আহবান জনাইছে। সদনৰ মজিয়াত কোৱা হৈছে যে কেৱল পঞ্জাৱৰ পৰাই দেশৰ প্ৰতিৰক্ষা বাহিনীত লক্ষাধিক লোক নিযুক্ত হৈ আছে। দেশৰ প্ৰতিৰক্ষাৰ বাবে পঞ্জাৱৰ বহু জোৱানে বলিদান কৰিছে। দেশৰ প্ৰতিৰক্ষাৰ কামত পঞ্জাবৰ যুৱকসকলে নিয়োজিত হ'বলৈ গৌৰৱ অনুভৱ কৰে। তেনেস্থলত কেৱল চাৰিটা বছৰৰ বাবে সেনা বাহিনীত নিযুক্তি প্ৰদান কৰিব খোজা আঁচনিৰ জৰিয়তে দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি আনিব খোজা বুলি মুখ্যমন্ত্ৰী ভগৱৎ মানেঁ অভিহিত কৰিছে। এই আঁচনিৰ জৰিয়তে পঞ্জাৱৰ যুৱ প্ৰজন্মৰ আশা মষীমূৰ কৰিছে। লগতে বিজেপি চৰকাৰে সাৰ্বভৌমত্বৰ ওচৰত আত্মসমৰ্পন কৰা বুলিও অভিযোগ উত্থাপন কৰিছে।



*দিল্লীত তীব্ৰ গৰমৰ মাজতে জুনৰ শেষ দিনটোত হঠাতে আহিল বৰষুণ, ঠায়ে ঠায়ে জলমগ্ন হৈ পৰা ৰাজধানীত দেখা গ'ল শেহতীয়া এনেধৰণৰ পৰিস্থিতি*

## মণিপুৰৰ পশ্চিমাঞ্চলত ভূমিস্খলনত সাতজনৰ মৃত্যু, সন্ধানহীন ২৩

### মণিপুৰ মেগা ৰে'ল প্ৰকল্পৰ ব্যাপক ক্ষতিসাধন

**ইম্ফল, ৩০ জুন ঃ** বুধবাৰে নিশাৰ ভাগত মণিপুৰৰ পশ্চিম অঞ্চলত অৱস্থিত ননী জিলাত ব্যাপক ভূমিস্খলন হোৱাৰ খবৰ আহিছে। এই প্ৰাকৃতিক দুযোগৰ ফলত কমেও সাতজন লোকৰ মৃত্যু হৈছে। অন্য ২৩ জন সন্ধানহীন হৈ আছে। ইফালে কেবাজনো গুৰুতৰভাৱে আহত ব্যক্তিক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ঘটনা সংঘটিত হৈছিল নৱনিৰ্মিত তুপুল ৰে'লৱে কনষ্ট্ৰাকচন কেম্পৰ সমীপত। জিৰিবাম-ইম্ফল সংযোগী নতুন ৰে'লপথ প্ৰকল্প ৰূপায়ণৰ বাবে তুপুল নামৰ স্থানত ৰে'ল বিভাগে উক্ত শিবিৰ স্থাপন কৰিছিল। নিহতসকলৰ অধিকাংশ নিৰাপত্তা বাহিনীৰ লোক বুলি প্ৰকাশ পাইছে। এই লোকসকলে ৰে'ল প্ৰকল্প ৰূপায়ণৰ সৈতে জড়িতসকলক সুৰক্ষা প্ৰদান কাৰ্যত নিয়োজিত আছিল। প্ৰাপ্ত তথ্য মতে এখন নদীৰ বান্ধ ছিঙাৰ ফলতে অঞ্চলটো পানীৰে বুৰাই পেলাইছিল। ফলত ভূমিস্খলন তীব্ৰতৰ হৈ পৰে। খন্তেকৰ ভিতৰতে পানীৰ সোত আৰু ভূমিস্খলনে বহু লোকক উটুৱাই লৈ যায়। নদীবান্ধ ভাঙিলে যেনেদৰে দুৰ্যোগৰ সৃষ্টি হয় ঠিক তেনেধৰণৰ ভয়ংকৰ পৰিস্থিতি হোৱা বুলি প্ৰত্যক্ষদৰ্শীসকলে বৰ্ণনা কৰিছে। জিলা প্ৰশাসন আৰু কেন্দ্ৰ-ৰাজ্যিক দুৰ্যোগ ব্যৱস্থপনা সংস্থাসমূহে উদ্ধাৰ অভিযান তদাৰক কৰি আছে। স্থানীয় বাসিন্দাসকলক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হৈছে। ইফালে মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে এই ঘটনাৰ বাবে জৰুৰী বৈঠকৰ আহ্বান কৰিছে। উদ্ধাৰ অভিযান খৰতকীয়া কৰিবলৈ আৰু সন্ধানহীনসকলক উদ্ধাৰ কৰিবৰ বাবে খৰতকীয়া পদক্ষেপ লোৱাৰ আহ্বান কৰা হৈছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ এৰাই চলিবলৈ পৰিবহণ সংস্থা আৰু যাত্ৰীসকলক আহ্বান জনোৱা হৈছে। এই পথটোৰ বহু স্থানত ভূস্খিলন হৈ ক্ষতিগ্ৰস্ত হোৱা বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰিছে। ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী বীৰেন সিঙৰ সৈতে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰিছে। কেন্দ্ৰীয় চৰকাৰে উদ্ধাৰ অভিযানত সহায় কৰিবলৈ সাজু থকা বুলি ব্যক্ত কৰিছে। আনহাতে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে নিৰ্মীয়মান ৰে'ল প্ৰকল্পৰ ক্ষয়-ক্ষতি সম্পৰ্কে বুজ লোৱা বুলি প্ৰকাশ পাইছে। প্ৰণিধানযোগ্য এয়ে যে উত্তৰ পূবৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী চুই যোৱাকৈ কেন্দ্ৰীয় চৰকাৰে ৰে'ল প্ৰকল্পৰ সম্প্ৰসাৰণ ঘটোৱাৰ আঁচনি লৈছে। স্বাধীনতাৰ হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ সময়তে দেশৰ বহুকেইখন ৰাজ্যৰ ৰাজধানীত ৰে'ল পৰিবহণৰ ব্যৱস্থা সংলগ্ন হোৱা নাই। যাতায়াতৰ অসুবিধাৰ বাবেই এই ৰাজ্যসমূহত ৰে'লপথ সম্প্ৰসাৰণ বিলম্ব হৈছে। ইয়াৰে উত্তৰ পূৰ্বাঞ্চলতো কেবাখনো ৰাজ্য আছে। সেয়েহে পূৰ্বৰ অসুবিধাসমূহ নোহোৱা কৰি ৰাজ্যসমূহৰ ৰাজধানী চহৰকেইখন সংযোগ ঘটাব পৰাকৈ ৰে'লপথৰ সম্প্ৰসাৰণত গুৰুত্ব দিয়া হৈছে। সেয়েহে পাহাৰীয়া হ'লে জিৰিবাম-ইম্ফল সংযোগী নতুন ৰে'লপথ প্ৰকল্প ৰূপায়ণ খৰতকীয়া কৰা হৈছে। কিন্তু কালি নিশাৰ ভাগত সংঘটিত হোৱা প্ৰাকৃতিক দুৰ্যোগে এই ৰে'লপথ সম্প্ৰসাৰণত ব্যাপক জটিলতাৰ সৃষ্টি কৰাটো স্পষ্ট হৈ পৰিছে।



## প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জীৱনভিত্তিক চিনেমা নিৰ্মাণৰ পদক্ষেপ



**নতুন দিল্লী, ৩০ জুন ঃ** দেশৰ প্ৰয়াত প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজি সামৰি অচিৰেই এখন চলচ্চিত্ৰ উপভোগ কৰিবলৈ পাব দেশবাসীয়ে। এই চলচ্চিত্ৰৰ বাবে আধাৰ হিচাপে লোৱা হৈছে উল্লেখ এন পি নামৰ লেখকগৰাকীৰ দ্বাৰা প্ৰণিত 'দ্য আনটোল্ড বাজপেয়ী ঃ পলিটিচিয়ান এণ্ড পাৰড'ক্স' শীৰ্ষক গ্ৰন্থখন। চলচ্চিত্ৰ নিৰ্মাতা বিনোদ ভানুচালী আৰু সন্দীপ সিঙে আগুৱাই আহিছে এই চলচ্চিত্ৰখন নিৰ্মাণ কৰিবলৈ। ইতিমধ্যে নাম স্থিৰ কৰা হৈছে— বায়পেয়ীৰ বক্তব্যৰ এষাৰি বাক্যৰে। এই বাক্যৰ অৰ্থ হ'ল এয়ে যে মই থাকো বা নাথাকো, দেশখন থকাটো বিচাৰো। অৰ্থাৎ নিজৰ জীৱনতকৈ প্ৰয়াত প্ৰধানমন্ত্ৰীয়ে দেশখনক অধিক সন্মান আৰু গুৰুত্ব প্ৰদান কৰা বিষয়টো নিজৰ এই বাক্যটোৰ জৰিয়তে স্পষ্ট কৰি তোলা হৈছে। চলচ্চিত্ৰখনৰ নিৰ্মাণ প্ৰসংগত বিনোদ ভানুচালীয়ে কয় যে তেওঁ নিজে অটল বিহাৰী বাজপেয়ীৰ অতিশয় গুণমুগ্ধ ব্যক্তি আছিল। তেওঁৰ জীৱন আৰু আদৰ্শৰ প্ৰভাৱ নিজৰ জীৱনত প্ৰতিফলিত হোৱা বুলি ব্যক্ত কৰিছে। এজন নেতা হিচাপেই জন্ম গ্ৰহণ কৰি দেশখনক দূৰদৃষ্টি প্ৰদান কৰি যোৱা বুলি বায়পেয়ী প্ৰসংগত চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে মন্তব্য কৰিছে। দেশৰ প্ৰতি যি ত্যাগ আৰু কৰ্তব্য সম্পাদন কৰি গ'ল সেয়া সদায় অতুলনীয় আৰু অনতিক্ৰম্য হৈ থাকিব বুলি কোৱা হৈছে। মুম্বাইৰ ভানুচালী ষ্টুডিঅ' লিমিটেড কৰ্তৃপক্ষই এই চলচ্চিত্ৰখন প্ৰযোজনা কৰিবলৈ আগুৱাই অহা বুলি প্ৰকাশ কৰিছে। আগন্তুক ২০২৩ বৰ্ষতে চলচ্চিত্ৰখনে মুক্তি লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে বৰদিনৰ দিনটো হ'ল বাজপেয়ীৰ জন্মদিন। গতিকে আগন্তুক বৰদিনত তেওঁৰ ৯৯ সংখ্যক জন্মদিন উদযাপন কৰা হ'ব। সেই দিনটোতে চিনেমাখন মুক্তি দিয়াৰ বিষয়টো বিবেচনা কৰাৰ ইংগিত প্ৰদান কৰিছে। ভানুচালী ষ্টুডিঅ' লিমিটেডৰ লগতে লিজেণ্ড ষ্টুডিঅ' কৰ্তৃপক্ষই যৌথভাৱে প্ৰযোজনা কৰিছে চিনেমাখন।



*চীনত চাৰিটা ৰঙৰ জৰিয়তে বতৰ বিজ্ঞানৰ সতৰ্কবাণী প্ৰকাশ কৰা হয়। সম্প্ৰতি উচ্চ তাপমাত্ৰাৰ বাবে হালধীয়া ৰঙৰ সতৰ্কতা জাৰি কৰা হৈছে বিমান বন্দৰ, ৰে'ল আস্থান ইত্যাদি ৰাজহুৱা স্থানসমূহত*

## বঙাইগাঁও জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সমিতিৰ নিৰ্দেশ মৰ্মে বুধবাৰে বঙাইগাঁও জিলা বিজেপিৰ জিলা কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বঙাইগাঁৱৰ বৰপাৰাস্থিত জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ আৰম্ভণিতে পুৱা দলীয় পতাকা উত্তোলন কৰে জিলা সভানেত্ৰী হিমানী অধিকাৰীয়ে। তাৰ পিছতে ভাৰত মাতা, ড° শ্যামা প্ৰসাদ মুখাৰ্জী আৰু পণ্ডিত দীন দয়াল উপাধ্যায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি আদৰণী ভাষণ প্ৰদান কৰে সভানেত্ৰীগৰাকীয়ে। সভাৰ শোক প্ৰস্তাৱ পাঠ কৰে জিলা সমিতিৰ উপ-সভাপতি দীনেশ চন্দ্ৰ সৰকাৰে। তাৰ পিছতে যথাক্ৰমে মণ্ডল সভাপতিসকলে তেওঁলোকৰ বিগত সময়ৰ কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে। আনহাতে, জিলাখনৰ বিভিন্ন দিশ তথা সমস্যাসমূহ চৰকাৰক দৃষ্টিগোচৰ তথা ৰাজনৈতিক সমস্যাসমূহ অৱগত কৰাৰ ক্ষেত্ৰত 'ৰাজনৈতিক প্ৰস্তাৱ' উত্থাপন কৰে জিলাৰ উপ-সভাপতি কৌস্তভ দাসে। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত হয় গোট বৈঠক। মণ্ডল সভাপতি আৰু শক্তি কেন্দ্ৰ প্ৰমুখসকলক লৈ অনুষ্ঠিত প্ৰথমখন গোট বৈঠকত 'মন কি বাত আৰু বুথৰ ৬টা কাৰ্যক্ৰম' সন্দৰ্ভত আলোচনা হয়। আনহাতে, পৌৰ সভা আৰু পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলক লৈ আনুষ্ঠিত দ্বিতীয় গোট বৈঠকত 'বুথ শক্তিকৰণ আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি' সন্দৰ্ভত তথা জিলা মৰ্চাৰ সভাপতিসকল আৰু প্ৰভাৰীৰ সৈতে অনুষ্ঠিত তৃতীয় গোট বৈঠকত 'দলীয় কাৰ্যসূচী আৰু ভৱিষ্যত পৰিকল্পনা' সম্পৰ্কে আলোচনা কৰা হয়। ইয়াৰ পিছতে সভাত জিলাৰ সাংগঠনিক দিশ আৰু আগন্তুক দলীয় কাৰ্যক্ৰমণিকা সম্পৰ্কে আলোকপাত কৰে জিলা প্ৰভাৰী ব্ৰজ কুমাৰ দাসে। জিলা সভানেত্ৰী হিমানী অধিকাৰীয়ে সভাপতিত্ব কৰা সভাখন তদাৰক কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক শংকৰ বিশ্বাস আৰু জ্যোতিৰ্ময় সৰকাৰে। সভাত প্ৰাক্তন জিলা সভাপতি গোপেশ্বৰ তালুকদাৰ, ৰাজ্যিক বিষয়ববীয়া, জিলা বিষয়ববীয়া, মণ্ডল সভাপতিসকলৰ লগতে মিডিয়া কোষৰ আহ্বায়ক চন্দন মেধি, ছ'চিয়েল মিডিয়াৰ আহ্বায়ক সুব্ৰত মণ্ডল, আই টি ছেলৰ মণিকৰ চক্ৰৱৰ্তী আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।


*বিজেপিৰ হেড্‌কোৱাৰ্টাৰ্ছ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰিছে মুখপাত্ৰ সুভাষ দত্তই, বৃহস্পতিবাৰে*

## নামটেমেৰাত আৰু দুসুঁতিমুখত শৈক্ষিক বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৩০ জুন ঃ** বোকাখাত বিধানসভা সমষ্টিৰ বঙালমাটি মৌজাৰ নামটেমেৰা গাঁৱৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ প্ৰাপক নামটেমেৰা গাঁৱৰ সন্তান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়িয়ে তেওঁৰ মাতৃৰ স্মৃতিত বিনীতা বড়ি সৌৰৱণী শৈক্ষিক বঁটা প্ৰদান কৰি আহিছে। ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত গাঁওখনৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰা অনিন্দিতা লইঙে ছয়টা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি ডিষ্টিংচন পাই প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা বাবে মেধাৱী ছাত্ৰীগৰাকীক নামটেমেৰা গাঁৱত পিতৃ লীলাধৰ লইঙৰ বাসগৃহত এক চমু অনুষ্ঠানত বিনীতা বড়ি সৌৰৱণী শৈক্ষিক বঁটা প্ৰদান কৰে। উক্ত শৈক্ষিক বঁটাত আছে অভিনন্দন-পত্ৰ, এটা ট্ৰফী আৰু গ্ৰন্থৰ টোপোলা। উক্ত বঁটা প্ৰদান অনুষ্ঠানত বঁটাদাতা সুৰেন বড়ি, অৱসৰপ্ৰাপ্ত শিক্ষক গোপাল মৰাং, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেশ্বৰ লইং, সমাজকৰ্মী কমল লইং আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সোমেশ্বৰ লইঙে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। অভিভাৱক লীলাধৰ লইঙকো তেওঁৰ অনুভৱ ব্যক্ত কৰায়। অনুষ্ঠানটোৰ আঁত ধৰে নামটেমেৰা যুৱ মঞ্চৰ সম্পাদক ইভান লইঙে। ইফালে ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুসুঁতিমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰপ্ৰাপক মেধাৱী ছাত্ৰী জিম্পী পাঠৰীক আজি বিদ্যালয়খনত অভিভাৱক, অভিভাৱিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হলধৰ পেগুৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত বিনু, নিক্কু, লনী আৰু জ্যোতিয়ে তেওঁলোকৰ পিতৃৰ স্মৃতিত আগবঢ়োৱা স্বাধীনতা যুঁজাৰু কমল পেগু সৌৰৱণী শৈক্ষিক বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে অভিনন্দন-পত্ৰ, এটা ট্ৰফী আৰু গ্ৰন্থৰ টোপোলা। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শশী গোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়ি, কৃতী ছাত্ৰী জিম্পী পাঠৰী আৰু জিম্পীৰ পিতৃ ৰজনী পাঠৰীয়ে ভাষণ দিয়ে।

# হত্যাকাৰীক কঠোৰ শাস্তি বিহাৰ দাবী নকছাৰি আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৩০ জুন ঃ** নকছাৰিৰ খাটিসোণা অঞ্চলত তিনিগৰাকীকৈ লোকক নিৰ্মমভাৱে দাৰে ঘপিয়াই হত্যা কৰি নকছাৰিৰ সমাজ জীৱনত পুনৰ কালিমা সানিলে এচাম মানৱৰূপী দানৱে। পৰিয়ালক পোহপাল দিবলৈ বুলি জীৱন-জীৱিকাৰ সন্ধানত মাজুলী জিলাৰ পৰা নকছাৰিলৈ অহা ইটাভাটাত ৰখুৱা হিচাপে কৰ্মৰত হৈ বাৰিষাৰ বাবে ইটা ভাটাসমূহ বন্ধ হৈ যোৱাৰ ফলত ভঙা-ছিঙা বস্তু সংগ্ৰহৰ কামেৰে কোনোমতে নিজৰ পৰিয়াল পোহপাল দিয়া প্ৰয়াত সোণটি বৰা, তেওঁৰ পৰিবাৰ আৰু তেওঁলোকৰ একমাত্ৰ জীয়ৰীক কোনো দুৰ্বৃত্তই হানি-খুচি জীৱ-জন্তুৰ দৰে হত্যা কৰা ঘটনা কেৱল নকছাৰিয়েই নহয় যোৰহাট জিলাখনৰ বাবেই নজিৰবিহীন। এইক্ষেত্ৰত হত্যাকাৰীক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰ পৰা কঠোৰতম শাস্তি প্ৰদানৰ দাবীত বুধবাৰে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকলৈ স্মাৰক প্ৰেৰণ কৰিছে নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাই। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অতুৰাজ গগৈ আৰু সাধাৰণ সম্পাদক মাধুৰ্য গগৈয়ে কয়—নকছাৰি এখন শান্তিপ্ৰিয় ঠাই আৰু ইয়াত হত্যাকাৰীৰ কোনো স্থান নাই। ২৫ তাৰিখৰ ঘটনাই নকছাৰিৰ সমাজ জীৱনত একপ্ৰকাৰ জোকাৰি গ'ল। খাটিসোণা অঞ্চলৰ এই নৃশংস হত্যাকাণ্ড অঞ্চলটোৰ বাবে এক নজিৰবিহীন আৰু সমাজ জীৱনৰ লজ্জাজনক কৰা চৰম দুৰ্ভাগ্যজনক কাণ্ড। ছাত্ৰ সন্থাই এই অমানৱীয়, পাশৱিক আৰু নিষ্ঠুৰ ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিয়ে। সেয়েহে দুৰ্ভগীয়া পৰিয়ালটোক নিৰ্মম আৰু নিৰ্দয়ভাৱে হত্যা কৰা মানৱতাক ভূ-লুণ্ঠিত কৰা এই হত্যাকাৰীক শীঘ্ৰে কৰায়ত্ত কৰি হত্যাকাৰীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰক আৰু পানী নসৰকা তদন্তৰ দাবীত নকছাৰি আছুৱে মৰিয়নি ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে উপায়ুক্ত আৰু মৰিয়নি থানাৰ আৰক্ষী বিষয়াৰ জৰিয়তে আৰক্ষী অধীক্ষকলৈ পৃথকে দুখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰি মৃত পৰিয়ালটোক ন্যায় প্ৰদান কৰিব লাগে বুলিও ছাত্ৰ নেতাদ্বয়ে ব্যক্ত কৰে। একেটা বিবৃতিতে তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশ ফুকনে কয়, সপোনৰো অগোচৰ এনে মৰ্মান্তিক ঘটনা নকছাৰিৰ দৰে অঞ্চলত সংঘটিত হোৱাটো চৰম দুৰ্ভাগ্যজনক বিষয়। এই দুৰ্ভগীয়া পৰিয়ালটোক নিৰ্দয় আৰু নিৰ্মমভাৱে হানি-খুচি হত্যা কৰা হত্যাকাৰীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰি এক নজিৰ সৃষ্টি কৰিব লাগে, যাতে অনাগত সময়ত কোনো লোকে কেতিয়াও এনে ঘটনা সংঘটিত কৰিবৰ বাবে হাজাৰবাৰ চিন্তা কৰিবলগীয়া হয়। আৰক্ষী বিভাগে বৰ্তমানে যি ক্ষিপ্ৰতাৰে তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিছে তাত ছাত্ৰ সন্থাই আদৰণি জনাইছে আৰু হত্যাকাৰীক কৰায়ত্ত কৰাৰ ক্ষেত্ৰত আৰক্ষীক সহযোগ কৰিবৰ বাবেও স্থানীয় ৰাইজ আৰু ছাত্ৰ নেতাজনে আহ্বান জনাইছে।

## ডিমৌত মহাবাহু গ্ৰন্থ আৰু বাণিজ্য মেলা আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ জুন ঃ** ডিমৌ ৰাজহুৱা খেলপথাৰত বুধবাৰৰ পৰা গ্ৰন্থ আৰু বাণিজ্য মেলা আৰম্ভ হয়। কালি বিয়লি গ্ৰন্থ আৰু বাণিজ্য মেলাখনৰ শুভাৰম্ভ কৰাৰ উদ্দেশ্য আয়োজিত অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰাৰ লগতে ফিতা কাটি শুভাৰম্ভ কৰে ডিমৌ পৌৰসভাৰ পৌৰপতি পল্লৱিতা গগৈয়ে। মহাবাহু নামৰ এটা অনুষ্ঠানৰ তত্বাৱধানত অহা ৭ জুলাইলৈকে অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থ আৰু বাণিজ্য মেলাখনত গ্ৰন্থৰ বিপণীৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ থলুৱা উৎপাদিত সামগ্ৰী উপৰি কেইবাখনো থলুৱা বস্ত্ৰৰ বিপণীও মুকলি কৰিছে। এই মুকলি অনুষ্ঠানত শিক্ষক শেখৰজ্যোতি দুৱৰাৰ উপৰি ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি গৌতম বৰা, সম্পাদক প্লাৱন বুঢ়াগোহাঁই, ডিমৌৰ সাংবাদিকসকলৰ লগতে ভালেসংখ্যক সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তি উপস্থিত থাকে।

## এইচ এম কাকজান ছিনিয়ৰ ছেকেণ্ডাৰী উত্তীৰ্ণ হাৰ ১০০ শতাংশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ৩০ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত ফিল'বাৰী কাকজানত থকা এইচ এম ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ে তৃতীয়বাৰলৈ একেৰাহে ১০০ শতাংশ উত্তীৰ্ণ হাৰ কৰি ধাৰাবাহিকতা অব্যাহত ৰাখিছে। কটন কলেজৰ প্ৰাক্তন ছাত্ৰ তথা অৰুণাচল বিশ্ববিদ্যালয় গৱেষক ছাত্ৰ অভিজিৎ মৰাণে ২০১৮ চনত গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীক উন্নত মানৰ শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যৰে স্থাপন কৰিছিল এইচ এম ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়। এইচ এম ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় প্ৰতিষ্ঠা কালৰেই পৰা উন্নতমানৰ শিক্ষা প্ৰদান কৰি অহা বিদ্যালয়ে প্ৰতি বছৰেই উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ অক্ষুণ্ণ ৰাখিছে। এইচ এম ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰা ২০২২ চনৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত মুঠ ১১গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ১১গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৯গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগত আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ১০০ শতাংশ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। এইচ এম ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰা অৱতীৰ্ণ হোৱা ৰুবুল চুতীয়াই ডিষ্টিংচন, জিণ্টু মৰাণ আৰু সুৰুজ প্ৰতিম মৰাণে ষ্টাৰ লাভ কৰে। ধাৰাবাহিকভাৱে উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ লাভ কৰা বিজেপি দলৰ নেতা অৰুণজ্যোতি মৰাণে বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা জ্ঞাপন কৰে।

# কেন্দ্ৰীয় ২০সংখ্যক আদিবাসী জাতীয় শ্বহীদ দিৱসৰ উদ্‌যাপন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩০ জুন ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, 'আছা'ৰ পানেৰী আঞ্চলিক কাৰ্যালয়ত ওদালগুৰি জিলা সমিতি আৰু আঞ্চলিক সমিতিৰ আহ্বান মৰ্মে এখনি গুৰুত্বপূৰ্ণ সাধাৰণ সভা অলপতে অনুষ্ঠিত হৈ যায়। উক্ত সভাত যোৱা ২০০৩ চনৰ ২৫ জুলাই তাৰিখে আদিবাসী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী অনুসূচিতকৰণ কৰাৰ বাবে 'আছা'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰয়াত জাতিৰ পিতা জাষ্টিন লাক্ৰা আৰু বৰ্তমানৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক যোচেফ মিঞ্জৰ নেতৃত্বত ১২ ঘন্টীয়া অসম বন্ধৰ আহ্বান কৰা আৰু সেই দিনাখন প্ৰায় ১ বজাত আছা'ৰ বন্ধ সফল কৰিবলৈ ওলাই অহা পানেৰী আঞ্চলিক সমিতিৰ আছা'ৰ সভাপতি ৰাজু তান্তী আৰু সাধাৰণ সম্পাদক আকিলা পূৰ্তিৰ নেতৃত্বত আৰু অন্যান্য আঞ্চলিক আছা'ৰ পিকেটিংকাৰী দল আৰু অন্য এটা জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ সদস্যৰ মাজত হতাহতি হৈ আৰু কিছু সময়ৰ পিছত পানেৰী থানাৰ আৰক্ষী দল আৰু অজ্ঞাত অস্ত্ৰ-ধাৰীৰ গুলীত পানেৰী আঞ্চলিকৰ অন্তৰ্গত কচুবিল চৌকত পানেৰী চাহ বাগিচাৰ ৮গৰাকীকৈ আছা' কৰ্মীয়ে মৃত্যুক আঁকোৱালি আৰু বহু পুৰুষ-মহিলাই গুলিবিদ্ধ হৈ চিৰদিনৰ বাবে ঘূণীয়া হ'বলগীয়া হয়। অসমৰ বিভিন্ন স্থানত বিভিন্ন সময়ত পুলিচেই হওক বা উগ্ৰপন্থীৰ গুলীতেই হওক ১৮গৰাকীকৈ আছা কৰ্মী তথা নিৰীহ আদিবাসী লোকে প্ৰাণ আহুতি দি জাতিটোৰ উত্তৰণ আৰু জনজাতিকৰণৰ হকে অহোপুৰুষাৰ্থ কৰি গ'ল। তেতিয়াৰ পৰাই প্ৰত্যেক বছৰৰ ২৫ জুলাইৰ অভিশপ্ত দিনটোক আছাই শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছে। উক্ত সভাখনত ৰাজু তাঁতীক সভাপতি, খগেন তাঁতী কাৰ্য্যকৰী সভাপতি, তিলক ৰৌচন বাৰা- সম্পাদক, সুৰেন বাগ সহঃ সম্পাদক হিচাপে লৈ ৩১জনীয়া এক শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি পানেৰী চাহ বাগিচাত চলিত বৰ্ষৰ জুলাই মাহৰ ২৫ তাৰিখে শ্বহীদ দিৱসটি পালন কৰাৰ যো-জা চলায়। সভাত উপস্থিত থাকে জিলা সমিতিৰ সভাপতি টিংকু ওৰাং, ভাৰপ্ৰাপ্ত সম্পাদক লক্ষিন্দৰ মূলা, প্ৰচাৰ সম্পাদকদ্বয় অস্কাৰ বাৰ্লা, লক্ষ্মণ পৰ্জা, সঞ্জুক চৰৰ, পানেৰী আঞ্চলিকৰ সভাপতি ৰাজা এক্কা, অসম চাহ মজদুৰ সংঘৰ সভাপতি বিনোদ চুৰি আৰু স্থানীয় ৰাইজ।

## যোগীঘোপাৰ নয়াগাঁৱত দৰ্জী কানহায়া লালৰ নশংস হত্যাকাণ্ডৰ প্ৰতিবাদত বজৰংগ দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৩০ জুন ঃ** নূপুৰ শৰ্মাক সমৰ্থন কৰা ৰাজস্থানৰ উদয়পুৰৰ হিন্দু সম্প্ৰদায়ৰ দৰ্জী কানহায়া লালক দিন দুপৰতে নৃশংসভাৱে হত্যা কৰা ঘটনাৰ প্ৰতিবাদত বুধবাৰে বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত নয়াগাঁৱত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ আৰু ৰাষ্ট্ৰীয় বজৰংগ দলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ বঙাইগাঁও জিলা সমিতিয়ে বুধবাৰে আবেলি যোগীঘোপাৰ নয়াগাঁৱত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। সংগঠনটোৰ প্ৰায় শতাধিক নেতা-কৰ্মীয়ে হাতে হাতে নিচান বেনাৰ লৈ কেৰখাবাৰী দিশৰ পৰা সমদল কৰি আহি নয়াগাঁৱ বজাৰত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। প্ৰতিবাদকাৰীসকলে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি নুপূৰ শৰ্মা জিন্দাবাদ, ভাৰত মাতা কি জয়, জেহাদী হুচিয়াৰ, জয় শ্ৰীৰাম আদি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ঘটনাস্থলীত যোগীঘোপা আৰক্ষীৰ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# বাসুগাঁও-কোকৰাঝাৰ সংযোগী পথত বৃহৎ গাঁত

### স্থানীয় ৰাইজৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ৩০ জুন ঃ** বাসুগাঁও-কোকৰাঝাৰ সংযোগী বিপিন দৈমাৰী পথৰ মাজত বাৰাগড় নামে ঠাইত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাত বুধবাৰে স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ জনায়। অতি গুৰুত্বপূৰ্ণ গড়কাপ্টানী পথৰ ওপৰেৰে দৈনিক শ শ যান-বাহন আহ-যাহ কৰে। ইয়াৰোপৰি বৃহৎ বৃহৎ আকাৰৰ এন টি পি চিৰ চাই কঢ়িওৱা ট্ৰাকসমূহ অবাধ গতিত উক্ত পথেৰে আহ-যাহ কঢ়ি থকাত ভুতৰ ওপৰত দানৰ পৰাদি পথছোৱা বিধ্বস্ত কৰি পেলায়। মেৰামতিৰ কোনোধৰণৰ গুৰুত্ব আৰোপ নকৰাত জাঙুৰ খাই উঠে স্থানীয় ৰাইজে। অতিষ্ঠ স্থানীয় ৰাইজ আজি সমবেত হৈ এন টি পি চিৰ ছাই কঢ়িওৱা ট্ৰাকসমূহ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে পথৰ মাজত ঠায়ে ঠায়ে সৃষ্টি হোৱা বৃহৎ গাঁতসমূহ মেৰামতিৰ ব্যৱস্থা নকৰিলে যিকোনো মুহূৰ্তত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনাই অধিক। পথছোৱা মেৰামতি কৰি যাতায়াত সুগম কৰি তুলিবলৈ ৰাইজে আহ্বান জনায়। ইয়াৰ অন্যথা প্ৰতিবাদ তীব্ৰতৰ কৰাৰ হুংকাৰ দিয়ে স্থানীয় ৰাইজে। ইফালে বাসুগাঁৱৰ পৰা কাশীকোত্ৰালৈ যোৱা পথছোৱা ঠায়ে ঠায়ে বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাত যান-বাহন চলাচল কৰোতে যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। এনে পথৰ বাবে যান-বাহন সততে বিকল হোৱাৰ লগতে সততে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। চৰকাৰ-কৰ্তৃপক্ষই গুৰুত্ব আৰোপ কৰিব বুলি পথচাৰী ৰাইজে আশা প্ৰকাশ কৰে।

# ১৮৩নং পুৰাপট অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ বিৰুদ্ধে জৰীপ কৰাৰ নামত ব্যাপক বিসংগতিৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩০ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া সংহত শিশু বিকাশ প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ১৮৩ নং পুৰাপট অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীগৰাকীৰ কেতবোৰ দুৰ্নীতি-অনিয়মৰ তথ্য পোহৰলৈ অহাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, সংশ্লিষ্ট কেন্দ্ৰৰ কৰ্মীগৰাকীয়ে অতি গোপনে নিজৰ খেয়াল-খুচি মতে কেন্দ্ৰখনৰ এলেকাধীন একাংশ লোকক পৰিকল্পিতভাৱে বাদ পেলাই কেৱল নিজৰ আত্মীয়-স্বজনৰ নাম জৰীপ কৰি বিভাগীয় কাৰ্যালয়ত জমা দিয়াত ৰাইজ কৰ্মীগৰাকীৰ ওপৰত ক্ষুণ্ণ হৈ পৰিছে। এই তথ্য ইমান দিনলৈ পোহৰলৈ অহা নাছিল যদিও যোৱা ৩১-৫-২০২২ তাৰিখত উক্ত কেন্দ্ৰটোত খালী হৈ থকা সহায়িকা পদৰ বাবে মেমো নং চি ডি পি ও (চি এছ এম) ৩১/খণ্ড -১/২০২২/৭০৯যোগে এক বিজ্ঞাপন দিয়াত আৰু বিজ্ঞাপনৰ নিয়ম অনুযায়ী যিগৰাকী ব্যক্তি কেন্দ্ৰখনৰ জৰীপত অন্তভুৰ্ক্ত কৰা হৈছে আৰু যোগ্যতা ভিত্তিত সেইগৰাকী লোকে আৰেদন কৰিব পাৰিব। সেই মৰ্মে দীৰ্ঘদিনীয়া পৰিকল্পনাৰে জৰীপ কৰা কেন্দ্ৰটোৰ কৰ্মীগৰাকীয়ে উক্ত বিজ্ঞাপন মৰ্মে নিজৰ আত্মীয়ৰ দ্বাৰা আৱেদন কৰাইছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে কেন্দ্ৰখনৰ একেবাৰে পাৰ্শ্বৱৰ্তী একাংশ লোকে যোগ্যতাৰ ভিত্তিত উক্ত বিজ্ঞাপন মৰ্মে আৱেদন কৰিছিল যদিও তেওঁলোকৰ নাম কেন্দ্ৰখনৰ জৰীপত নথকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জৰীপত অধিকাংশ লোকেই কৰ্মীগৰাকীৰ আত্মীয়-স্বজন বুলিও অভিযোগ উত্থাপিত হৈছে। তদুপৰি যিগৰাকী লোকৰ ঘৰত কোনোদিনে উক্ত পদত আৱেদন কৰিব নোৱাৰিব সেইসকল লোকৰ নাম কেন্দ্ৰখনৰ জৰীপত সন্নিৱিষ্ট কৰিছে ধুৰন্ধৰ কৰ্মীগৰাকীয়ে। ইতিমধ্যে উপায়ুক্তৰ লগতে নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰৰ উপৰি ছমৰীয়া সংহত শিশু বিকাশ প্ৰকল্প বিষয়াক ব্যৱস্থা গ্ৰহণৰ দাবীত অভিযোগ দাখিল কৰিছে স্থানীয় ৰাইজে। এই সমগ্ৰ ঘটনাৰ এক উচ্চস্তৰীয় তদন্ত কৰি পূৰ্বৰ জৰীপ কৰ্তন কৰি পুনৰ কেন্দ্ৰৰ এলেকাত নতুনকৈ জৰীপ কৰি পুনৰ বিজ্ঞাপন দিবলৈ স্থানীয় ৰাইজে উপায়ুক্তৰ লগতে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

**বিভাগীয় সঞ্চালকক অভিযোগ দাখিল ৰাইজৰ**



*অসমৰ বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত কাৰ্বি আংলং আছু গোটে ডিফুত ৰূপায়ণ কৰিছে প্ৰতিবাদী কাৰ্যসূচী, বৃহস্পতিবাৰে*

### বকো আৰক্ষীৰ অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান

## অভিযানত ১৪০টা অবৈধ সুৰাভৰ্তি বটল জব্দ, এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৯ জুন ঃ** কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও সমষ্টিৰ বিভিন্ন প্ৰান্তত দীৰ্ঘদিন ধৰি এচাম দুষ্ট চক্ৰৰ দ্বাৰা চলি অহা অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া বেহাই সামাজিক পৰিৱেশ দূষিত কৰি পেলোৱাৰ লগতে যুৱ-প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া অৱস্থাত যোৱানিশা বকো আৰক্ষীয়ে অবৈধ সুৰাৰ বিৰুদ্ধে চলায় এক অভিযান। বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়া খনিন্দ্ৰ চন্দ্ৰ নাথৰ নেতৃত্বত আৰক্ষীৰ দল এটাই এক গোপন সূত্ৰৰ পম খেদি মন্দিৰা আৰক্ষী চকীৰ এলেকাধীন নিছলামাৰীত চলোৱা অভিযানটোত আৰক্ষীয়ে ১৪০টা অবৈধ সুৰাভৰ্তি বটল জব্দ কৰাৰ লগতে এজন ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ব্যৱসায়ীজন নিছলামাৰীৰ নাৰায়ণ সৰকাৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য, দীৰ্ঘদিন ধৰি স্থানীয় আৰক্ষীক বৃহৎ অংকৰ বিনিময়ত মেনেজ কৰি নাৰায়ণ সৰকাৰে চলাই গৈছিল সুৰাৰ অবৈধ ব্যৱসায়। সম্প্ৰতি ধৃত নাৰায়ণ সৰকাৰক বকো আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# কলা শাখাত তৃতীয় স্থানপ্ৰাপ্ত নিলয় কুৰ্মীক বিশ্বনাথ জিলা প্ৰশাসনৰ অভিনন্দন

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩০ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা শাখাত অসমৰ ভিতৰতে তৃতীয় স্থান লাভ কৰি বিশ্বনাথ জিলালৈ গৌৰৱ কঢ়িয়াই অনা বিশ্বনাথ জিলাৰ মেধাৱী ছাত্ৰ নিলয় কুৰ্মীক কালি বিশ্বনাথ জিলা প্ৰশাসনে অভিনন্দন জ্ঞাপন কৰে। বিশ্বনাথ জিলাৰ সহকাৰী আয়ুক্তদ্বয় অনন্যা লহকৰ আৰু কংকনা শইকীয়াই কালি বিয়লি কৃতী ছাত্ৰ নিলয় কুৰ্মীক বিশ্বনাথ চাৰিআলিৰ সূৰ্যপুৰ বালিপুখুৰীস্থিত বাসগৃহত গৈ শৰাই আৰু গামোচাৰে বিশ্বনাথ জিলা প্ৰশাসনৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে, নগাঁৱৰ ৰামানুজন জুনিয়ৰ কলেজৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বমুঠ ৪৮৩ নম্বৰেৰে অসমৰ ভিতৰত তৃতীয় স্থান (কলা শাখা) লাভ কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। বিশ্বনাথ জিলাক গৌৰৱান্বিত কৰা মেধাৱী ছাত্ৰ নিলয়ে ভৱিষ্যতে মাছ কমিউনিকেচন অধ্যয়ন কৰাৰ প্ৰৱল ইচ্ছা মনতে পুহি ৰাখিছে আৰু সদ্যহতে ইংৰাজী বিষয়ত মেজৰ লৈ অধ্যয়ন কৰিব বুলি জানিবলৈ দিছে। বিশ্বনাথ জিলাৰ সূৰ্যপুৰ, বালিপুখুৰীস্থিত নিৰাসী নৰজ্যোতি কুৰ্মী আৰু ৰুমী কুৰ্মীৰ পুত্ৰ তথা মেধাৱী ছাত্ৰ নিলয়ৰ এই সফলতাত জিলাবাসী বাৰুকৈয়ে উৎফুল্ল হৈছে আৰু নিলয়ক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতে যেন তেওঁ শৈক্ষিক ক্ষেত্ৰখনত সফলতাৰে আগুৱাই যাব পাৰে তাৰেই কামনা কৰিছে।

### ফিল'বাৰী বিদ্যুৎ বিভাগে মইমতালি চলোৱাৰ অভিযোগ

## একাংশ উদণ্ড কৰ্মচাৰীৰ কৰ্মকাণ্ডত অতিষ্ঠ সাধাৰণ লোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া, ৩০ জুন ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত ফিল'বাৰী অঞ্চলটোত বিগত কিছুদিনৰ পৰা বিদ্যুৎ বিভাগৰ একাংশ ঠিকাভিত্তিত কৰ্মচাৰীয়ে একপ্ৰকাৰৰ সন্ত্ৰাস সৃষ্টি কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। একাংশ উদণ্ড স্বৰূপৰ কৰ্মচাৰীৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈ পৰিছে অঞ্চলটোৰ সাধাৰণ লোকসকল। একাংশ উদণ্ড স্বৰূপৰ কৰ্মচাৰীয়ে জধে-মধে মানুহৰ ঘৰত প্ৰৱেশ কৰি এক প্ৰকাৰৰ তাণ্ডৱৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপিত হৈছে। এটোপাল বৰষুণ দিয়া মাত্ৰকে বিদ্যুৎ সংযোগ ব্যাহত কৰি দিয়া বিভাটোৱে সময় মতে মিটাৰ ৰিডিং নকৰাৰ লগতে সময়ত গ্ৰাহকসকলক বিলৰ কাগজ নিদি একেবাৰে তাঁৰ কাটিবলৈ অহা বুলি অঞ্চলটোৰ বহু লোকে অভিযোগ কৰিছে। আজি ফিল'বাৰীৰ বিজুলীবন জাহাজগিৰা গাঁৱত একাংশ স্বয়ম্ভু বিদ্যুৎ কৰ্মচাৰীক গাঁওখনৰ ৰাইজে পহু খেদা দিয়া দেখিবলৈ পোৱা গ'ল। এনে উদণ্ড প্ৰকৃতিৰ কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাধাৰণ লোকসকলে চৰকাৰ তথা প্ৰশাসনক দাবী জনাইছে।

# তামুলপুৰত অসম চৰকাৰৰ এছ অ' পি ডি আঁচনিৰ ঔদ্যোগিক সজাগতামূলক সভা

### কোনো কামত সফল হ'বলৈ লাগিব একাগ্ৰতা আৰু বিশ্বাস ঃ হীৰেন তালুকদাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩০ জুন ঃ** অসম চৰকাৰৰ উদ্যোগত তথা বাক্সা জিলা এছ অ' পি ডি আঁচনিৰ বিটিচি চৰকাৰ তথা ডাউহাৰু ৰেলফেয়াৰ এছ'চিয়েচনৰ বাবেই গাঁৱৰ সহযোগত আজি তামুলপুৰ পাৰ্কত এখন এদিনীয়া ঔদ্যোগিক সজাগতামূলক সভা অনুষ্ঠিত হয়। ডাউহাৰু ৰেলফেয়াৰ এছ'চিয়েচন বাৰেইগাঁৱৰ সভাপতি কমলেশ্বৰ বড়োৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বাক্সা জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালক হীৰেন তালুকদাৰ উপস্থিত থাকি ৰাইজক উদ্দেশ্যি কয় যে- আমি সকলোৱে চৰকাৰী চাকৰিৰ পিছত দৌৰাৰ বিপৰীতে নিজে কৰিব পৰা কামটো মনযোগেৰে ব্যৱসায়িক ভিত্তিত গঢ়ি তুলিব পাৰো। ইয়াৰ বাবে প্ৰথমতে লাগিব একাগ্ৰতা তাৰ পিছত লাগিব নিজৰ কামটোৰ ওপৰত বিশ্বাস। এই ক্ষেত্ৰত চৰকাৰৰ জনমুখী আঁচনিৰ জৰিয়তে নিজকে লাভৱান্বিত কৰিবলৈ বিশেষ সুবিধা প্ৰদান কৰা হয়। এইক্ষেত্ৰত আঁচনিসমূহ ফলপ্ৰসু কৰিবলৈ চৰকাৰে বিভিন্ন এনজিঅ'ৰ জৰিয়তে ৰাইজক উন্নয়নৰ পথ প্ৰদৰ্শনত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। যেনে ধৰক মৌ পালন, গাহৰি পালন, বিভিন্ন প্ৰকাৰৰ আচাৰ প্ৰস্তুতকৰণ আদি নিজৰ দক্ষতা অনুযায়ী কামবোৰ ব্যৱসায়ী ভিত্তিত কৰিবলৈ বেংকৰ পৰা লোণ লৈ সফল হ'ব পৰাকৈ বিশেষ সুবিধাৰ ব্যৱস্থা আছে। আজিৰ সভাত তামুলপুৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধীক্ষক দুৰ্গা কিংকৰ ভট্টাচাৰ্যই ঔদ্যোগিক ক্ষেত্ৰখনত আগবাঢ়ি যাবলৈ হ'লে প্ৰথমতে নিজকে কেনেদৰে সাজু কৰি ল'ব লাগিব এই বিষয়ে বহল ব্যাখ্য আগবাঢ়ায়। তেওঁ কয় যে- কোনো কামকে সৰু বুলি নাভাবি একাণপতীয়াকৈ লাগিলে সফল হ'ব পাৰি। সেয় ৰন্ধা-বঢ়াৰ ক্ষেত্ৰতে হওক, সাজ-পোছাক প্ৰস্তুতকৰণ নাইবা চিলাই কামেই হওক আজিকালি সকলো ধৰণৰ কাৰ্য সুচাৰুৰূপে কৰি আগুৱাই যাবলৈ বহল মঞ্চ এখন আছে। মাত্ৰ ইয়াৰ বাবে লাগিব আত্মবিশ্বাস তথা ব্যৱসায়িক চিন্তাধাৰা। সভাত উপস্থিত থাকি ৰঙিয়াৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক হিতেন্দ্ৰ শৰ্মায়ো আত্মনিৰ্ভৰশীল হ'বলৈ সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্ৰতিজন লোককে ব্যৱসায়িক ভিত্তিত কামবোৰ কৰিবলৈ তথা সস্তীয়া সামগ্ৰী যেনে অমৰা, ঔটেঙা, কচু, বাঁহৰ গাজ আদিৰে আচাৰ প্ৰস্তুতকৰণ নাই বা কাঠফুলা, মৌ পালন আদিৰ প্ৰশিক্ষণ লৈ কেনেদৰে ফলপ্ৰসূ ব্যৱসায়ী হ'ব পাৰি এই বিষয়ত বক্তব্য প্ৰদান কৰে। আজিৰ এই বিশেষ সভাখনত ডাউহাৰু ৰেলফেয়াৰ এছ'চিয়েচন বাৰেই গাঁৱৰ সাধাৰণ সম্পাদক ৰেশ্মা দৈমাৰীৰ লগতে এছ'চিয়েচনৰ বিভিন্ন বিষয়ববীয়া তথা অঞ্চলটোৰ পুৰুষ-মহিলাসহ শতাধিক লোক উপস্থিত থাকে।



*মেক্স চিমেণ্টৰ কাৰ্যবাহী সঞ্চালক প্ৰকাশ আগৰৱাল আৰু অন্যান্যই শিলচৰলৈ এহেজাৰ পৰিয়ালৰ বাবে প্ৰেৰণ কৰা বান সাহায্য কঢ়িওৱা বাহনত ফ্লেগ অফ কৰাৰ দৃশ্য, বৃহস্পতিবাৰে*

# আজিৰে পৰা ভাৰত-ইংলেণ্ডৰ অন্তিম টেষ্ট



**লণ্ডন, ৩০ জুন ঃ** ভাৰত আৰু ইংলেণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া শৃংখলা নিৰ্ণয়ক অন্তিম তথা পঞ্চমখন টেষ্ট কাইলৈৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটো ভাৰতে হেৰুওৱাৰ কোনো কথা নাই। কাৰণ ইয়াৰপূৰ্বে হোৱা পাঁচখনীয়া টেষ্ট শৃংখলাটোৰ চাৰিখন মেচৰ দুখনত টীম ইণ্ডিয়া জয় হৈছে আৰু এখন ড্ৰৰূপে সমাপ্ত হৈছে। ইংলণ্ডে এখন টেষ্টত জয়লাভ কৰিছে। এইসময়ত ভাৰতীয় দলে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। বিপৰীতে ইংলণ্ড যদি বিজয় হয় তেন্তে শৃংখলা ২-২ হ'ব। ইফালে, ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্টখনত ভাৰতীয় দলক নেতৃত্ব দিব পেচ বলাৰ যশপ্ৰীত বুমৰাহে। কাৰণ দ্বিতীয় পৰীক্ষাতো কৰ'না মুক্ত নহ'ল ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা। উল্লেখ্য যে লিছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত বি চি চি আয়ে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছিল। সেয়ে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ভাৰতীয় দলটো হ'ল ঃ যশপ্ৰীত বুমৰাহ (অধিনায়ক), লোকেছ ৰাহুল, শুভমন গিল, মায়ংক আগৰৱাল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, মহম্মদ চিৰাজ, উমেশ যাদৱ আৰু প্ৰষিদ্ধ কৃষ্ণা।

# ইংলেণ্ডৰ বিৰুদ্ধে টেষ্ট মেচত ভাৰতক নেতৃত্ব দিব বুমৰাহে

## দ্বিতীয় পৰীক্ষাতো কৰ'না মুক্ত নহ'ল ৰোহিত

**লণ্ডন, ৩০ জুন ঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্টখনত ভাৰতীয় দলক নেতৃত্ব দিব পেচ বলাৰ যশপ্ৰীত বুমৰাহে। কাৰণ দ্বিতীয় পৰীক্ষাতো কৰ'না মুক্ত নহ'ল ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা। উল্লেখ্য যে লিছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত বি চি চি আয়ে ৰোহিত কৰ'নাত আক্ৰান্ত হোৱা বুলি জনাইছিল। সেয়ে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ বাবে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল



হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছিল। এতিয়া দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। উল্লেখ্য যে এই বছৰে ইংলণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলা খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰা হৈছে। সেই অনুসৰি সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে। এতিয়া ৰোহিতে এই দুটা শৃংখলালৈ দলত যোগ দিব পাৰে নাই সেয়াও চিন্তাৰ বিষয়।

## আজিৰে পৰা প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ

**গুৱাহাটী, ৩০ জুন ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত কাইলৈৰ পৰা চলিত বৰ্ষৰ নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ আৰম্ভ হ'ব। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ কাইলৈৰ উদ্বোধনী খেলখনত সঞ্জীৱন সমাজে ত্ৰিনয়ন গোষ্ঠীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নগাঁও প্ৰথম ডিভিজন ফুটবল লীগৰ দলকেইটা হৈছে--সঞ্জীৱন সমাজ, ত্ৰিনয়ন গোষ্ঠী, ৰেডিয়েল ক্লাব, নগাঁও ৰাজস্থানী যুৱক সংঘ, ষ্টাৰ স্প'ৰ্টিং ক্লাব, অম্লান গোষ্ঠী, বঞ্জমপুৰৰ নৱম অসম আৰক্ষী বাহিনী আৰু উদয় সংঘ। ইতিমধ্যে প্ৰকাশিত সূচী অনুসৰি এই লীগৰ অহা ২৬ জুলাইত সামৰণি পৰিব।

## কাৰাটেত পদক লাভ অংকুৰজ্যোতিৰ

**গুৱাহাটী, ৩০ জুন ঃ** বংগৰ চালচাত যোৱা ছাউথ এছিয়ান আচিহাৰা কাৰাটেত শিৱসাগৰ জিলাৰ পুৰণি পুখুৰীৰ অংকুৰজ্যোতি দাসে সোণৰ পদক অৰ্জনেৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। ভাৰত, বাংলাদেশ, নেপালকে ধৰি বহুকেইখন দেশৰ খেলুৱৈয়ে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখনত অংকুৰজ্যোতি দাসে ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। খেলুৱৈ গৰাকী নিজ জিলাত উপস্থিত হোৱাৰ পাছতে বিভিন্ন দল সংগঠনৰ লগতে গাৱঁৰ যুৱকসকলে বাইক ৰেলিৰে শোভাযাত্ৰা কৰি উষ্ম আদৰণি জনায়। অংকুৰজ্যোতি দাসৰ উপৰি শিৱসাগৰ জিলাৰ পৰা যোৱা আন ১৯ গৰাকীকৈ খেলুৱৈয়ে পদক লাভ কৰিবলৈ সক্ষম হয়। তাৰে ছগৰাকীয়ে সোণৰ পদক,৯গৰাকীয়ে ৰূপৰ আৰু তিনি গৰাকীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। দলটোক অসমৰ মুখ্য কাৰিকৰী নিৰ্দেশক চেনচেই হেমন্ত বৰঠাকুৰৰ নেতৃত্বত প্ৰশিক্ষক চেনচেই ক্ৰমে কমল চেতিয়া, কুতুবুদ্দিন আহমেদ,ৰাজীৱ দাস,পৰশ দিহিঙিয়া, ডিমেশ্বৰ বৰদলৈ,দিপাংকৰ গগৈ,দেৱজিৎ বৰা,সংগীতা আৰান্ধৰাৰ উপৰি পাৰ্থ চেতিয়া নেতৃত্ব প্ৰদান কৰিছিল ।

## আছাম টী গ'ল্ডেন কাপ মহিলা ফুটবল প্ৰতিযোগিতা আয়োজন কৰাৰ সন্দৰ্ভত সভা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিব্ৰুগড়, ৩০ জুন ঃ** অসম চাহ জনগোষ্ঠী ক্ৰীড়া আৰু সাংস্কৃতিক সস্থা আৰু লেপেটকটা আঞ্চলিক ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত অসম চৰকাৰৰ চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণৰ প্ৰচেষ্টাত পোনপ্ৰথমবাৰৰ বাবে "আসাম টি গল্ডেন কাপ" মহিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ উদেশ্যে ইতিমধ্যে ৰাজ্যজুৰি প্ৰস্তুতি চলোৱা হৈছে বুলি চাহ জনগোষ্ঠী ক্ৰীড়া আৰু সাংস্কৃতিক সস্থাই এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিছে। 'আসাম টি গল্ডেন কাপ' মহিলা ফুটবল প্ৰতিযোগিতা আয়োজন কৰাৰ উদেশ্যে উক্ত ফুটবল প্ৰতিযোগিতাৰ পৰিচালনা তথা তত্ত্বাৱধান কৰা সন্দৰ্ভত এখন সমিতি গঠন কৰাৰ সম্পৰ্কে অহা ৯জুলাইত ডিব্ৰুগড় অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সভা কক্ষত এখনি ৰাজহুৱা সভা আহবান কৰা হৈছে বুলি প্ৰেছ বিজ্ঞপ্তি জৰিয়তে অসম চাহজনগোষ্ঠী ক্ৰীড়া আৰু সাংস্কৃতিক সন্থাৰ সভাপতি প্ৰাঞ্জল ঘাটোৱাৰ আৰু সাধাৰণ সম্পাদক ৰাজেশ বদন নায়কে উক্ত সভালৈ ক্ৰীড়া লগত জড়িতসকলক নিমন্ত্ৰণ জনাইছে।

## ৬ জুলাইৰ পৰা ফুটবল লীগ আৰম্ভ

**গুৱাহাটী, ৩০ জুন ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন লীগ তথা নক আউট ফুটবল প্ৰতিযোগিতা খন অহা ছয় জুলাইৰ পৰা যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব । যোৱা ২৫ জুনত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ ভৱনত এ ডিভিজনৰ ক্লাৱ সমূহৰ উপস্থিতিত এ আৰু বি গ্ৰুপৰ তালিকা প্ৰস্তুত কৰা হয়। 'এ' গ্ৰুপত ভিক্টোৰিয়াচ ক্লাৱ, ৰেডিয়েন্ট ক্লাৱ, গোহাঁই টেকেলা ফুটবল ক্লাৱ, ৰমাকান্ত ফুটবল ক্লাৱ আৰু বৰভেটা স্প'টছ ক্লাৱ থকাৰ বিপৰীতে 'বি' গ্ৰুপত যোৰহাট টাউন ক্লাৱ, মিলনজ্যোতি সংঘ চটাই, অল ষ্টাৰ ক্লাৱ, কেন্দ্ৰীয় ক্লাৱ টিয়ক, নেপথ্য ক্লাৱ আছে । ছয় জুলাইত প্ৰথমখন খেলত অংশ গ্ৰহণ কৰিব ভিক্টোৰিয়াচ ক্লাৱ আৰু ৰেডিয়েন্ট ক্লাৱে । সাত জুলাইৰ দ্বিতীয়খন খেলত যোৰহাট টাউন ক্লাৱে খেলিব মিলনজ্যোতি সংঘ চটাইৰ বিৰুদ্ধে । উল্লেখ্য যে মুঠ দহটা দলৰ মাজত অনুষ্ঠিত হ'বলগীয়া এ ডিভিজন লীগ ফুটবল প্ৰতিযোগিতাত ভালেকেইটা ক্লাৱে কাষৰীয়া ৰাজ্য মনিপুৰ, মিজোৰাম, অৰুনাচল, পশ্চিম বংগ খেলুৱৈ যোগাযোগ কৰি পঞ্জিয়নৰ ব্যৱস্থা গ্ৰহণ কৰিছে । যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আকৰ্ষণীয় এ ডিভিজন ফুটবল প্ৰতিযোগিতাত ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহায় সহযোগিতাৰ লগতে উপস্থিতি যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি-সাধাৰণ সম্পাদক ক্ৰমে শান্তনু পূজাৰী আৰু জুল খাউণ্ডে কামনা কৰিছে।



*ভাৰত-ইংলেণ্ডৰ মাজত হ'বলগীয়া অন্তিম টেষ্টৰ পূৰ্বে অনুশীলনত ব্যস্ত ভাৰতীয় খেলুৱৈসকল*

## আন্তঃৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত মনোজৰ সোণ

**গুৱাহাটী, ৩০ জুন ঃ** ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ তথা ডিব্ৰুগড় নিবাসী মনোজ দেৱনাথে মালয়েচিয়াত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত ৬৩ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চলিত মাহতে গোৱাত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত অসম সন্তান মনোজে ৬৩ কিলোগ্ৰাম শাখাত সোঁ হাত আৰু বাওঁ হাতত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এতিয়া অহা ছেপ্টেম্বৰত ফ্ৰাঞ্চত অনুষ্ঠিতব্য বিশ্ব পাঞ্জা প্ৰতিযোগিতাত ভাৰতৰ হৈ মনোজে অংশ গ্ৰহণ কৰাৰ বাবে নিবাৰ্চিত হৈছে। মনোজৰ এনে সাফল্যত গৃহ চহৰ ডিব্ৰুগড়ত আনন্দৰ লহৰ উঠিছে।

## নিউজিলেণ্ডক ৩-০ত পৰাস্ত কৰি দৃঢ় হৈ আছে ইংলেণ্ড



**লণ্ডন, ৩০ জুন ঃ** ইংলণ্ড ক্ৰিকেট দলে নিউজিলেণ্ডৰ বিৰুদ্ধে ঘৰত খেলা তিনিখনীয়া টেষ্ট শৃংখলাটো ৩-০ ৰ ব্যৱধানত দখল কৰাৰ পাছত ভাৰতকো অন্তিমখন টেষ্টত পৰাস্ত কৰাৰ বাবে আত্মবিশ্বাসী হৈ আছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। সেয়ে এতিয়া শৃংখলা নিৰ্ণয়ক অন্তিম তথা পঞ্চমখন টেষ্ট কাইলৈৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত এইসময়ত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। সেয়ে ভাৰতে শৃংখলা হেৰুওৱাৰ কোনো কথা নাই। বিপৰীতে ইংলণ্ডৰ লক্ষ্য জয়ৰে শৃংখলা ২-২ ত ড্ৰ কৰা। ইয়াৰপূৰ্বে হোৱা পাঁচখনীয়া টেষ্ট শৃংখলাটোৰ চাৰিখন মেচৰ দুখনত টীম ইণ্ডিয়া জয় হৈছে আৰু এখন ড্ৰৰূপে সমাপ্ত হৈছে। ইংলণ্ডে এখন টেষ্টত জয়লাভ কৰিছিল। উল্লেখ্য যে সদ্য সমাপ্ত তিনিখনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন টেষ্টত ইংলণ্ডে সাত উইকেটত পৰাস্ত কৰে নিউজিলেণ্ডক। শৃংখলাৰ তৃতীয় তথা অন্তিমখন টেষ্টত নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩২৯ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ইংলণ্ডে প্ৰথম ইনিংছত ৩৬০ ৰাণ কৰি অগ্ৰগতি লয়। ইফালে, নিউজিলেণ্ডে দ্বিতীয় ইনিংছত ৩২৬ ৰাণ কৰি ইংলণ্ডৰ সন্মুখত ২৯৬ ৰাণৰ বিজয় লক্ষ্য দিয়ে। ইংলণ্ডে তিনি উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয় আৰু অন্তিমখন টেষ্টত সাত উইকেটত জয়লাভ কৰাৰ লগতে তিনিখনীয়া টেষ্ট শৃংখলাটো ৩-০ ৰ ব্যৱধানত দখল কৰিবলৈ সক্ষম হয়। শৃংখলাৰ শ্ৰেষ্ঠ হয় জ' ৰুট। দলীয় প্ৰদৰ্শনৰে দৃঢ় হৈ আছে ইংলণ্ড।

## গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ৩০ জুন ঃ** কৰ'নাৰ বাবে দুবছৰ ধৰি বন্ধ হৈ থকা অসমৰ ক্ৰীড়াক্ষেত্ৰখন পুনৰ সক্ৰিয় হৈ উঠিছে । যোৰহাট ছুইমিং ছচাইটিয়ে অহা এক জুলাইৰ পৰা আৰম্ভ কৰিবলৈ সাজু হৈছে গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ । পুৱা ৭.১৫ ৰ পৰা ৮ বজালৈ আৰু ৮.১৫ ৰ পৰা ৯ বজালৈ দুটা গ্ৰুপত অনুষ্ঠিত হ'ব এই প্ৰশিক্ষণ কাৰ্যসূচী । ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে এই গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰা হৈছে । এই শিবিৰত অভিজ্ঞ প্ৰশিক্ষকসকলে সাঁতোৰৰ প্ৰাথমিক জ্ঞান দিয়াৰ লগতে জ্যেষ্ঠ খেলুৱৈসকলকো উন্নত প্ৰশিক্ষণ প্ৰদান কৰিব । প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুকসকলে ছচাইটিৰ কাৰ্যালয়ৰ পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি জনাইছে যোৰহাট ছুইমিং ছচাইটিৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰঠাকুৰে।



*কাইলৈৰ পৰা হ'বলগীয়া ভাৰত-ইংলেণ্ডৰ অন্তিম টেষ্টৰ পূৰ্বে অনুশীলনত ব্যস্ত ইংলেণ্ডৰ খেলুৱৈ*

## ফুটবল খেলুৱৈ পৱন কলিতাৰ বিয়োগ

**গুৱাহাটী, ৩০ জুন ঃ** বজালীৰ এগৰাকী সুদক্ষ খেলুৱৈ, সমাজসেৱক পৱন কলিতাৰ (৫৯) আজি আবেলি প্ৰায় তিনি বজাত পৰলোক প্ৰাপ্তি ঘটা খবৰে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে বজালী জিলা সদৰ পাঠশালাৰ সমীপস্থ বৰবাং নিৱাসী কলিতা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল আৰু আজি তেওঁৰ নিজ গৃহতে স্বৰ্গগামী হয়। অঞ্চলটোৰ এগৰাকী সৰবৰাহী ব্যক্তি পৱন কলিতা সুদক্ষ ফুটবল খেলুৱৈ হিচাপে সকলোৰে মাজত সু-পৰিচিত আছিল। দক্ষিণ বাং সেৱা সংঘৰ সক্ৰিয় কাৰ্যকৰ্তা কলিতা মৃত্যু পৰ্যন্ত অঞ্চলটোৰ কেবাটাও সামাজিক অনুষ্ঠানৰ সতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যু সময়ত পত্নী, এগৰাকী পুত্ৰ, এজনী জী-জোৱাই, নাতি সহ অনেক গুনমুগ্ধক ইহ সংসাৰত এৰি থৈ গৈছে। কলিতাৰ মৃত্যুত দক্ষিণ বাং সেৱা সংঘ সমন্বিতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনায়।

## কাৰাটে কিডছ জন নাজিৰাৰ দুগৰাকী খেলুৱৈয়ে আচিহাৰা কাৰাটেত সোণ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নাজিৰা, ৩০ জুন ঃ** ৱেষ্ট বেংগলৰ চালচাত অনুস্থিত ইলেভেন চাউথ এচিয়ান আচিহাৰা কাৰাটে প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰে কাৰাটে কিডচ জন নাজিৰাৰ দুগৰাকী খেলুৱৈ ইফটিকাৰ ৰাব্বানি আহমেদ আৰু ইজাজ ৰাব্বানি আহমেদে। কাৰাটে কিডচ জন নাজিৰাৰ প্ৰেক্ষাগৃহত কাৰাটেৰ প্ৰশিক্ষণ লৈ ৱেষ্টবেংগলৰ চালচাত অনুস্থিত ইলেভেন চাউথ এচিয়ান আচিহাৰা কাৰাটে চেম্পিয়নশ্বিপত অংশ লৈছিল ইফটিকাৰ ৰাব্বানি আহমেদ আৰু ইজাজ ৰাব্বানি আহমেদে ।তেওঁলোকক কাৰাটেৰ প্ৰশিক্ষণ দিছিল কুতুবুদ্দিন আহমেদে। শিৱসাগৰৰ পৰা মুঠ ২২গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল এই চাউথ এচিয়ান আচিহাৰা কাৰাটে প্ৰতিযোগিতাত। তাৰে ১৯গৰাকীয়ে লাভ কৰে খিতাপ,৭গৰাকীয়ে সোণৰ পদক, ৯গৰাকীয়ে ৰূপৰ পদক আৰু ৩গৰাকীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে।

## আছুৰ এমহীয়া ফুটবল প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ৩০ জুন ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিৰ সৌজন্যত অইল ইণ্ডিয়া লিমিটেড দুলীয়াজানৰ সহযোগত লক্ষীপথাৰ শাখা আছুৰ উদ্যোগত এমহীয়াকৈ ফুটবল প্ৰশিক্ষণ শিবিৰৰ অয়োজিত কৰা হৈছে । লক্ষীপথাৰ উচ্চমাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা প্ৰশিক্ষণ শিবিৰটো যোৱা ২৭ জুনত আৰম্ভ হয় । সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক চাবুৱাৰ জুলেন চুব্ৰাৰ দ্বাৰা আগ্ৰহী প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে । প্ৰশিক্ষণ শিবিৰটোত বৃহত্তৰ লক্ষীপথাৰকে আদি কৰি ডিগবৈ কাষৰীয়া অঞ্চলৰ প্ৰায় ৬০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে । প্ৰশিক্ষণ শিবিৰৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে আছু কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিখিল কোঁচ, শিক্ষক খীৰ বাহাদুৰ ছেত্ৰী, প্ৰাক্তন খেলুৱৈ যোগেন পাটোৱাৰী ,১৮ নম্বৰ গাৰোৱাল ৰাইফলছৰ কেপ্তেইন আদিত্য সিং ৰাণা।

### ১৭ বছৰ অনূৰ্দ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

## ছেমি ফাইনেললৈ দাদৰা আৰু নগৰ হাভেলী-হাৰিয়ানা


**গুৱাহাটী, ৩০ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্দ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালীৰ দল তথা হাৰিয়ানাই। আজি হোৱা অন্তিম দুখন কোৱাৰ্টাৰ ফাইনেলত দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালীৰ দলে ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কেৰালাক। আনহাতে, হাৰিয়ানাই একমাত্ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰে বংগক। এতিয়া অহা দুই জুলাইত হ'বলগা এখন ছেমিফাইনেলত দাদৰা আৰু নগৰ হাভেলিৰ ছোৱালীৰ দলে খেলিব অৰুণাচলৰ বিৰুদ্ধে। উল্লেখ্য যে ইয়াৰপূৰ্বে সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত অৰুনাচলে ১-০ গ'লৰ ব্যৱধানত চত্তিছগড়ক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল। ইফালে দুই জুলাইতে সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা দ্বিতীয়খন ছেমিফাইনেলত হাৰিয়ানা মুখামুখি হ'ব বিহাৰৰ। স্মৰ্তব্য যে মনিপুৰক পৰাস্ত কৰি চমক সৃষ্টিৰে চলিত ১৭ বছৰ অনূৰ্দ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল বিহাৰে। অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ ইতিমধ্যে হোৱা কোৱাৰ্টাৰ ফাইনেলত বিহাৰে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মনিপুৰক। উল্লেখ্য যে উভয় দলে অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। গ্ৰুপ 'এ'ৰ পৰা চেম্পিয়ন হৈ মনিপুৰে ন পইণ্ট লাভ কৰি নক আউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, বিহাৰ মহিলা দলেও অপৰাজেয় হৈ চলিত ১৭ বছৰ অনূৰ্দ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।


## ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছত কিশোৰৰ ৰূপ

**গুৱাহাটী, ৩০ জুন ঃ** গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ৰাষ্ট্ৰীয় মাষ্টাৰছ এথলেটিকচ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি পদক জয়েৰে শুৱালকুছিলৈ গৌৰৱ কঢ়িয়াই আনিছে কিশোৰ কুমাৰ দাসে। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ ৩৫ বছৰ উৰ্দ্ধৰ শ্বটপুতত অংশগ্ৰহণ কৰি কিশোৰে ৰূপৰ পদক অৰ্জন কৰে। শুৱালকুছি স্প'ৰ্টছ একাডেমীৰ খেলুৱৈ কিশোৰ কুমাৰ দাসৰ এই সাফল্যত শুৱালকুছিবাসীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে।

## ৰাষ্ট্ৰীয় পৰ্যায়ত সমৰ কলা প্ৰতিযোগিতাত সোণৰ পদক লাভ নগাঁৱৰ দুই প্ৰতিভাৱান খেলুৱৈৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পুৰণিগুদাম, ৩০ জুন ঃ** মধ্য প্ৰদেশৰ দেৱাজত অনুষ্ঠিত হোৱা ময়থাই নেশ্যনেল চেম্পিয়নশ্বিপত নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল দুগৰাকী প্ৰতিভাৱান খেলুৱৈ নুপূৰ বৰা আৰু বন্তী দাস। অলিম্পিকৰ স্বীকৃতিপ্ৰাপ্ত সমৰকলা প্ৰতিযোগিতাখনিত নুপূৰ বৰা আৰু বন্তী দাসে দুৰ্দান্ত প্ৰদৰ্শনেৰে লাভ কৰিছে সোণৰ পদক। নগাঁও জিলাৰ পুৰণিগুদাম কলংপাৰ হালোৱাগাঁৱৰ নুপূৰ বৰা আৰু দক্ষিণপাটৰ বন্তি দাসে প্ৰতিযোগিতাখনিত অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। ১৬ জুনৰ পৰা ২২ জুনলৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত বিভিন্ন শাখাত দেশৰ মুঠ ৭৮০ গৰাকী প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰিছিল। সোণৰ পদক লাভ কৰা নুপূৰ আৰু বন্তিয়ে পৰৱৰ্তী ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ বাবে নিৰ্বাচিত হৈছে। দুয়োগৰাকী খেলুৱৈৰ প্ৰশিক্ষক হৈছে নাইচ সমৰ কলা কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক মিণ্টু গোস্বামী আৰু কমল বৰা । ৰাইজৰ উৎসাহ মৰম আৰু আশীৰ্বাদ পালে হিমা দাস আৰু লাভলিনা বৰগোঁহাইৰ দৰে বিশ্ব ৰেকৰ্ড গঢ়িব পাৰিব বুলি খেলুৱৈ দুগৰাকীয়ে আশা প্ৰকাশ কৰিছে।আনহাতে, নুপূৰ আৰু বন্তীৰ পৰিয়ালবৰ্গৰ লগতে সমৰ





কলাৰ প্ৰশিক্ষকদ্বয়ে অসমৰ মুখ্যমন্ত্ৰী আৰু বিভিন্নজন শুভাকাংক্ষীৰ পৰা পৰৱৰ্তী ৱৰ্ল্ড চেম্পিয়নশ্বিপত সহায় হ'ব পৰাকৈ সংবাদ মাধ্যমৰ জৰিয়তে আৰ্থিক সহযোগিতা কামনা কৰিছে।



*প্ৰয়াত ৰেণু দাসৰ আদ্যশ্ৰাদ্ধ উপলক্ষে প্ৰকাশিত 'শতৰেণু' স্মৃতি পত্ৰিকা উন্মোচনৰ মুহূৰ্ত, স্মৃতি পত্ৰিকাখন উন্মোচন কৰে বিশিষ্ট ক্ৰীড়াবিদ কৈলাস শৰ্মাই*

# মহুৰামুখত শৈক্ষিক বঁটা প্ৰদান

# ৫টাকৈ বঁটাৰে উজলিল সুদক্ষিণা হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৩০ জুন ঃ** ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বোকাখাত মহকুমাৰ মহুৰামুখ হাইস্কুল কেন্দ্ৰৰ ভিতৰত সৰ্বাধিক নম্বৰ প্ৰাপকক, মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ প্ৰাপকক শৈক্ষিক বঁটা প্ৰদান কৰিবলৈ আৰু বিদ্যালয়খনৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জনোৱাৰ উদ্দেশ্য আজি বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰুৱাৰ সভাপতিত্বত বঁটা প্ৰদান আৰু অভিনন্দন জ্ঞাপক এখন সভা অনুষ্ঠিত হয়।বিদ্যালয়ৰ ছাত্ৰী ইন্দ্ৰাণী শইকীয়াই পৰিৱেশন কৰা গীতেৰে শুভাৰম্ভ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পৰাগজ্যোতি হাজৰিকাই। মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃতী ছাত্ৰী সুদক্ষিণা হাজৰিকাই পাঁচটাকৈ শৈক্ষিক বঁটা লাভ কৰি উজলি উঠা সুদক্ষিণাই পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিলে। আজিৰ গাম্ভীৰ্যপূৰ্ণ সভাত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্তপৰীক্ষাত মহুৰামুখ হাইস্কুল কেন্দ্ৰৰ ভিতৰত সৰ্বাধিক নম্বৰ প্ৰাপক সুদক্ষিণা হাজৰিকাই অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়িয়ে তেওঁৰ পিতৃৰ স্মৃতিত আগবঢ়োৱা কমলেশ্বৰ বড়ি সোঁৱৰণী শৈক্ষিক বঁটা, অনুপম, মীনাক্ষী আৰু নীলাক্ষীয়ে তেওঁলোকৰ পিতৃ আৰু মাতৃৰ স্মৃতিত আগবঢ়োৱা টংকেশ্বৰ হাজৰিকা আৰু বীণা হাজৰিকা সোঁৱৰণী শৈক্ষিক বঁটা ( বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ কাৰণে), শিক্ষা বিষয়া মনোজ বৰুৱাই তেওঁৰ মাতৃৰ স্মৃতিত আগবঢ়োৱা পূৰ্ণকান্তি বৰুৱা সোঁৱৰণী শৈক্ষিক বঁটা (বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ কাৰণে ), সাধাৰণ বিজ্ঞান বিষয়ত কেন্দ্ৰৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীণা ৰাজকুমাৰীয়ে তেওঁৰ পিতৃৰ স্মৃতিত আগবঢ়োৱা ব্ৰজেন্দ্ৰ নাথ বৰপাত্ৰ গোহাঁই সোঁৱৰণী শৈক্ষিক বঁটা আৰু হিন্দী বিষয়ত বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে শিক্ষক ওম প্ৰকাশ কুমাৰে তেওঁৰ পিতৃৰ স্মৃতিত আগবঢ়োৱা প্ৰভাত কুমাৰ সোঁৱৰণী শৈক্ষিক বঁটা লাভ কৰে। বিদ্যালয়ৰ মেধাৱী ছাত্ৰী কাশ্মী বড়িয়ে অসমীয়া বিষয়ত কেন্দ্ৰৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰুৱাই তেওঁৰ পৰিবাৰৰ নামত আগবঢ়োৱা অম্বেশ্বৰী হাজৰিকা বৰুৱা সোঁৱৰণী শৈক্ষিক শৈক্ষিক বঁটা আৰু অসমীয়া বিষয়ত বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে শিক্ষয়িত্ৰী ৰূপালী বৰাই নিজৰ নামত আগবঢ়োৱা ৰূপালী বৰা শৈক্ষিক বঁটা লাভ কৰে । বিদ্যালয়ৰ ভিতৰত সাধাৰণ গণিতত সৰ্বাধিক নম্বৰ লাভ কৰাৰ বাবে চন্দ্ৰমা ডেকা শইকীয়াই তেওঁৰ স্বামীৰ নামত আগবঢ়োৱা অজিত শইকীয়া সোঁৱৰণী শৈক্ষিক বঁটা আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ পৰাগজ্যোতি হাজৰিকাই একে বিষয়তে আগবঢ়োৱা বঁটা মেধাৱী ছাত্ৰ গকুল বিশ্বাসে লাভ কৰে । উক্ত সভাতে হাইস্কুল শিক্ষান্তপৰীক্ষাত মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৯ গৰাকী কীৰ্তিমানক বিদ্যালয়ৰ তৰফৰ পৰা



অভিনন্দন জ্ঞাপন কৰা হয় । সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় যোগেশ লইং আৰু পূৰ্ণ বৰুৱাৰ লগতে অৱসৰপ্ৰাপ্ত বেংক বিষয়া পৰাণ হাজৰিকাই ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দেশ্য কৰি ভাষণ দিয়ে। উক্ত সভাতে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰুৱাই এটা ন্যাস পুঁজি গঠন কৰিবলৈ ৫০ হেজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে । উক্ত সভাতে ২০২৩ শিক্ষাবৰ্ষৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেন্দ্ৰৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বাধিক নম্বৰ প্ৰাপকক মাখনী ডেকাই দ্ৰোণকান্ত ডেকাৰ সোঁৱৰণত এক শৈক্ষিক বঁটা প্ৰদান কৰিব বুলি ঘোষণা কৰে। অভিনন্দন জ্ঞাপন কৰি ভায়লিনা ডেকা, গকুল বিশ্বাস আৰু সুদক্ষিণা হাজৰিকাই তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে। ছাত্ৰী ৰুচিপ্ৰিয়া হাজৰিকাই নৃত্য পৰিৱেশন কৰাৰ লগতে সুদক্ষিণা হাজৰিকাই জ্যোতি প্ৰসাদ আগৰৱালাৰ গীত পৰিৱেশন কৰে। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়ি, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীণা ৰাজকুমাৰী, অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় ইন্দ্ৰেশ্বৰ ভূঞা আৰু উমেশ বৰা, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ্বৰ শইকীয়া, যোগেন বৰুৱা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# কামৰূপ জিলাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা- উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপকসকলক সম্বৰ্ধনা জ্ঞাপন কামৰূপ জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ৩০ জুন ঃ** আজি আমিনগাওঁস্থিত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা শিক্ষা বিভাগৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা স্থান প্ৰাপ্ত ৫ গৰাকী ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। উল্লেখ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত গৰৈমাৰীৰ আল-অমিন ইছলামিক মডে'ল স্কুলৰ ছাত্ৰ তবিবুল হকে নৱম স্থান লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ক'লা শাখাত ৰামানুজন একাডেমিৰ পৰা সাধনা দেৱীয়ে প্ৰথম স্থান তথা উক্ত বিদ্যালয়ৰ নিখিল দাসে অষ্টম স্থান লাভ কৰাৰ উপৰি গেটৱে একাডেমীৰ ৰ'জি ৰৌচনে ষষ্ঠ স্থান লাভ কৰি জিলাখনৰ জনসাধাৰণক গৌৰৱান্বিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। ইয়াৰ উপৰি উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বিজ্ঞান শাখাত জিলাখনৰ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ দেৱব্ৰত কলিতাই সপ্তম স্থান দখল কৰিবলৈ সক্ষম হৈছে। আজি এই আটাইকেইগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক জিলা প্ৰশাসন তথা কামৰূপ জিলা শিক্ষা বিভাগৰ তৰফৰ পৰা তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্বৰ্দ্ধনা জনোৱাৰ উপৰি তেওঁলোকৰ শিক্ষানুষ্ঠানৰ মুৰব্বী তথা অভিভাৱক সকলোকো সম্বৰ্দ্ধনা জনোৱা হয়। একেটা অনুষ্ঠানতে জিলাখনৰ ১৪খন শিক্ষানুষ্ঠানৰ মুৰব্বী তথা বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াক স্বচ্ছ বিদ্যালয়ৰ পুৰস্কাৰৰ মান-পত্ৰ প্ৰদান কৰা হয়। কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই আদৰণী ভাষণেৰে আৰম্ভ কৰা এই অনুষ্ঠানত জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনে কৃতী ছাত্ৰ-ছাত্ৰী সকলে জিলাখনৰ জনসাধাৰণক গৌৰৱান্বিত কৰিছে বুলি কয়। তেখেতে ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান আহৰণৰ বাবে যিমান পাৰি পুথি অধ্যয়ন কৰাৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰৰ জনসাধাৰণৰ লগত মত-বিনিময় তথা যথাসম্ভৱ বিভিন্ন স্থান ভ্ৰমণ কৰাৰ বাবে উপদেশ দিয়ে। এনে কাৰ্যই তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰি নিজকে ভৱিষ্যতে এগৰাকী সুনিপুণ ব্যক্তি হিচাপে গঢ়ি তোলাৰ দিশত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে শিক্ষাৰ বাবে প্ৰযুক্তি প্ৰয়োগৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি এই প্ৰযুক্তি প্ৰয়োগৰ দিশত সচেতনতাৰে আগবঢ়াৰ বাবেও উপদেশ দিয়ে। ভাষণ প্ৰসঙ্গত তেখেতে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ দিশত সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই 'আৰোহণ' নামৰ এক কাযসূচীৰ সূচনা কৰাৰ বাবে পদক্ষেপ লৈ আছে বুলিও তেঁও কয়।অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীৰ অধ্যাপক কেয়ুৰ চ'ৰাথিয়াই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি কয় যে- এয়া তেওঁলোকৰ জীৱনৰ আৰম্ভণিহে। সমগ্ৰ জীৱনজুৰি এই সাধনাত ব্ৰতী হৈ তেওঁলোকে ভৱিষ্যতে আৰু অধিক সফলতাৰ উচ্চ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হব বুলিও তেওঁ কয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা লেখক থানেশ্বৰ মালাকাৰে কামৰূপ জিলাৰ বাসিন্দা হিচাপে আজি তেওঁ গৌৰৱবোধ কৰিছে বুলি ব্যক্ত কৰাৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰী সকলক সফলতাৰ পথেৰে আগবাঢ়ি যোৱাৰ কামনা কৰাৰ লগতে সফলতাৰ উচ্চ শিখৰত অৱতৰণ কৰাৰ সময়তো নিজৰ মূল শিপাডালৰ পৰা কোনো দিনে বিচ্ছিন্ন নহবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্য তথা অন্যান্য অতিথি সকলে ভাষণ প্ৰদান কৰাৰ উপৰি কৃতী ছাত্ৰ-ছাত্ৰী সকলেও নিজৰ মনোভাৱ ব্যক্ত কৰে।অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত কমল বৰুৱা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধুসুধন মেধি, বিভিন্ন বিদ্যালয়ৰ প্ৰধান, জেষ্ঠ সাংবাদিক, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।







# বানপানীক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰাৰ দাবীত ডিব্ৰুগড়ত আছুৰ বিক্ষোভ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ৩০ জুন ঃ** অসমত এতিয়া বানৰ তাণ্ডৱত ত্ৰাহি মোদন সোঁৱৰিছে জনতাই।চাৰি ফালে পানী কেৱল পানী। এই বাৰ চৰকাৰৰ তথ্যমতে বানত ডুবি বৰ্তমান ৰাজ্যখনত ১২৬ জনৰ মৃত্যু হৈছে আৰু ৩৫ জনৰোধিক নিৰুদ্দিষ্ট হৈ আছে।মানুহৰ পৰা পশুধনলৈ বানাক্ৰান্ত অঞ্চলত খাদ্য সংকটে দেখা দিছে।চৰকাৰে বৰ্ন্যাতক খাদ্য যোগান আৰু ধৰাত চৰম ব্যথ হোৱাৰ অভিযোগ সদৌ অসম ছাত্ৰ সন্থাৰ।অসমৰ বান-গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণাৰ কৰি স্থায়ী সমাধান কৰা আৰু বানাক্ৰান্তক পৰ্য্যাপ্ত সাহায্য, পুনৰ সংস্থাপনৰ দাবীত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাই ডিব্ৰুগড় সদৰত বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে। সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত আৰু সাধাৰণ সম্পাদক অৱনী গগৈৰ নেতৃত্বত শতাধিক আছুৰ কৰ্মীয়ে চৰকাৰ বিৰোধী বিভিন্ন শ'গানেৰে ডিব্ৰুগড়ৰ আকাশ-বতাহ কপাই তোলে।

# বাক্সাৰ চুক্ৰুবাৰীত সমগ্ৰ শিক্ষাৰ সম্প্ৰদায় উৎসৱ উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৩০ জুন ঃ** বাক্সা জিলা সমগ্ৰ শিক্ষাৰ সৌজন্যত জালাহ শিক্ষা খণ্ডৰ সহযোগত চুক্ৰুংবাৰী সমল কেন্দ্ৰ আৰু নিজ ডাকুৱা ৰাইজৰ উদ্যোগত আজি বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ৬১৬ নং নিজ ডাকুৱা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে সম্প্ৰদায় উৎসৱ পালন কৰা হয় ।পুৱা ৭ঃ৩০ মিনিটত সমূহীয়া চাফাই অভিযানেৰে উৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয় ।পুৱা ৮বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি খনীন দাসে ।৮ বাজি ১৫ মিনিটত গছপুলি ৰোপণ কৰে স্থানীয় বিশিষ্ট সমাজকৰ্মী হৰ্কেশ্বৰ দাস আৰু ১৯৩ নং চুক্ৰুংবাৰী পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহেশ্বৰ গয়াৰীয়ে ।৮ঃ৪৫ মিনিটত সাংস্কৃতিক শোভাযাত্ৰা কৰা হয়।১০ঃ৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় । দুপৰীয়া ১২ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সম্প্ৰদায়ৰ নৃত্য-গীত প্ৰদৰ্শন কৰে ।আবেলি ৩ বজাত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হয় ।সভাত সভাপতিত্ব কৰে ১০২৫ নং কাজিয়ামাটি পথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গনেশ চন্দ্ৰ বড়োৱে। চুক্ৰুংবাৰী সমল কেন্দ্ৰৰ কেন্দ্ৰ সমন্বয়ক প্ৰদীপ পাটগিৰিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ।জালাহ শিক্ষাখণ্ডৰ সমল ব্যক্তি স্বপন কুমাৰ ৰয়, গাণনিক বিষয়া সঞ্জয় পাঠক, লাবদাংগুৰী সমল কেন্দ্ৰৰ কেন্দ্ৰ সমন্বয়ক সুৰেশ চন্দ্ৰ দৈমাৰী আৰু বাৰাপেটা হাইস্কুলৰ প্ৰধান শিক্ষক পৰেশ ডেকাই সভাখনতবহুমূলীয়া ভাষণ আগবঢ়ায়।

## ১৬সংখ্যক ৰাষ্ট্ৰীয় পৰিসংখ্যা দিৱস

# অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসমৰ উদ্যোগত ৰাজ্যজুৰি পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ জুন ঃ** ২৯ জুনত অসম চৰকাৰৰ ৰূপান্তৰ আৰু পৰিকল্পনা বিভাগৰ অন্তৰ্গত অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ মুখ্য কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে ১৬ সংখ্যক ৰাষ্ট্ৰীয় পৰিসংখ্যা দিৱস ২০২২ৰ আয়োজন কৰা হয় আৰু লগতে অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ অন্তৰ্গত জিলা আৰু মহকুমা পৰ্যায়ৰ কাৰ্যালয়সমূহতো এই দিৱস পালন কৰা হয়। এইবছৰৰ পৰিসংখ্যা দিৱসত ধাৰ্য্য কৰা বিষয়, -'বহনক্ষম উন্নয়নৰ বাবে তথ্য'। আন্তৰ্জাতিক খ্যাতিসম্পন্ন পৰিসংখ্যাবিদ অধ্যাপক প্ৰশান্ত চন্দ্ৰ মহলানবিশৰ জন্ম দিনটো সমগ্ৰ ভাৰততেই পৰিসংখ্যা দিৱস হিচাপে পালন কৰি অহা হৈছে। উক্ত দিৱসৰ উদ্দেশ্য হৈছে অধ্যাপক মহলানবিশৰ অৰ্থনৈতিক পৰিকল্পনা আৰু পৰিসংখ্যাৰ ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ অৱদানৰ বিষয়ে সোঁৱৰণ কৰাৰ লগতে পৰিসংখ্যাৰ গুৰুত্ব সম্পৰ্কে সমাজৰ সৰ্বস্তৰত সজাগতাৰ বৃদ্ধি কৰা। দিনজোৰা কাৰ্যসূচীৰ অংশস্বৰূপে গুৱাহাটীৰ জৱাহৰনগৰত অৱস্থিত সঞ্চালকালয়ৰ নিজা কাৰ্যালয় চৌহদত অধ্যাপক পি চি মহলানবিচৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰাৰ লগতে প্ৰতিকৃতিত মাল্যাৰ্পন কৰা হয়। ইয়াৰ পিছতেই আঁদৰণি ভাষণত অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসমৰ অধিকৰ্ত্তা নিৰুপমা তালুকদাৰে প্ৰশান্ত চন্দ্ৰ মহলানবিশৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰাৰ লগতে পৰিসংখ্যা দিৱসৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। উদ্বোধনী অনুষ্ঠানত ভাৰত চৰকাৰৰ কেন্দ্ৰীয় পৰিসাংখ্যিক কাৰ্যালয়, (ফিল্ড অপাৰেচন ডিভিজন) আঞ্চলিক ক্ষেত্ৰীয় কাৰ্যালয় গুৱাহাটীৰ উপ-মহানিৰ্দেশিকা শ্ৰীমতী স্বপ্নালী ভট্টাচাৰ্য্যই। তেখেতে ২০২২ বৰ্ষৰ পৰিসংখ্যা দিৱসৰ বিষয়- 'বহনক্ষম উন্নয়নৰ বাবে তথ্য' শীৰ্ষক এটি সুন্দৰ আলোচনা আগবঢ়ায়। অসম চৰকাৰৰ প্ৰধান সচিব, ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া শ্ৰীমতী অৰ্চনা বাৰ্মাই অনুষ্ঠানটি উদ্বোধন কৰি প্ৰদান কৰা উদ্বোধনী ভাষণত শুদ্ধ আৰু সময়োপযোগী তথ্যৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। উদ্বোধনী অনুষ্ঠানৰ পিছতেই অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসমৰ অধিকৰ্ত্তাৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰিকৰী অনুষ্ঠানত অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসমৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু কটন বিশ্ববিদ্যালয়, ছয়গাঁও মহাবিদ্যালয়ৰপৰা নিৰ্বাচিত বিষয়ক লৈ প্ৰস্তুত কৰা পত্ৰ উপস্থাপন কৰে। উক্ত বিষয়সমূহক লৈ অংশগ্ৰহণকাৰীসকলৰ মাজত মতামত বিনিময় কৰা হয়। অসম চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব, ভাৰতীয় প্ৰশাসনীয় বিষয়া শ্ৰী পৱন কুমাৰ বৰঠাকুৰদেৱে চৰকাৰে আমাৰ দেশৰ সুস্থিৰ উন্নয়নৰ বাবে সকলো ক্ষেত্ৰতেই যে সঠিক তথ্যৰ গুৰুত্ব আছে তাৰ বিষয়ে বিশদ ভাৱে বৰ্ণনা কৰে। আনহাতে অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ প্ৰাক্তন অধিকৰ্ত্তা শ্ৰী কানুকান্ত সেনে আজিৰ কাৰিকৰী অনুষ্ঠানত উপস্থাপন কৰা বিষয়বোৰৰ সম্পৰ্কে এটি বিশ্লেষণাত্মক মন্তব্য আগবঢ়ায়। কাৰিকৰী অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সঞ্চালকালয়ৰ অতিৰিক্ত অধিকৰ্ত্ত শ্ৰী গোবিন চন্দ্ৰ মিলিয়ে। উক্ত আলোচনাত অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয় অসম আৰু কেন্দ্ৰীয় পৰিসাংখ্যিক কাৰ্যালয়, (ফিল্ড অপাৰেচন ডিভিজন) আঞ্চলিক ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটীৰ বিষয়া-কৰ্মচাৰীৰ উপৰিও বিভিন্ন বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সৰ্ব্বশেষত কাৰিকৰী অনুষ্ঠানত পৰিচালনা কৰাত সহযোগিতা কৰাৰ বাবে সকলোলৈ ধন্যবাদ জনাই কাৰিকৰী অধিবেশনৰ অধ্যক্ষা শ্ৰীমতী নিৰুপমা তালুকদাৰে অনুষ্ঠানৰ সামৰণি ঘোষণা কৰে।







CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত।■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি